● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

*আমাৰ সমাজে এগৰাকী মহিলাক পতিতালয় চলাবলৈ অনুমতি দিয়ে কিন্তু টাংগা চলাবলৈ নিদিয়ে।*

চাদাত হাছান মাণ্টো
*পাকিস্তানৰ লেখক*



৭ আৰ্থিক সংকটত বিপৰ্যস্ত শ্ৰীলংকা
১৫ অসমৰ বাহিৰলৈ যাব বৰদলৈ ট্ৰফী
৪ আম আদমী পাৰ্টিৰ উত্থান আৰু কেজৰিৱালৰ বিতৰ্কিত ভূমিকা

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৭৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৮ চ'ত ১৪২৮ ভাস্কৰাব্দ ২ এপ্ৰিল ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Saturday 2 April 2022 মূল্য ঃ ৯.০০ টকা

■ ৰাজ্যসভা নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয়ৰ বাবে কেন্দ্ৰীয় নেতা ছাথে জগৰীয়া ঃ ইউডিএফ ■ মুখ্যমন্ত্ৰীয়েই মেনেজ কৰিছে ছাথে-ভূপেনক ঃ কৰিমুদ্দিন ■ মোৰ পৰা পাঁচ কোটি বিচাৰিছিল

# কংগ্ৰেছক বিক্ৰী কৰি গ'ল বিজেপিৰ হাতত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** কালি মাজনিশাই ৰাজ্যসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হ'ল যদিও বিৰোধীৰ মাজত হাই-কাজিয়াৰ অন্ত পৰা নাই। কালি সম্পন্ন হোৱা নিৰ্বাচনত কংগ্ৰেছৰ এজেণ্ট তথা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অসমৰ ভাৰপ্ৰাপ্ত সম্পাদক পৃথ্বিৰাজ প্ৰভাকৰ ছাথেৰ বিৰুদ্ধে সৰৱ হৈছে এআইইউডিএফ আৰু কংগ্ৰেছৰ নিলম্বিত বিধায়ক। ইউডিএফৰ বিধায়ক ৰফিকুল ইছলামে ছাথেই বিজেপিৰ স'তে বুজাপৰা কৰি কংগ্ৰেছ বিধায়কক পাইকাৰী হাৰত বিক্ৰী কৰি থৈ গ'ল বুলি আজি অভিযোগ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ তিনিজন বিশ্বাসঘাতক বিধায়ক ক্ৰমে শশীকান্ত দাস, ছিদ্দেক আহমেদ আৰু ভূপেন স্বৰ্গীয়াৰী ইতিমধ্যে চিনাক্ত হৈছে আৰু বাকী বিশ্বাসঘাতক কেইজনক কংগ্ৰেছে চিনাক্ত কৰিব লাগে বুলি দাবী জনায়। বিধায়ক হুছেইনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে ছাথেৰ সুসম্পৰ্ক আছে আৰু বিগত এমাহ ধৰি ছাথেৰ ফোন কল ৰেকৰ্ড পৰীক্ষা *১০ পৃষ্ঠাত চাওক*

## ১০ লাখ ভুৱা কৃষক ঃ ১৬ কৃষি বিষয়াক কৈফিয়ৎ তলব

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসমত বিগত ২০১৮ৰ পৰা ৰূপায়ণ হোৱা প্ৰধানমন্ত্ৰী কিষাণ আঁচনি (পি এম কিষাণ)ত ভুৱা কৃষকৰ নামত সংঘটিত ব্যাপক কেলেংকাৰিৰ ধন পুনৰুদ্ধাৰ কৰাটো কৃষি বিভাগৰ বাবে আটাইতকৈ *১০ পৃষ্ঠাত চাওক*

## ডিব্ৰুগড়ত স্কুলীয়া ছাত্ৰী গুলিবিদ্ধৰ ঘটনাত ৰহস্য

**আত্মহত্যাৰ চেষ্টা নে দুৰ্ঘটনা**

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১ এপ্ৰিল ঃ** ডিব্ৰুগড় চহৰৰ মাজমজিয়াত আজি দিন দুপৰতে সংঘটিত এক গুলিচালনাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। এই ঘটনাত এগৰাকী ১৫ বছৰীয়া স্কুলীয়া ছাত্ৰী *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ২১° |
| ডিব্ৰুগড় | ২২° | ১৯° |
| দিল্লী | ৩৭° | ২১° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩২° | ২৬° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২০° | ১৬° |

*১ এপ্ৰিল, ২০২২*

## ৩৯,৬২৯.৪৯ কোটিৰ ১১,৭১৭ খন ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিল নকৰিলে অসমে

**গুৰুতৰ অনিয়মৰ আশংকা**

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসমে অনুদান হিচাপে লাভ কৰা হেজাৰ হেজাৰ কোটি টকাৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত দাখিল নকৰাৰ প্ৰভাৱ চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীৰ ওপৰত পৰিছে। অসম বিত্তীয় বিধি অনুসৰি অনুদানৰ ক্ষেত্ৰত ব্যৱহাৰিক প্ৰমাণপত্ৰ পুঁজি লাভৰ এবছৰৰ ভিতৰত *১০ পৃষ্ঠাত চাওক*




*ইন্ধনসহ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ আৰু মূল্যবৃদ্ধি ৰোধৰ দাবীত আছুৰ সত্যাগ্ৰহ।*

তদন্ত বিচাৰিলে স্বয়ং ড° শৰ্মাই ■ সম্পূৰ্ণ অসত্য ঃ দাবী পীযুষৰ

## মুখ্যমন্ত্ৰীৰ গৃহত ইউডিএফৰ বিধায়ক? বিশেষাধিকাৰ কমিটীলৈ প্ৰেৰণ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** কংগ্ৰেছে অভিযোগ কৰাৰ দৰে এআইইউডিএফৰ পাঁচজন বিধায়কে আজি নিচেই পুৱাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাতৰ উদ্দেশ্য তেওঁৰ বাসগৃহলৈ গৈছিল নে নাই সেই বিষয়টো তদন্তৰ বাবে বিশেষাধিকাৰ কমিটীলৈ প্ৰেৰণ কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। এই বিষয়টোক লৈ আজি সদনত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। ইউডিএফে বিষয়টো উত্থাপন কৰে। *১০ পৃষ্ঠাত চাওক*

■ 'পৰীক্ষা পে চৰ্চা'ত লক্ষ লক্ষ ছাত্ৰ-ছাত্ৰীক সম্বোধন প্ৰধানমন্ত্ৰীৰ
■ নিজৰ অপূৰ্ণ সপোন সন্তানৰ দ্বাৰা পূৰণৰ বাসনা এৰক অভিভাৱকে

## উদ্বিগ্নতাৰে নহয়, উৎসৱৰ উদ্যমেৰে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ পৰামৰ্শ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১ এপ্ৰিল ঃ** 'পৰীক্ষা পে চৰ্চা'ৰ পঞ্চমটো সংস্কৰণৰ লগত সংগতি ৰাখি সমাগত ব'ৰ্ড পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া দেশৰ লক্ষ লক্ষ ছাত্ৰ-ছাত্ৰীক আজি সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে উদ্বিগ্নতাৰে অথবা ভয়েৰে নহয়, বৰঞ্চ আত্মবিশ্বাস *১০ পৃষ্ঠাত চাওক*



■ দালাল-গুণ্ডাকৰৰ প্ৰকোপত ১৫ দিনতে আকাশলংঘী হ'ল মূল্য

## ৫০ শতাংশ বৃদ্ধিৰে কিলোত তিনিশ টকা হ'লগৈ ব্ৰইলাৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** এয়া 'এপ্ৰিল ফুল' ধৰি নল'ব। বাস্তৱিকতে ৰাজ্যত এক কেজি কটা ব্ৰইলাৰ মাংসৰ দাম আজিৰ পৰা হ'লগৈ তিনিশ টকা। মাত্ৰ ১৫ দিন আগলৈকে অৰ্থাৎ যোৱা মাৰ্চলৈকে দুশ টকাৰ পৰা ২২০ টকাত উপলব্ধ ব্ৰইলাৰ মাংসৰ দাম সম্প্ৰতি ৫০ শতাংশ হাৰত *১০ পৃষ্ঠাত চাওক*



■ শ্ৰীৰামপুৰ, বক্সিৰহাটত গাড়ীয়ে প্ৰতি ৪০ হেজাৰ টকা গুণ্ডাকৰ ■ প্ৰতিখন থানাৰ সন্মুখত নিশা আৰক্ষীয়ে আদায় কৰে দুহেজাৰকৈ

অসম চৰকাৰ
GOVERNMENT OF ASSAM

Har Ghar Jal
Jal Jeevan Mission

জল জীৱন মিছন

অসমৰ গ্ৰামাঞ্চলত ৰূপায়িত বৰ্তমান সময়ৰ অন্যতম অভিলাষী আঁচনি জল জীৱন মিছনৰ অধীনত অতি ক্ষিপ্ৰতাৰে খোৱাপানী যোগান ব্যৱস্থা সুচল কৰিবলৈ লোৱা হৈছে।

ইং ২০২২ মাৰ্চ মাহত অভিলেখ সংখ্যক **২,৩৯,০০০**তকৈও অধিক পৰিয়াললৈ ঘৰুৱা পানীৰ টেপ সংযোগৰ সুবিধা উপলব্ধ কৰা হৈছে। এতিয়ালৈকে **২৩,২৮,৮৬৫** পৰিয়াললৈ এই সুবিধা প্ৰদান কৰা হৈছে।

জল জীৱন মিছনৰ অধীনত ৰাজ্যৰ গ্ৰামাঞ্চলৰ ঘৰে ঘৰে খোৱাপানীৰ টেপ সংযোগ প্ৰদানৰ এই সক্ষম যাত্ৰাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী **শ্ৰীযুত নৰেন্দ্ৰ মোদী** ডাঙৰীয়াৰ মাৰ্গদৰ্শনৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে ক্ষিপ্ৰতাৰে মিছনৰ অধীনত পানী যোগান সংযোগৰ কামসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সবল নেতৃত্বৰ বাবে মাননীয় মুখ্যমন্ত্ৰী **ড° হিমন্ত বিশ্ব শৰ্মা** ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

আনহাতে, জল জীৱন মিছনৰ ক্ষিপ্ৰ ৰূপায়ণৰ দ্বাৰা লাভ কৰা এই সাফল্যৰ বাবে সংশ্লিষ্ট সকলো সন্মানীয় অভিভাৱক মন্ত্ৰী/বিধায়ক/সাংসদ/পঞ্চায়তৰ জনপ্ৰতিনিধিসকল, জিলা প্ৰশাসন তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।



**(ৰণজিৎ কুমাৰ দাস)**
মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ

জল জীৱন মিছন

"আহক, এই মিছনৰ সুবিধা গ্ৰহণ কৰি ঘৰে ঘৰে খোৱাপানীৰ ব্যৱস্থা কৰো।"
জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা প্ৰচাৰিত

"জল জীৱন মিছন" ৰূপায়ণৰ পৰিসৰ গ্ৰামাঞ্চলতহে আৱদ্ধ

জনসংযোগ/ডিএফ/৭/২২

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৮ চ'ত ১৪২৮ ভাস্কৰাব্দ ২ এপ্ৰিল ২০২২



# সংকটত শ্ৰীলংকা

শ্ৰীলংকাৰ সাম্প্ৰতিক আৰ্থিক সংকটে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে। মুদ্ৰাস্ফীতিয়ে জুৰুলা কৰা দেশখনত সম্প্ৰতি প্ৰতি এক ডলাৰৰ বিপৰীতে বিনিময় মূল্য ২৯২.৫ টকা হৈছে। যোৱা ফেব্ৰুৱাৰীত শ্ৰীলংকাত মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৭.৫ শতাংশ। প্ৰকাশিত বাতৰি অনুসৰি, বৰ্তমানো শ্ৰীলংকাত প্ৰতি কিলো চাউল আৰু চেনিৰ মূল্য হৈছে ২৯০ টকা। এপেকেট পাউৰুটি ১৫০ টকা, এক কিলো জলকীয়া ৭০০ টকাত বিক্ৰী হৈছে। একেদৰে প্ৰতি লিটাৰ গাখীৰ ২৬৩ টকা, পেট্ৰ'ল ২৫৪ টকা, প্ৰতি কিলো আলু ২০০ টকাত দেশবাসীয়ে ক্ৰয় কৰিব লগা হৈছে। মূল্যবৃদ্ধিয়ে ইমানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে যে একাপ চাহ সম্প্ৰতি এশ টকাত বিক্ৰী হৈছে। পেট্ৰ'ল-ডিজেলৰ নাটনিৰ ফলত এনেবোৰ ইন্ধন ক্ৰয়ৰ বাবে জনসাধাৰণে পেট্ৰ'ল পাম্পত দীঘলীয়া শাৰীত থিয় দিছে। পেট্ৰ'ল পাম্পত হোৱা ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে সেনা নিয়োগ কৰিব লগা হৈছে। একে সময়তে শ্ৰীলংকাত দৰবৰো তীব্ৰ নাটনি হৈছে। দৰবৰ অভাৱত দেশখনৰ বহু চিকিৎসালয়ত সম্প্ৰতি জৰুৰী অস্ত্ৰোপচাৰো চিকিৎসকে বন্ধ ৰাখিছে। চৰম বিত্তীয় সংকটৰ সন্মুখীন হোৱা দেশখনত এতিয়া নাগৰিকে এসাঁজ আহাৰৰ বাবেও হাহাকাৰ কৰিব লগা হৈছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষেৰ মতে চলিত বৰ্ষত দেশখনত ব্যৱসায়িক ঘাটিৰ পৰিমাণ ১০ বিলিয়ন ডলাৰলৈ বৃদ্ধিৰ সম্ভাৱনা আছে; কিন্তু প্ৰশ্ন হ'ল হঠাতে দ্বীপৰাষ্ট্ৰখনত এনে এক জটিল পৰিস্থিতিৰ উদ্ভৱ হ'ল কেনেকৈ? শ্ৰীলংকাৰ সাম্প্ৰতিক দুৰৱস্থাৰ বাবে জগৰীয়া কোন?

দৰাচলতে যোৱা বছৰৰ পৰাই শ্ৰীলংকাত মুদ্ৰাস্ফীতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰি আহিছে। মুদ্ৰাৰ মূল্য যথেষ্ট হ্ৰাস পোৱাত ২০২১ৰ ৩০ আগষ্টত শ্ৰীলংকা চৰকাৰে ৰাষ্ট্ৰীয় বিত্তীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা দেশখনত ব্যাপক মূল্যবৃদ্ধি অব্যাহত আছে। কেৱল ২০২১ৰ নৱেম্বৰ-ডিচেম্বৰ এমাহতে শ্ৰীলংকাত খাদ্য-সামগ্ৰীৰ মূল্য ১৫ শতাংশ বৃদ্ধি পাইছিল। সম্প্ৰতি এছিয়াৰ ভিতৰতে শ্ৰীলংকাত সৰ্বাধিক হাৰত মূল্যবৃদ্ধি হৈছে। শ্ৰীলংকাত দেখা দিয়া এই বিত্তীয় মহামন্দাৰ বাবে একাধিক কাৰক জগৰীয়া। প্ৰথমে, দেশখনত সম্প্ৰতি বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ যথেষ্ট হ্ৰাস পাইছে। পৰিসংখ্যা অনুসৰি, যোৱা জানুৱাৰীত বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ ৭০ শতাংশৰো অধিক হ্ৰাস পোৱাৰ ফলত ২.৩৬ বিলিয়ন ডলাৰ হৈছিল। বৈদেশিক মুদ্ৰা সীমিত হোৱাৰ ফলত দেশখনে প্ৰয়োজনীয় খাদ্য দ্ৰব্য, ইন্ধনজাত সামগ্ৰী আদি বিদেশৰ পৰা আমদানি কৰাত বাধাগ্ৰস্ত হৈছে। পৰিণতিত ইন্ধনৰ পৰা নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰীলৈকে সকলোৰে ব্যাপক মূল্যবৃদ্ধি পাইছে। শ্ৰীলংকাৰ অৰ্থনীতিত পৰ্যটন উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে; কিন্তু কৰ'নাৰ পৰিণতিত দেশখনৰ পৰ্যটন উদ্যোগে মাধমাৰ খালে। তথ্য অনুসৰি শ্ৰীলংকাৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ ১০ শতাংশ পৰ্যটন উদ্যোগৰ পৰা আহে। ২০১৯ বৰ্ষত কলম্বোত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণৰ পাছতে দেশখনৰ পৰ্যটন উদ্যোগ সংকটৰ সন্মুখীন হৈছিল আৰু কৰ'নাই এই উদ্যোগক সম্পূৰ্ণ স্থবিৰ কৰিলে। পৰ্যটন উদ্যোগ এইদৰে স্তব্ধ হোৱাত শ্ৰীলংকা বিদেশী মুদ্ৰা আহৰণত বাধাৰ সন্মুখীন হৈছে। ফলত হ্ৰাস পাইছে বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ। একে সময়তে শ্ৰীলংকাত বিদেশী প্ৰত্যক্ষ বিনিয়োগ (এফ ডি আই)ৰ পৰিমাণো হ্ৰাস পোৱাত বিদেশী মুদ্ৰা ভাণ্ডাৰ নিশকতীয়া হ'বলৈ ধৰিছে। দ্বীপৰাষ্ট্ৰখনৰ সাম্প্ৰতিক দুৰৱস্থাৰ আন এক কাৰণ হৈছে দেশখনৰ বৰ্ধিত বিদেশী ঋণৰ বোজা। বৰ্তমানে শ্ৰীলংকাৰ বিদেশী ঋণৰ পৰিমাণ হৈছে ৩২ বিলিয়ন ডলাৰ। মূলতঃ চীনৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লোৱাৰ পৰিণতিতে শ্ৰীলংকাই এতিয়া এই বিত্তীয় বোজা বহন কৰিব লগা হৈছে। বিশ্ব বেংকৰ তথ্যত উল্লেখ কৰা মতে, ক'ভিডৰ পৰিণতিত শ্ৰীলংকাৰ ৫,০০,০০০ নাগৰিক চৰম দৰিদ্ৰত পৰিণত হ'ল। তদুপৰি দেশখনত বৰ্তমানলৈকে পৰিবহণ আৰু পৰ্যটন উদ্যোগৰ স'তে জড়িত কমেও দুই লাখ লোক কৰ্মহীন হৈছে।

এই বিত্তীয় মহামন্দাৰ পৰা শ্ৰীলংকাক উদ্ধাৰ কৰিবলৈ হ'লে ৰাজাপক্ষে চৰকাৰে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (আই এম এফ)ৰ পৰা বিত্তীয় সাহায্য গ্ৰহণৰ বিকল্প নাই। দ্ৰুত আৰ্থিক সংস্কাৰ সাধনৰ পদক্ষেপ গ্ৰহণ নকৰিলে শ্ৰীলংকাই এই সংকটৰ পৰা উদ্ধাৰ লাভ সম্ভৱ নহ'ব। দেশখনে পৰ্যটন উদ্যোগৰ পুনৰুত্থানৰ ব্যৱস্থা কৰিলেও জি ডি পি বাঢ়িব। অৱশ্যে প্ৰথমে বিদেশী ঋণৰ পৰা দেশখনক মুক্ত কৰাতহে ৰাজাপক্ষে চৰকাৰে গুৰুত্ব দিয়া উচিত। আগন্তুক কেইমাহমানত দেশখনে ৭.৩ বিলিয়ন ডলাৰৰ দেশী-বিদেশী ঋণ পৰিশোধ কৰিব লাগিব যদিও এই ধন সম্প্ৰতি ৰাজাপক্ষে চৰকাৰৰ হাতত নাই। গতিকে আই এম এফৰ পৰা ঋণ লৈ বিদেশী ঋণৰ বোজা লঘু কৰাৰ বিকল্প নাই। অচিৰে ৰাজাপক্ষে চৰকাৰে সক্ৰিয়তা প্ৰদৰ্শন নকৰিলে শ্ৰীলংকা এখন দেউলীয়া ৰাষ্ট্ৰত পৰিণত হোৱাটোৱে স্বাভাৱিক।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**দুৰ্নীতি**- ভ্ৰষ্টাচাৰ, অন্যায়-অনীতি, হিংসা-বিদ্বেষ, অপৰাধজনিত কাৰ্য আদি সৰহ সংখ্যক নেতা-পালিনেতাৰে প্ৰেমিকা স্বৰূপ। হয়তো একাংশ নেতা-পালিনেতাই নিজৰ পত্নী বা সন্তানকো সিমান ভাল নাপায় যিমান ভাল পায় দুৰ্নীতি-ভ্ৰষ্টাচাৰ আদিক। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ সপক্ষে থাকি নীতি-আদৰ্শক বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰে সেইসকল নেতা-পালিনেতাই। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ আশ্ৰয় লৈ নিজক তুচ্ছ কৰিবলৈও সেইসকলে অকণো ভ্ৰূক্ষেপ নকৰে। একাংশ ভ্ৰষ্টাচাৰীয়ে আকৌ পুৱাৰ সূৰুযটোকো মেঘেৰে ঢাকি ৰখাৰ দৰে সত্যক ঢাকি এন্ধাৰময় পৰিৱেশৰ মাজত থাকিয়ে ভাল পায়, সিহঁতৰ বাবে পোহৰতকৈ এন্ধাৰে ভাল। সম্প্ৰতি মুখ ঢাকি ৰখা আৰু এন্ধাৰৰ মাজত থাকি ভাল পোৱা নেতা পালিনেতাৰ সংখ্যাহে অধিক। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ স'তে প্ৰত্যক্ষভাৱে জনিত নেতা-নেত্ৰীসকলে নিজকে নিজক পাহৰি গৈছে।

অপশাসন, দুৰ্নীতি, ভ্ৰষ্টাচাৰে সিহঁতৰ বিবেক দংশন কৰিছে। সিহঁতে ভুল বা অন্যায় কৰিলেও সাধাৰণ জনতাই বিনাদ্বিধাই শুদ্ধ বুলি মানি থাকিবলগীয়া হৈছে। সামাজিক বা ৰাইজৰ দৃষ্টিত ভ্ৰষ্টাচাৰীৰূপে পৰিচিত হোৱা বহু নেতা-নেত্ৰীয়ে নিৰ্বাচনত কিয় জয়ী হৈ থাকে সেয়াও এক বিচাৰ্যৰ বিষয়। সেয়া ধনবল, বাহুবল নে কিবা যাদুৰ কৌশল। দুৰ্নীতি বা অপৰাধজনিত কাৰ্যৰ স'তে বহুবাৰ জড়িত হৈ ৰঙাঘৰৰ আলহী হোৱা বহু নেতা-নেত্ৰীয়েও দেখোন নিৰ্বাচনত জয়ী হৈ মন্ত্ৰী-বিধায়কৰ পদ অধিগ্ৰহণ কৰিছে আৰু কৰিও আছে। সেয়া কাৰ কৃপাত? প্ৰজাৰ কৃপাত নহয় জানো। ভোট ক্ৰয়ৰে জয়ী হোৱা নেতা-নেত্ৰীসকলে কোনোপধ্যে দেশ বা ৰাজ্যৰ মংগলৰ কথা চিন্তা কৰিব নোৱাৰে।

**দিলীপ বৰ্মন** *লেখক*

কথা হ'ল ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ? এই ক্ষেত্ৰত আমি কেৱল হতাশাৰে হাত সাবটি বহি থাকিলে নহ'ব। সৎ নেতা-নেত্ৰীক আমি উলিয়াই আনিব লাগিব। এই ক্ষেত্ৰত আমি জনসাধাৰণ সজাগ আৰু সচেতন হ'ব লাগিব। সম্প্ৰতি এজন বা দুজনৰ নিৰ্দেশত দেশ, ৰাজ্য বা সমাজ চলে। ইয়াৰ পৰিৱৰ্তে সমাজৰ নিৰ্দেশতহে সেই এজন বা দুজনে চলিব পৰা পৰিৱেশ গঢ়ি তুলিব লাগিব। অপৰাধীৰ ক্ষেত্ৰত আইন বা চৰকাৰৰ কঠোৰ হ'ব লাগিব। শাসকপক্ষৰ অপৰাধী, ভ্ৰষ্টাচাৰী নেতা- নেত্ৰীৰ ক্ষেত্ৰতো কঠোৰ হ'ব লাগিব। কোনো নেতা-নেত্ৰীয়ে বাহুল্য বা অপৰাধ সংঘটিত কৰিলে তৎকালীন ব্যৱস্থা ল'ব লাগে। কলা ধনেৰে পাহাৰ গঢ়ি একাংশ নেতা-নেত্ৰীয়ে জন্ম গাঁৱক জন্ম ঠাইৰ পৰিচয় নাইকিয়া কৰি চহৰ-নগৰত বিলাসী জীৱন কটোৱাসকলৰ ওপৰতো তদন্ত চলাব লাগে। তেওঁলোকৰ সেই ধনৰ উৎস ক'ত বা ক'ৰ পৰা আহিছে। আমি দেখি আৰু শুনি আহিছো যে সাধাৰণ আয়ৰ একাংশ নেতা-নেত্ৰীয়ে সম্পত্তিৰ পাহাৰ গঢ়িছে। আকৌ আমি দেখি শুনি আহিছো যে বহু নেতা-নেত্ৰীয়ে নিৰ্বাচনৰ সময়ত নিজৰ জন্মস্থলীত নাথাকি হোটেল বা ল'জ আদি ভাড়ালৈ তাৰ পৰা ধনৰ ফুলজাৰিৰে নিৰ্বাচন খেলে। বহুতৰ মুখত শুনা যায় যে অমুক মন্ত্ৰী, অমুক বিধায়কজনে সমষ্টিলৈ একেবাৰে পিঠি দিছে। পাছৰ বাৰ তেনে বিধায়ক বা মন্ত্ৰীক এশিকনি দিয়াৰ কথাও কয়- যদিও পাছৰবাৰ নিৰ্বাচনতো আকৌ সেইজন বিধায়ক বা মন্ত্ৰীয়েহে জয়ী হয়। ইয়াৰ কাৰণ কি? ইয়াৰো একমাত্ৰ কাৰণ হ'ল ধনৰ শক্তি, অপকাৰ্যৰ মহিমা। সম্প্ৰতি ধন নাথাকিলে নিৰ্ধনী বা দুখীয়া পৰিয়ালৰ শিক্ষিত সৎ ব্যক্তি থাকিলেও নিৰ্বাচন খেলাৰ সাহস কৰিব নোৱাৰে বা দলেও তেনে

# ৰাষ্ট্ৰীয় ৰাজনীতিত আঞ্চলিক দলৰ কুচকাৱাজ

# আম আদমী পাৰ্টিৰ উত্থান আৰু কেজৰিৱালৰ বিতৰ্কিত ভূমিকা

**অৱলোকন**



**ড° জয়কান্ত শৰ্মা**

আঞ্চলিক দলৰ ৰাজনীতি একোটা অঞ্চলতে সীমিত; কাৰণ এখন ৰাজ্য বা এটা অঞ্চলৰ সমস্যা দাঙি ধৰিবলৈকে আঞ্চলিকতাবাদৰ জন্ম। সমস্যাসমূহৰ সমাধান কৰিবলৈ ৰাজনৈতিক ক্ষমতা লাগে আৰু সেয়েহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি চৰকাৰ গঠন কৰাটো দলৰ প্ৰাথমিক লক্ষ্য। অৱশ্যে চৰকাৰ গঠনত ৰাষ্ট্ৰীয় দলৰ সমৰ্থন লোৱাটো বা ৰাষ্ট্ৰীয় দলক সমৰ্থন দিয়াটো সময়ত একপ্ৰকাৰৰ ৰাজনৈতিক বাধ্য-বাধকতা হৈ পৰে, সেইটো নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত সততে মিত্ৰজোঁটৰ বিষয়টোৱে গুৰুত্ব লাভ কৰে।

আপাতদৃষ্টিত মাথোন ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি আৰু চি পি এম, চি পি আইকে ধৰি বাওঁপন্থী দলবোৰেহে ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি পাইছে। কেতবোৰ আঞ্চলিক দলৰ নামটোতে ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰৱেশৰ ইংগিত আছে; যেনে— দক্ষিণৰ AIDMK আৰু AIMIM উত্তৰৰ INLD আৰু RJD, অসমৰ AIUDF, ইত্যাদি। পিছে AIDMKৰ ৰাজনীতি তামিলনাডু আৰু পুডুছেৰীতে সীমিত, INLD আৰু RJD ৰ ভূমিকাও উত্তৰপ্ৰদেশ আৰু বিহাৰত সীমাৱদ্ধ, অসমৰ বাহিৰত AIUDFৰ অস্তিত্ব নাই। অৱশ্যে মুছলমান জনগণৰ ত্ৰাণকৰ্তাৰূপে আত্মপ্ৰকাশ কৰা AIMIM দলৰ ঘোষিত নীতি হ'ল, কেৰালা আৰু অসমৰ বাহিৰে দেশৰ সকলো ৰাজ্যতে গণতান্ত্ৰিক নিৰ্বাচনত অংশগ্ৰহণ কৰি সংখ্যালঘু সম্প্ৰদায়ৰ মাজত সচেতনতাৰ সৃষ্টি কৰা। কেৰালাত মুছলিম লীগ আৰু অসমত AIUDFৰ স'তে বুজাবুজি চলি আছে এই দলটোৰ।

পিছে এইটোও সঁচা যে একোটা দলে আঞ্চলিকতাবাদী হৈও আন ৰাজ্যৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ক্ষমতাৰ সোৱাদ লোৱাৰ প্ৰয়াস নচলোৱা নহয়। পশ্চিমবংগৰ মমতা বেনাৰ্জীয়ে তৃণমূল কংগ্ৰেছক ত্ৰিপুৰা, মণিপুৰ, গোৱা, উত্তৰপ্ৰদেশ আদি ৰাজ্যত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই আহিছে। পশ্চিমবংগত ভাৰতীয় জনতা পাৰ্টিক উগ্ৰবাদী ৰাজনীতিৰে প্ৰতিহত কৰাত লাভ কৰা সাফল্যই ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত বহুতো ৰাষ্ট্ৰীয় (পৰ্যায়ৰ) নেতাই তেওঁক নৰেন্দ্ৰ মোদীৰ বিকল্পৰূপে চিহ্নিত কৰিছিল। পিছে বিগত পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনে সেই সম্ভাৱনা নিৰ্বাপিত কৰিলে। বুজা গ'ল, পশ্চিমবংগৰ বাহিৰত মমতা বেনাৰ্জীৰ গ্ৰহণযোগ্যতা নাই। লক্ষ্যণীয় যে জনতা দল (ইউ), শিৱসেনা আদি দলেও সময়ে সময়ে আন ৰাজ্যৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰে।

অৱশ্যে এই ক্ষেত্ৰত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ) এক ব্যতিক্ৰম। উল্লেখযোগ্য যে আন্না হাজাৰেৰ নেতৃত্বত চলা 'দুৰ্নীতিৰ বিৰুদ্ধে ভাৰত' আন্দোলনৰ এগৰাকী নিষ্ঠাৱান কৰ্মীৰূপে আত্মপ্ৰকাশ কৰা কেজৰিৱালে পৰৱৰ্তী সময়ত আন্নাৰ স'তে সম্পৰ্ক ছেদ কৰি ৰাজনৈতিক দলটোৰ জন্ম দিছিল। এই কাৰ্য আছিল আন্নাৰ সামাজিক আন্দোলনৰ ঘোষিত নীতিৰ বিৰুদ্ধাচাৰণ; সেয়েহে আন্নাই কেজৰিৱালৰ ৰাজনৈতিক উচ্চাকাংক্ষাক বিশ্বাসঘাতকতা বুলি গণ্য কৰিছিল।

সি যিয়েই নহওক, এটা দশকপূৰ্বে গঠন কৰা দলটোৱে দুৰ্নীতি আৰু স্বজন-তোষিতাৰ বিৰুদ্ধে আৰু সাধাৰণ লোকৰ প্ৰাপ্য সা-সুবিধা সুনিশ্চিত কৰাৰ সপক্ষে দিয়া ধ্বনিৰে আত্মপ্ৰকাশ কৰিছিল। দলটোৰ সংযোজক অৰবিন্দ কেজৰিৱাল নিজেই; কিন্তু তেওঁ নিশ্চয়তা দিছিল যে সংযোজকৰ কাৰ্যকাল তিনিবছৰীয়া হ'ব আৰু প্ৰতি তিনি বছৰৰ মূৰে মূৰে নতুন সংযোজক নিযুক্ত হ'ব। তদুপৰি 'আপ'ত বংশবাদৰ কোনো স্থান নাথাকিব।

এই প্ৰতিশ্ৰুতি কেজৰিৱালে কেতিয়াবাই পাহৰিলে। আজিও 'আপ'ত সংযোজকৰ ৰূপত দ্বিতীয় গৰাকী নেতা চকুত পৰা নাই। অলপতে বংশবাদৰ সূচনাও কেজৰিৱালে নিজেই কৰিছে। পঞ্জাৱৰ নিৰ্বাচনী সভাত কেজৰিৱাল দুহিতা হৰ্ষিতা কেজৰিৱালে সগৌৰৱে ঘোষণা কৰিছে— 'মই আই আই টিৰ শিক্ষা সমাপ্ত কৰিছো; কিন্তু পিতৃৰ আদৰ্শ অনুকৰণ কৰি আপোনালোকৰ সেৱাত আত্মনিয়োগ কৰিবলৈ ওলাইছো।' পঞ্জাৱৰ নিৰ্বাচনত 'আপ'ত লাভ কৰা চমকপ্ৰদ সাফল্যৰ পৰিপ্ৰেক্ষিতত ভৱিষ্যতলৈ দলত হৰ্ষিতাৰ গুৰুত্ব বাঢ়িব বুলি সমীক্ষকসকলে অনুমান কৰিছে। ইতিমধ্যে কেজৰিৱালৰ খুলশালিয়েকে দলত প্ৰাধান্য পাইছেই।

দিল্লীত দুবাৰকৈ শাসনাধিষ্ঠিত হোৱাৰ পাছত কেজৰিৱালে আন আন ৰাজ্যৰ ৰাজনীতিত প্ৰৱেশ কৰাৰ লক্ষ্য গ্ৰহণ কৰিছিল। 'আম আদমী পাৰ্টি'য়ে সৰ্বভাৰতীয় দলৰ স্বীকৃতি বিচাৰে, কাৰণ সৰ্বত্ৰ 'আম আদমী' আছে। অৱশ্যে বিগত পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত দলটোৱে পঞ্জাৱৰ প্ৰায় ৭৫ শতাংশ আসন লাভ কৰিবলৈ সক্ষম হ'লেও ৪০ জনীয়া গোৱা বিধানসভাত মাথোন দুখনহে আসন পাইছে। এনে পটভূমিত প্ৰশ্ন উঠে, পঞ্জাৱত 'আপ'ৰ সাফল্যৰ আঁৰত কংগ্ৰেছ নেতৃত্বৰ অহংকাৰ আৰু স্ববিৰোধী নীতিৰ বাদেও আন কিবা কাৰণ আছিল নেকি?

এই সন্দৰ্ভত কেজৰিৱালৰ একালৰ ঘনিষ্ঠ সহযোগী বিশিষ্ট হিন্দী কবি ড° কুমাৰ বিশ্বাসে উত্থাপন কৰা অভিযোগ বিচাৰ্য। কুমাৰ বিশ্বাসে স্পষ্টকৈ কৈছে— কেজৰিৱাল খালিস্তানী সন্ত্ৰাসবাদৰ সমৰ্থক, তেওঁ দিল্লীৰ বাসভৱনত প্ৰায় নিয়মিতভাৱে খালিস্তানী নেতাৰ স'তে আলোচনাত মিলিত হয় আৰু তেওঁ স্বাধীন খালিস্তানৰ প্ৰধানমন্ত্ৰী হ'বলৈ বিচাৰে বুলি মোক নিজেই কৈছে।

এই অভিযোগৰ প্ৰত্যুত্তৰত অৰবিন্দ কেজৰিৱালে আবোল-তাবোল বকিলেও ড° বিশ্বাসৰ

**'আপ'ৰ জনসমৰ্থন লাভ কৰাৰ কৌশল হ'ল বিভিন্ন প্ৰকাৰৰ বিনামূলীয়া সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি। দিল্লীতো বিনামূলীয়া বিদ্যুত, বিনামূলীয়া পানী, বিনামূলীয়া শিক্ষা, বিনামূলীয়া স্বাস্থ্যসেৱা আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে; কিন্তু প্ৰতিটো কাৰ্যসূচীৰ ৰূপায়ণ প্ৰতাৰণামূলক আৰু আধাডুখৰীয়া**

প্ৰত্যাহ্বান গ্ৰহণ কৰি ক'ব পৰা নাই যে তেওঁ খালিস্তানী আন্দোলনৰ সমৰ্থক নহয়।

লক্ষ্যণীয় যে 'আপ'ৰ জনসমৰ্থন লাভ কৰাৰ কৌশল হ'ল বিভিন্ন প্ৰকাৰৰ বিনামূলীয়া সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি। দিল্লীতো বিনামূলীয়া বিদ্যুত, বিনামূলীয়া পানী, বিনামূলীয়া শিক্ষা, বিনামূলীয়া স্বাস্থ্যসেৱা আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে; কিন্তু প্ৰতিটো কাৰ্যসূচীৰ ৰূপায়ণ প্ৰতাৰণামূলক আৰু আধাডুখৰীয়া। আনকি বিগত কৰ'না মহামাৰীত 'আপ' চৰকাৰৰ স্বাস্থ্যসেৱা সৰ্বোচ্চ ন্যায়ালয়ে প্ৰতিদিনে নিৰীক্ষণ কৰিবলগীয়াত পৰিছিল। কাৰণ দিল্লী চৰকাৰে নিজাববীয়াকৈ অক্সিজেন উৎপাদনৰ ব্যৱস্থা লোৱাটো দূৰৰে কথা, আন ৰাজ্যৰ পৰা আৱণ্টিত অক্সিজেনৰ সদ্ব্যৱহাৰ কৰাতো ব্যৰ্থ হৈছিল।



এইবাৰ পঞ্জাৱৰ বিধানসভাৰ নিৰ্বাচনতো 'আপ'-এ ভালেমান প্ৰতিশ্ৰুতি দিছিল, বিনামূলীয়া বিজুলী, ১৮ বছৰৰ উৰ্ধ্বৰ প্ৰতিগৰাকী মহিলালৈ মাহে এহেজাৰ টকা ইত্যাদি। পিছে শপত গ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি আৰ্জি দিছে, পঞ্জাৱ চৰকাৰক নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে ৫০,০০০ কোটি টকাৰ বিশেষ সাহায্য প্ৰদান কৰিব লাগে। এয়াই হ'ল 'আপ'ৰ প্ৰতিশ্ৰুতিৰ প্ৰকৃত স্বৰূপ। পিছে এটা দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ দায়িত্ব কেন্দ্ৰই ল'ব পাৰেনে?

জন্ম লগ্নৰে পৰা 'আপ' নেতা অৰবিন্দ কেজৰিৱালৰ কাণ্ড-কাৰখানা বিতৰ্কমূলক আৰু বহু পৰিমাণে নৈৰাজ্যবাদীও। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ দেশদ্ৰোহী ছাত্ৰনেতা ওমৰ খালিদ আৰু কানহায়া কুমাৰৰ সমৰ্থনত থিয় দিয়া নেতা দুজন আছিল ৰাহুল গান্ধী আৰু কেজৰিৱাল। এবাৰ কেন্দ্ৰীয় চৰকাৰৰ স'তে সংঘাতত লিপ্ত হ'বলৈ তেওঁ গৃহমন্ত্ৰীৰ বাসভৱনলৈ যোৱা পথত দিনে-নিশা শুই থাকি প্ৰতিবাদ জনাইছিল। আন এবাৰ তেওঁৰ ৰাজহুৱা সভাত ৰাজস্থানৰ পৰা অহা এগৰাকী হতাশাগ্ৰস্ত লোকে গছৰ ডালত চিপজৰী লৈ আত্মহত্যা কৰিছিল আৰু তৎসত্বেও তেওঁৰ ভাষণ বন্ধ হোৱা নাছিল। (অসমতো অখিল গগৈয়ে প্ৰতিবাদস্থলীলৈ গাড়ীত কেৰাচিনৰ টিং আৰু হতাশাগ্ৰস্ত যুৱক এজনক আত্মহত্যা কৰোৱাবলৈ লৈ যোৱাৰ ঘটনাটো মনত আছেনে?)

পূৰ্বতে অৰবিন্দ কেজৰিৱালে নিজকে কোনো ধৰ্মীয় আনুষ্ঠানিকতাত বিশ্বাসী নহয় বুলি দাবী কৰিছিল; কিন্তু যেতিয়াৰে পৰা তেওঁ ৰাষ্ট্ৰীয় ৰাজনীতিত ভৰি দিবলৈ সিদ্ধান্ত ল'লে, তেতিয়াৰে পৰা তেওঁ নাস্তিক গুচি হৈ পৰিল ৰামভক্ত। আনকি দিল্লীৰ সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হোৱাৰ পাছতে তেওঁ 'হনুমান চালিচা' পঢ়িবলৈ লৈছিল আৰু টেলিভিছনত তাৰ পোনপটীয়া সম্প্ৰচাৰো কৰাইছিল। উল্লেখযোগ্য যে উক্ত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূচনা হৈছিল সংখ্যালঘু সম্প্ৰদায়ৰ 'আপ' নেতা এগৰাকীৰ বাসগৃহৰ পৰাই। তাত অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ লুকুৱাই ৰখা হৈছিল; আনকি উক্ত বাসগৃহৰ পৰাই আৰক্ষীৰ লোকক হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচিত হৈছিল।

শেহতীয়াভাৱে অৰবিন্দ কেজৰিৱালে দিল্লীৰ বিধানসভাৰ মজিয়াত 'ডি কাশ্মীৰ ফাইলছ' সন্দৰ্ভত নানা আপত্তিজনক মন্তব্য দি নতুন বিতৰ্কত সাঙোৰ খাই পৰিছে। কথাছবিখন ধন ঘটিবলৈ মিছা কাহিনীৰ ওপৰত ৰচিত বুলি কোৱাই নহয়, এজন সস্তীয়া কৌতুক অভিনেতাৰ দৰে তেওঁ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধেও ৰুচিবিগৰ্হিত মন্তব্য দিছে। তাকে লৈ ড° কুমাৰ বিশ্বাসে মন্তব্য দিছে, দুগ্ধপোষ্য শিশুক জুঁইত দলিয়াই দিয়া, জীয়ৰী-বোৱাৰীক ধৰ্ষণ কৰি হত্যা কৰা, বাসগৃহত অগ্নিসংযোগ কৰি কাশ্মিৰী পণ্ডিতক হত্যা আৰু বাচি থকাসকলক নিজ গৃহভূমিৰ পৰা পলায়ন কৰিবলৈ বাধ্য কৰোৱা আদিৰ দৰে অমানৱীয় অত্যাচাৰৰ সন্দৰ্ভত এজন পিশাচেহে অট্টহাস্য কৰিব পাৰে।'

এনে পটভূমিত আঞ্চলিক দলৰূপে আত্মপ্ৰকাশ কৰা আম আদমী পাৰ্টিৰ সৰ্বভাৰতীয় ৰাজনীতিত গ্ৰহণযোগ্যতা কিমান হ'বগৈ, প্ৰশ্নটো বিচাৰ্য। নিঃসন্দেহে অৰবিন্দ কেজৰিৱাল এগৰাকী চতুৰ আৰু বাক্‌পটু নেতা; কিন্তু তেওঁৰ ৰাজনীতিৰ মূল উপাদান হ'ল বিনামূলীয়া সেৱাৰ প্ৰতিশ্ৰুতি, কৌশলপূৰ্ণ হিন্দু-বিৰোধী গতিবিধি আৰু নৈৰাজ্যবাদৰ প্ৰতি আসক্তি। এইটো সঁচা যে ২০২৪ৰ লোকসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিক প্ৰত্যাহ্বান জনাব পৰাকৈ বিৰোধী ঐক্য স্থাপন হোৱা নাই। কংগ্ৰেছ এতিয়া হতাশাগ্ৰস্ত দল। সিদিনা মল্লিকাৰ্জুন খাৰ্গেই স্বীকাৰ কৰিছে যে কংগ্ৰেছৰ পতনৰ মূলতে ইয়াৰ সহযোগী ছেকুলাৰ দলবোৰ। ইয়াৰ অৰ্থ এয়ে যে অদূৰ ভৱিষ্যতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁট গঠন হোৱাৰ সম্ভাৱনা ক্ষীণ। মমতা বেনাৰ্জীৰ গ্ৰহণযোগ্যতা নথকাটো ইতিমধ্যে সাব্যস্ত হৈছে। সেয়েহে একাংশ সমীক্ষকে অনুমান কৰিছে যে কংগ্ৰেছে সৃষ্টি কৰা শূন্যতা 'আপ' দলে পূৰণ কৰাৰ চেষ্টা চলাব পাৰে।

হওঁতে কংগ্ৰেছৰ দৰেই 'আপ'ৰো মুছলমান তোষণ আৰু নৈৰাজ্যবাদী শক্তিৰ প্ৰতি সহানুভূতি আছে। পিছে এইটো লক্ষ্যণীয় যে বিগত পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত পঞ্জাৱৰ বাদে আৰু গোৱাৰ দুখন আসনৰ বাদে আপ প্ৰাৰ্থীয়ে আটাইবোৰ সমষ্টিতে আমানতৰ ধন হেৰুৱাইছে। আনহাতে, দিল্লীতো আপ চৰকাৰে মাথোন ধাপ্পাবাজী চলাই আছে। শিক্ষকৰ দৰমহা বন্ধ, ডাক্তৰ-নাৰ্ছক বেতন দিবলৈ ধন নাই, বিদ্যালয়ত অধ্যক্ষ নাই, শিক্ষকৰ পদবোৰৰ ৪০ শতাংশ খালী, দিল্লী নগৰ নিগমক বিত্ত আয়োগে মঞ্জুৰি দিয়া ৪০,০০০ কোটি টকাৰ সলনি ৭০০০ কোটি দিয়েই দায় সাৰিছে ইত্যাদি।

অলপতে অৰবিন্দ কেজৰিৱালে দাবী কৰিছিল যে তেওঁ দিল্লীত অস্থায়ী শিক্ষকৰূপে কৰ্মৰত কাশ্মিৰী পণ্ডিতৰ চাকৰি স্থায়ী কৰিছে। পিছে সাক্ষাৎকাৰ গ্ৰহণকাৰীয়ে তেওঁক থিতাতে প্ৰত্যক্ষ প্ৰত্যাহ্বান জনাই ক'লে, আপুনিতো চাকৰি স্থায়ী কৰাৰ আদালতৰ আদেশটোৰ বিৰুদ্ধে হাইকোৰ্টত দুবাৰকৈ প্ৰত্যাহ্বান জনোৱাৰ উপৰি সৰ্বোচ্চ ন্যায়ালয়তো আবেদন জনাইছিল। এনে এজন মিথ্যাচাৰী নেতাক ৰাষ্ট্ৰীয় ৰাজনীতিত আদৰি ল'ব পৰা যায়নে? *ফোন: ৯৪৩৫৫-৫৪২০৫*

## স্বাধীনতাৰ ৭৫ বছৰতো

# গুৱাহাটীত এটুপি পানীৰ বাবে হাহাকাৰ কিয়?

গুৱাহাটী মহানগৰী। সুন্দৰ সুন্দৰ ৰাজ অট্টালিকা। শাৰী শাৰী বিলাসী গাড়ী, সন্মুখত ফুলনি বাৰী। ৰাস্তা-ঘাট দেখিলে মন জুৰ পৰি যায়। আভিজাত্যৰ ভেমত মদাৰ ফুলৰ দৰে ফুলি থকা ভাৰতীয় তথা অসমৰ প্ৰশাসনিক বিষয়া, দুষ্টক দমন শান্তক পালন কৰা পুলিচ বিষয়াসকল, 'সত্যম এব জয়তে' কোৱা উকীলসকল, জ্ঞান আৰু শিক্ষা দিয়া শিক্ষক, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সাংবাদিকসকল আৰু অসমৰ ভাগ্য নিয়ন্তা মন্ত্ৰী-বিধায়কসকলৰ আৱাসস্থলী, গুৱাহাটী মহানগৰী দেখিলে ভাব হয় এইখন যেন ইন্দ্ৰপুৰী। কিন্তু বাস্তৱিকতে কি? 'বাহিৰে ৰংচং ভিতৰে কোঁৱাভাতুৰী।'

খোৱাপানীৰ অভাৱে গুৱাহাটীবাসীক জ্বলা-কলা খুৱাইছে। কুঁৱাত পানী নাই, বৰ বৰ দমকল বহুৱাইছে, পানী নাই, গভীৰ নলীনাদ খান্দি পানী নাপাই মূৰে-কপালে হাত দিছে, পানী নাই, ডাঙৰ টেংকী বহুৱাই ৰাখিছে, খালী, পানী নাই। চাউল ধুবলৈ পানী নাই, শাক-পাচলি ধুবলৈ পানী নাই, ফুলনিৰ গছবোৰ মৰহি গৈছে, দিবলৈ পানী নাই, আনকি খাবলৈও পানী নাই। পুৱাৰ পৰা শুবৰ সময়লৈকে কেৱল এটাই কথা 'পানী নাই।' 'নাই' শুনি শুনি ৰক্তচাপ বৃদ্ধি পাইছে। পানীৰ কাৰণে পানীৱালাক ফোন কৰি কৰি বিৰক্ত হৈ ভাগৰি পৰিছে। কেৱল 'গৈ আছো', 'পানী নাই', 'গৈ আছো', কিন্তু নিত্য কৰ্ম জানো ধৰি ৰাখিব পাৰিব? নুবুজে, বুজি নাপায়। বুজে, কিন্তু উপায় নাই— পানী নাই।

গুৱাহাটীৰ খোৱাপানীৰ সমস্যা দূৰ হ'ব নে? গুৱাহাটীবাসীয়ে খোৱাপানীটুপি পাবনে? ইয়াৰ উত্তৰ বিচাৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত বিভিন্ন সময়ত বিভিন্ন সংগঠনে আবেদন-নিবেদন কৰিছে। কিন্তু এটাই উত্তৰ 'পানী পাব', কিন্তু কেতিয়া পাব তাৰ সঠিক সময় ক'ব নোৱাৰো। প্ৰাণীৰ পানীয়ে প্ৰাণ, পানী নহ'লে নাই পৰিত্ৰাণ। পানীৰ আশা বুকুত বান্ধি বহুজন আমাৰ মাজৰ পৰা হেৰাই গ'ল। এইদৰে বছৰ বছৰ ধৰি গুৱাহাটীবাসীক আশ্বাস প্ৰদান কৰি আহিছে। কিন্তু ফলপ্ৰসূ ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হোৱা নাই। থকাখিনিও জহি-খহি গ'ল।

অসমত এখন জনপ্ৰিয় চৰকাৰ আছে। ইতিমধ্যে বিভিন্ন ধৰণৰ জনকল্যাণমূলক আঁচনিৰে অসমৰ জনসাধাৰণৰ মন আকৰ্ষণ কৰিছে। কেন্দ্ৰতো এখন প্ৰগতিশীল আৰু বিকাশশীল চৰকাৰ আছে। তেনেক্ষেত্ৰত গুৱাহাটীবাসী এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰি ৰাজপথলৈ ওলাই আহি আন্দোলন কৰিব লগা হৈছে। ইয়াতকৈ আশ্চৰ্যজনক কথা কি হ'ব পাৰে?

বৰ্তমানৰ পৌৰ প্ৰশাসনৰ মন্ত্ৰীজনৰ কাম-কাজে জনসাধাৰণৰ মন আকৰ্ষণ কৰিছে। তেওঁ এজন দক্ষ আৰু প্ৰতিভাসম্পন্ন মন্ত্ৰী। কিন্তু তেৰোঁ গুৱাহাটী পানী যোগান প্ৰকল্পৰ কাম নিয়াৰিকৈ কৰিব পৰা নাই। সেয়ে গুৱাহাটীৰ খোৱা পানীৰ সমস্যাৰ বিষয়ে আলোচনা কৰিলে এক সঠিক সিদ্ধান্ত প্ৰদান কৰাৰ পৰা ফালৰি কাটে। সেয়ে গুৱাহাটীবাসী ৰাইজৰ মাজত কিছু



ভুল বুজাবুজিৰ উদয় হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা এজন দক্ষ আৰু জনপ্ৰিয় নেতা। ইতিমধ্যে অসমৰ বাহিৰতো তেওঁৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। আনকি বিৰোধী পক্ষৰ বিধায়কসকলেও ড° শৰ্মাৰ গুণানুকীৰ্তন কৰে। ইতিমধ্যে খোৱা পানীৰ যোগানৰ বাবে বৈদ্যুতিন মাধ্যমৰ জৰিয়তে কণ কণ ল'ৰা-ছোৱালীয়ে চিঞৰি চিঞৰি কৈছে 'মামা, আমাক পানী লাগে, গা ধুবলৈ, খাবলৈ পানী নাই। আমি স্কুললৈ যাব পৰা নাই।' 'মহিলাসকলে কৈছে, 'আমি আপোনাত বাহিৰে কাকো বিশ্বাস নকৰো। আপোনাত বাহিৰে কোনেও খোৱাপানীৰ ব্যৱস্থা কৰিব নোৱাৰে। দয়া কৰক। তেনে এজন জনপ্ৰিয় মুখ্যমন্ত্ৰী থাকোতে খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগাতো বৰ পৰিতাপৰ বিষয়। গতিকে মুখ্যমন্ত্ৰীয়ে গুৱাহাটীবাসীৰ মংগল চিন্তা কৰি এই বিষয়ৰ ওপৰত হস্তক্ষেপ কৰি জনসাধাৰণৰ মাজত থকা ভুল ধাৰণাবোৰ আঁতৰ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি বহুতে ক'ব খোজে।

মুখ্যমন্ত্ৰীয়ে পৌৰ নিৰ্বাচনৰ পূৰ্বে নিম্নলিখিত বিষয়সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এক বিবৃতি প্ৰদান কৰিলে গুৱাহাটীবাসীৰ মাজত থকা ভুল বুজাবুজিৰ অৱসান ঘটিব বুলি বৌদ্ধিক সমাজে ক'ব বিচাৰে।

(১) গুৱাহাটী পানী যোগান প্ৰকল্পৰ বাবে আনুমানিক কিমান টকা ধাৰ্য কৰা হৈছিল? প্ৰকল্পৰ মুঠ খৰচৰ কিমান অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব আৰু কিমান অংশ ৰাজ্য চৰকাৰে বহন কৰিব? (২) এই প্ৰকল্পৰ খৰচৰ অনুমোদন কেতিয়া কৰা হৈছিল। (৩) প্ৰকল্পৰ কাম লেহেমীয়া হোৱাৰ কাৰণ কি? (৪) কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা পোৱা হ'ল আৰু কিমান টকা পাবলৈ বাকী আছে। (৫) ৰাজ্য চৰকাৰে এই প্ৰকল্পৰ বাবে কিমান টকা মুকলি কৰি দিলে। (৬) এই প্ৰকল্পৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব? (৭) গুৱাহাটীবাসীয়ে খোৱাপানী কেতিয়া পাব?

মুখ্যমন্ত্ৰীৰ ওপৰত গুৱাহাটীবাসীৰ সম্পূৰ্ণ আস্থা আৰু বিশ্বাস আছে। এই বিষয় কেইটা সামৰি মুখ্যমন্ত্ৰীয়ে বিবৃত্তি দিলে গুৱাহাটীবাসী আশ্বস্ত হ'ব।

খৰালি খোৱাপানীৰ অভাৱ, বাৰিষা কৃত্ৰিম বানপানীৰ তাণ্ডৱ, লগতে মহৰ উপদ্ৰৱ। গুৱাহাটাবাসীৰ নিদ্ৰাহৰণ কৰি ৰাখিছে। গুৱাহাটী পৌৰ নিগম, গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষ, গুৱাহাটী উন্নয়ন বিভাগ এই তিনিওটা বিভাগ দিন-ৰাতি কাম কৰি আছে। কেতিয়াবা টেলিভিছনৰ পৰ্দাত পৌৰ নিগমৰ কৰ্মীৰ লগত ৰাতি মন্ত্ৰীকো দেখা যায়। কিন্তু বাস্তৱিকতে গুৱাহাটীৰ কি উন্নয়ন হৈছে? এজাক বৰষুণতে ৰাস্তাত কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। আভিজাত্যৰ ভেমত থকা লোকসকলৰ ঘৰত একাঁঠু পানী। ৰাস্তাত গাড়ী ঠেলা লোকৰ ভিৰ। লখিমীনগৰ, হাতীগাঁও, বেলতলা, নবীন নগৰলৈ এজাক দবা পিটা বৰষুণৰ পাছত আহিলে গুৱাহাটীৰ আচল স্বৰূপ ওলাই পৰিব। নলা-নৰ্দমাবোৰ জাবৰ-জোঁথৰে ভৰি আছে। পৌৰ নিগমৰ নিৰ্বাচনৰ পূৰ্বে মন্ত্ৰীয়ে কৃত্ৰিম বানপানী ৰোধৰ এক ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ ওপৰত এটা বিবৃতি দিব লাগে বুলি ৰাইজে মত প্ৰকাশ কৰিছে।

**জ্যোতিষ চন্দ্ৰ দত্ত**

ফোন: ৯৮৫৪০-৪১৮১৫

# পথ দুৰ্ঘটনা কেনেকৈ লাঘৱ হ'ব?

**আমাৰ** দেশত প্ৰতিবছৰে ক্ৰমবৰ্ধমানভাৱে পথ দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি আৰু ফলস্বৰূপে উদ্বেগজনকভাৱে আহত আৰু নিহত ব্যক্তিৰ সংখ্যা বাঢ়িবলৈ লোৱা কাৰ্যলৈ লক্ষ্য কৰি চৰকাৰে পথ সুৰক্ষা আইন কঠোৰভাৱে বলবৎ কৰিবলৈ অগ্ৰসৰ হৈছে। পথ সুৰক্ষা আইনৰ দ্বাৰা চৰকাৰে জনসাধাৰণৰ জীৱনৰ সুৰক্ষা নিশ্চিতকৰণ কৰিবলৈ এক প্ৰয়াস চলাইছে। নিৰ্দিষ্ট গতিবেগৰ ভিতৰত যানবাহন চলোৱা, চাৰিচকীয়া বাহনত চিট বেল্ট বান্ধি লোৱা আৰু অতি শেহতীয়াকৈ দুচকীয়া বাহনত চালকৰ উপৰি আৰোহীয়ে নিশ্চিতভাৱে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক কৰি তুলিছে। আনকি দুচকীয়া বাহনৰ আৰোহী কম বয়সীয়া শিশুসকলৰ জীৱনৰ সুৰক্ষা নিশ্চিতকৰণৰ দিশটো লক্ষ্য কৰি শিশুসকলৰ বাবেও হেলমেট পৰিধান কৰাটো অৱশ্যেই কৰণীয় কাৰ্য হিচাপে পৰিগণিত হৈছে। কিছু সংখ্যক লোকে এই আইনৰ বিৰোধিতা কৰিছে যদিও সৰহ সংখ্যক নাগৰিকে চৰকাৰৰ এই পদক্ষেপক আন্তৰিকতাৰে সমৰ্থন কৰি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে। গভীৰভাৱে চিন্তা কৰিলে দেখা যায় যে এই আইন প্ৰয়োগ কৰি জনসাধাৰণক সুৰক্ষিতভাৱে বাহনেৰে যাত্ৰা নিশ্চিত কৰিবলৈকে চৰকাৰে এই প্ৰয়াস কৰিছে। ইয়াত আন কিবা উদ্দেশ্য অন্তৰ্নিহিত হৈ থকা বুলি মোৰ মনে নধৰে।

**অভিমত**

চাৰিচকীয়া বাহনত চালক আৰু আৰোহীয়ে চিট বেল্ট পৰিধান কৰিবলৈ সেই বাহনখনত কোম্পানীয়ে সংযোগ কৰি পঠিওৱা চিট বেল্টডাল ব্যৱহাৰ কৰাৰ বাহিৰে গত্যন্তৰ নাই। চালক নাইবা আৰোহীয়ে নিজৰ ইচ্ছা অনুসৰি ভিন ভিন ৰঙৰ ভিন ভিন কোম্পানীৰ চিট বেল্ট অতি সহজতে সলনি কৰাটোও সহজসাধ্য কাৰ্য নহয়। সেয়ে প্ৰায় এশ শতাংশ চাৰিচকীয়া বাহনৰ চালক-আৰোহীয়ে গতানুগতিকভাৱে বাহনত সংযোজিত চিটবেল্ট নিৰ্বিবাদে পৰিধান কৰি আহিছে। ইয়াৰ বিপৰীতে দুচকীয়া বাহনৰ গৰাকীয়ে নিজ পছন্দ অনুসৰি হেলমেট ক্ৰয় কৰিবলৈ সুযোগ লাভ কৰে। আৰু ইয়াতেই চৰকাৰী নিৰ্দেশনা একাষৰীয়া কৰি কিছু সংখ্যক লোকে মাথোঁ আৰক্ষীৰ চোকা দৃষ্টিৰ পৰা সাৰিবলৈ কিছুমান অ-সুৰক্ষিতভাৱে নিৰ্মাণ কৰা হেলমেট ক্ৰয় কৰি পৰিধান কৰা পথ সুৰক্ষা আইন প্ৰয়োগত নিয়োজিত চৰকাৰী বিষয়া, কৰ্মচাৰীসকলে পৰিলক্ষিত কৰি আহিছে আৰু জনসাধাৰণেও ছপা মাধ্যম তথা বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বাতৰিৰ জৰিয়তে জ্ঞাত হৈছে। এই ক্ষেত্ৰত পথ সুৰক্ষা ক্ষেত্ৰত প্ৰয়োজনীয় সকলো কাৰ্য চলাই থকা চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানে কিছু নিৰ্দেশনা জাৰি কৰা নিশ্চয়কৈ জনসাধাৰণৰ দৃষ্টিগোচৰ হৈছে। সেই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী দুচকীয়া বাহনৰ চালক আৰু আৰোহীয়ে আই এছ আই চিহ্নযুক্ত হেলমেট ক্ৰয় কৰি পৰিধান কৰাটো একান্ত আৱশ্যকীয়। কাৰণ হেলমেট উৎপাদনকাৰী কাৰখানাত আই এছ আই চিহ্নযুক্ত হেলমেটবোৰ গুণাগুণ নিৰ্ণয় কৰি সুৰক্ষাৰ বাবে প্ৰয়োজনীয় মান অক্ষুণ্ণ ৰাখিহে বজাৰলৈ বিক্ৰীৰ বাবে উলিয়াই দিয়া হয়। ইয়াৰ উপৰি হেলমেটৰ ৰং চয়ন কৰাৰ ক্ষেত্ৰত বৈজ্ঞানিকভাৱে চাবলৈ গ'লে ৰঙা নাইবা কমলা ৰঙৰ হেলমেটক প্ৰাধান্য দিয়াৰ প্ৰয়োজন। যিহেতু এই দুয়োটা ৰঙ দিনতেই হওঁক বা ৰাতি আন বাহন ব্যৱহাৰকাৰীসকলে সহজেই দেখা পায়। ইয়াৰ উপৰি হালধীয়া নাইবা বগা ৰঙৰ হেলমেটেও আন আন পথ ব্যৱহাৰকাৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। সেয়েহে আই এছ আই চিহ্নযুক্ত হোৱাৰ উপৰি ৰঙ চয়ন কৰাৰ ক্ষেত্ৰত অকণমান সাৱধানতা অৱলম্বন কৰিব পাৰিলে দুচকীয়া যানবাহনৰ চালক তথা আৰোহী অনেক পৰিমাণে সুৰক্ষিতভাৱে পথ ব্যৱহাৰ কৰিব পাৰে। কিন্তু আটাইতকৈ উদ্বেগজনক আৰু চিন্তাজনক কথাটো হ'ল যদিহে চালকে সুৰাপান কৰি বাহন চলায় নাইবা তীব্ৰ বেগত বাহন চালনা কৰে তেন্তে চাৰিচকীয়া বাহনৰ চিটবেল্ট আৰু দুচকীয়া বাহনৰ হেলমেট কিমানদূৰলৈ জীৱন সুৰক্ষিত কৰি ৰাখিব পাৰিব?


**আৰ্চি নাথ**, *ফোন: ৮৭৬১০২১১২৫*

## দিল্লীত পুনৰ ৪৪২ জন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ এপ্ৰিল ঃ** ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ অব্যাহত আছে দিল্লীত। শেহতীয়াভাৱে ৰাজধানী চহৰখনত ৪৪২ জন লোকৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। মাৰ্চত দিল্লীত মুঠ ৭৭৬ জন লোকৰ ক'ভিড পৰীক্ষণ কৰা হৈছিল আৰু ইয়াৰ ৪৪২ নমুনাত ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰে। যোৱা ১৩ জানুৱাৰীত দিল্লীত ক'ভিডৰ দৈনিক সংক্ৰমণ সৰ্বাধিক ২৮,৮৬৭ জনলৈ বৃদ্ধি পোৱাৰ পাছত সম্প্ৰতি ৰাজধানী চহৰখনত কৰ'নাৰ সংক্ৰমণ নিয়ন্ত্ৰণত আছে। অৱশ্যে এতিয়াও ক'ভিডে দিল্লীৰ পৰা সম্পূৰ্ণৰূপে বিদায় লোৱা নাই।

## ৮৫ বছৰত ৩২ বছৰীয়া যুৱতীৰে বিবাহ বাৰ্লুছকনীৰ



নিউজ ব্যুৰ', ৰোম, ১ এপ্ৰিল ঃ ইটালীৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ছিলভিঅ' বাৰ্লুছকনী আকৌ এবাৰ সংবাদ শিৰোনামালৈ আহিছে। এইবাৰ ৮৫ বছৰীয়া বাৰ্লুছকনীয়ে এগৰাকী ৩২ বছৰীয়া যুৱতীৰে বিবাহ সম্পন্ন কৰাৰ বাতৰি চৰ্চিত হৈছে। উল্লেখ্য যে বাৰ্লুছকনী পূৰ্বৰে পৰা এজন ৰমনী বিলাসী নেতা হিচাপে পৰিচিত হৈ আহিছে। নাবালিকাৰ স'তে যৌন সম্পৰ্ক স্থাপন কৰিও পূৰ্বে বাৰ্লুছকনী সমালোচিত হৈছিল। তদুপৰি যৌন কৰ্মীৰ স'তে নৈশ যাপনৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে ৫০ কোটি টকা ব্যয় কৰাৰ অভিযোগো উত্থাপিত হৈছিল। যোৱা সপ্তাহত বাৰ্লুছকনীয়ে তেওঁতকৈ ৫৩ বছৰ কণিষ্ঠ এগৰাকী যুৱতীক পত্নী হিচাপে গ্ৰহণ কৰে। প্ৰকাশিত বাতৰি অনুসৰি ৮৫ বছৰীয়া বাৰ্লুছকনীয়ে ইটালীৰ ৩২ বছৰীয়া সাংসদ মাৰ্টা ফাচিনাৰ স'তে ৰোমান্টিক সম্পৰ্ক ৰক্ষা কৰি আহিছে আৰু যোৱা সপ্তাহত দুয়ো গোপনে বিবাহ সম্পন্ন কৰে।

## মহাৰাষ্ট্ৰত তাপমাত্ৰা বৃদ্ধি, প্ৰবল গ্ৰীষ্ম প্ৰৱাহত ওচমানাবাদত এজনৰ মৃত্যু



**নিউজ ব্যুৰ', ঔৰংগাবাদ, ১ এপ্ৰিল ঃ** মহাৰাষ্ট্ৰৰ একাধিক অঞ্চলত এইবাৰ প্ৰচণ্ড উত্তাপ অনুভূত হৈছে। ৰাজ্যখনৰ মৰাথৱাৰাত পাৰাস্তম্ভই ইতিমধ্যে ৪০ ডিগ্ৰী ছেলচিয়াছৰ সীমা অতিক্ৰম কৰিছে। মৰাথৱাৰাৰ বহু অঞ্চলত সম্প্ৰতি গ্ৰীষ্ম প্ৰৱাহে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মাৰ্চৰ অন্তিম ভাগত সেই অঞ্চলৰ তাপমাত্ৰা ৪১ৰ পৰা ৪২ ডিগ্ৰী ছেলচিয়াছলৈ বৃদ্ধি পাইছিল। ৰাজস্থান আৰু গুজৰাটৰ দিশৰ পৰা অহা গ্ৰীষ্ম প্ৰৱাহে জনজীৱন ব্যাহত কৰিছে। মৰাথৱাৰাৰ দৰে ওচমানাবাদ জিলাতো গ্ৰীষ্ম প্ৰৱাহে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে এইখন জিলাত গ্ৰীষ্ম প্ৰৱাহৰ ঘটনাত এজন লোকৰ মৃত্যু হৈছে। কালি জিলাখনৰ নিবাসী ৫০ বছৰীয়া লিংবৰাজ চুকালে নামৰ কৃষক এজনৰ গ্ৰীষ্ম প্ৰৱাহত মৃত্যু হয়। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি অঞ্চলটোৰ তাপমাত্ৰা আগন্তুক দিনত বৃদ্ধি পোৱাৰ লগতে গ্ৰীষ্ম প্ৰৱাহৰ ঘটনাও অধিক হোৱাৰ শংকা আছে।

## চণ্ডীগড়ক পঞ্জাৱলৈ স্থানান্তৰৰ দাবীৰে বিধানসভাত প্ৰস্তাৱ গৃহীত কৰিলে মান চৰকাৰে

**নিউজ ব্যুৰ', চণ্ডীগড়, ১ এপ্ৰিল ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অলপতে ঘোষণা কৰি কৈছিল যে এতিয়াৰে পৰা চণ্ডীগড়ৰ চৰকাৰী কৰ্মচাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ সা-সুবিধা লাভ কৰিব। পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে শ্বাহৰ এই ঘোষণাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাইছিল। চৰকাৰী কৰ্মচাৰীক প্ৰভাৱিত কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এই ঘোষণা কৰা বুলি পঞ্জাৱৰ মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰিছে। চণ্ডীগড়ক পঞ্জাৱৰ দখলত ৰাখিবলৈ ৰাজ্যখনৰ মান নেতৃত্বাধীন আপৰ চৰকাৰে আজি বিধানসভাৰ বিশেষ অধিৱেশনত চণ্ডীগড়ক পঞ্জাৱলৈ স্থানান্তৰ কৰাৰ দাবীৰে এক প্ৰস্তাৱ গৃহীত কৰিলে। ভগৱন্ত মানে কয় যে ১৯৬৬ বৰ্ষৰ পঞ্জাৱ পুনৰ গঠন আইনৰ অধীনত পঞ্জাৱৰ পুনৰ গঠন কৰা হৈছিল। ইয়াৰ জৰিয়তে পঞ্জাৱৰ পৰা হাৰিয়ানা নতুন ৰাজ্য হিচাপে স্বীকৃতি হয় আৰু চণ্ডীগড়ক কেন্দ্ৰীয় শাসিত অঞ্চলৰ ঘোষণা কৰা হৈছিল। এইবাৰ নৱগঠিত মান চৰকাৰে চণ্ডীগড়ক পঞ্জাৱলৈ হস্তান্তৰ কৰাৰ দাবী জনালে। ১৯৬৬ বৰ্ষত পঞ্জাৱৰ পুনৰ গঠনৰ সময়ত চণ্ডীগড়ক পঞ্জাৱ আৰু হাৰিয়ানা উভয়ৰ ৰাজধানী হিচাপে ঘোষণা কৰা হৈছিল।



**আৰক্ষীৰ স'তে বিক্ষোভকাৰীৰ সংঘৰ্ষ, ক্ষুব্ধ জনতাই জ্বলালে গাড়ী-মটৰ চাইকেল, সান্ধ্য আইন জাৰি**


# আৰ্থিক সংকটত বিপৰ্যস্ত শ্ৰীলংকা ঃ ৰাজপথত ক্ষুব্ধ জনতাৰ বিক্ষোভ

**নিউজ ব্যুৰ' কলম্বো, ১ এপ্ৰিল ঃ** তীব্ৰ অৰ্থনীতিৰ সংকটৰ কবলত পৰা শ্ৰীলংকাত সম্প্ৰতি ইন্ধনৰ ব্যাপক সংকটে দেখা দিছে। ইফালে, কাগজৰ অভাৱত দেশখনত শিক্ষানুষ্ঠানত পৰীক্ষা বন্ধ ৰখা হৈছে আৰু বন্ধ হৈ আছে সৰহ সংখ্যক সংবাদপত্ৰৰ প্ৰকাশ। বিদ্যুৎ সংকটৰ ফলত দেশখনত দৈনিক কমেও ১০ৰ পৰা ১৬ ঘণ্টালৈকে বিদ্যুৎ কৰ্তন কৰা হৈছে। এনে পৰিস্থিতিত অতিষ্ঠ হৈ গোটাবায়া ৰাজাপক্ষে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদত নামিল ক্ষুব্ধ দেশবাসীয়ে। যোৱা নিশা ৰাজধানী কলম্বোৰ ৰাজপথত ৰাষ্ট্ৰপতিৰ বাসভৱনৰ সন্মুখত কে'বা হেজাৰ লোকে সমবেত হৈ চৰকাৰ বিৰোধী প্ৰতিবাদত অংশ লৈছিল। এই প্ৰতিবাদত আৰক্ষীয়ে বাধা দিয়াত আৰক্ষীৰ স'তে বিক্ষোভকাৰীৰ সংঘৰ্ষৰ সৃষ্টি হৈছিল। ফলত পৰিস্থিতি উত্তপ্ত হৈ উঠে আৰু একাংশ প্ৰতিবাদকাৰীয়ে এখন বাছ, জীপ আৰু মটৰ চাইকেলত



অগ্নিসংযোগ কৰে। পাছত আৰক্ষীয়ে ৪৫ জন প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰে। বিক্ষোভকাৰীয়ে ৰাষ্ট্ৰপতি ৰাজাপক্ষেৰ পদত্যাগ দাবী কৰিছে। কমেও পাঁচ সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে কলম্বোৰ ৰাজপথত সমবেত হৈ কে'বা ঘণ্টা ধৰি উত্তাল বিক্ষোভ অব্যাহত ৰখাত ৰাজধানী চহৰখনত আতংকৰ সৃষ্টি হৈছিল। আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হোৱা সংঘৰ্ষৰ ঘটনাত কে'বাজনো আৰক্ষী আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ৰাজধানীৰ বিভিন্ন অঞ্চলত প্ৰশাসনে সান্ধ্য আইন জাৰি কৰিছে। ইফালে, ৰাষ্ট্ৰপতি ৰাজাপক্ষেয়ে দাবী কৰা অনুসৰি ৰাজপথত বিক্ষোভত অংশ লোৱা লোকসকল চৰমপন্থী। উল্লেখ্য যে সম্প্ৰতি বিগত সাত দশকৰ পাছত সবাতোকৈ বৃহৎ বিত্তীয় সংকটৰ সন্মুখীন হৈছে দ্বীপৰাষ্ট্ৰখন। বৈদেশিক ঋণৰ বোজাত জুৰুলা হোৱা শ্ৰীলংকাত ব্যাপক মূল্যবৃদ্ধিয়ে নাগৰিকসকলক অতিষ্ঠ কৰিছে। ফলত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে।

## ছ'পিয়ানত সেনাৰে সংঘৰ্ষত নিহত লস্কৰৰ সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১ এপ্ৰিল ঃ দক্ষিণ কাশ্মীৰৰ ছ'পিয়ান জিলাৰ তুৰ্কবাগাম অঞ্চলত যোৱা নিশাৰ পৰা অব্যাহত থকা সেনা আৰু সন্ত্ৰাসবাদীৰ সংঘৰ্ষৰ এক ঘটনাত লস্কৰ-ই-তৈবাৰ এজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। উক্ত অঞ্চলত সন্ত্ৰাসবাদীয়ে ঘাটি পতাৰ বাতৰি লাভৰ পাছতে সেনা আৰু আৰক্ষীয়ে যোৱা নিশাৰে পৰা সন্ত্ৰাসবাদীৰ সন্ধানত ব্যাপক তালাচী চলাইছিল। সেই সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটে। আজি পুৱা অঞ্চলটোৰ পৰা এজন সন্ত্ৰাসবাদীৰ মৃতদেহ সেনাই উদ্ধাৰ কৰে। মৃত সন্ত্ৰাসবাদীজনক মুনিব আহমদ শ্বেখ নামৰে চিনাক্ত কৰা হৈছে। মুনিব ছ'পিয়ানৰে বাসিন্দা আছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি যোৱা জানুৱাৰীত মুনিবে ঘৰৰ পৰা পলায়ন কৰি লস্কৰ-ই-তৈবাত যোগদান কৰিছিল।**

## ২৪ ঘণ্টাত দেশত ক'ভিড আক্ৰান্ত হ'ল ১৩৩৫ জন লোক, মৃত্যু বাঢ়িল ৫২ জনলৈ



**নিউজ ব্যুৰ' নতুন দিল্লী, ১ এপ্ৰিল ঃ যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ১৩৩৫ জন লোক। আনহাতে, বিগত ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ৫২ জন লোকে। ভাৰতত বৰ্তমানলৈকে ক'ভিডত ৫,২১,১৮১ জন লোকে প্ৰাণ হেৰুৱালে। ইফালে, দেশত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা ৪,৩০,২৫,৭৭৫ জনলৈ বৃদ্ধি পালে।**

## আমেৰিকাৰ ধমকক লৈ ভাৰতৰ প্ৰতিক্ৰিয়া ঃ এয়া কূটনীতিৰ ভাষা নহয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ এপ্ৰিল ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা আমেৰিকাৰ উপ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা দালিপ সিঙে প্ৰকাশ কৰা এক বিবৃতিৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে ৰাষ্ট্ৰসংঘৰ ভাৰতৰ স্থায়ী প্ৰতিনিধি হিচাপে কাৰ্যনিৰ্বাহ কৰা ছৈয়দ আকবৰুদ্দিনে। সিঙে মন্তব্য কৰি কৈছিল যে ভাৰতে এইটো আশা কৰা উচিত নহ'ব যে চীনে নিয়ন্ত্ৰণ ৰেখা উলংঘন কৰিলে ৰাছিয়াই ভাৰতক ৰক্ষা কৰিবলৈ আহিব। মাৰ্কিন উপ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাজনৰ এই মন্তব্যৰ প্ৰসংগত আকবৰুদ্দিনে আজি টুইট কৰি কয়, 'এওঁ আমাৰ বন্ধু হয়! এয়া কূটনীতিৰ ভাষা নহয়, এয়া হেঁচা প্ৰয়োগৰ ভাষা। কোনোবাই এইজন ডেকা ল'ৰাক এই কথা অৱগত কৰক যে একপক্ষীয় নিষেধাজ্ঞা আৰোপ কৰাটো আন্তঃৰাষ্ট্ৰীয় আইনৰ উলংঘন।'

## ৰাছিয়াৰ পৰা তেল ক্ৰয়ক লৈ ভাৰতক সকীয়নি আমেৰিকাৰ ঃ ফল ভুগিব লাগিব

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১ এপ্ৰিল ঃ** ৰাছিয়াৰ পৰা সস্তাত খাৰুৱা তেল ক্ৰয় কৰিব পাৰে ভাৰতে। ইতিমধ্যে ৰাছিয়াই ভাৰতক তুলনামূলকভাৱে কম মূল্যত খাৰুৱা তেলৰ যোগান ধৰাৰ এক প্ৰস্তাৱ আগবঢ়াইছে। এই সন্দৰ্ভত দিল্লীক সতৰ্ক কৰিলে আমেৰিকাই। মাৰ্কিন প্ৰশাসনে কয় যে ৰাছিয়াৰ পৰা ক্ৰমাগত তেল আমদানিৰ পৰিমাণ বৃদ্ধি কৰিলে ইয়াৰ ফল ভুগিব লাগিব নতুন দিল্লীয়ে। কাৰণ হিচাপে হোৱাইট হাউছে কয় যে ৰাছিয়াৰ বিৰুদ্ধে আমেৰিকাই ইতিমধ্যে কঠোৰ অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰিছে আৰু পুনৰ অধিক কঠোৰ পদক্ষেপ গ্ৰহণৰ প্ৰস্তুতি চলাইছে। এনে পৰিস্থিতিত




আমেৰিকাই ভাৰতক কাষত বিচাৰিছে। এই বিষয়ত দিল্লী ভ্ৰমণলৈ অহা ভাৰতীয় বংশোদ্ভূত মাৰ্কিন উপ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা দালিপ সিঙে ভাৰতৰ বৈদেশিক সচিব হৰ্ষ শ্ৰীংলাক আজি সাক্ষাৎ কৰে। এই সাক্ষাতৰ পাছত সাংবাদিকৰ স'তে মত বিনিময়ৰ সময়ত সিঙে কয়, 'কোনোবাই যদি আমেৰিকাই ৰাছিয়াৰ বিৰুদ্ধে আৰোপ কৰা নিষেধাজ্ঞাক ফাঁকি দিয়াৰ চেষ্টা কৰে তেন্তে তেওঁলোকে ইয়াৰ ফল ভুগিব লাগিব। আমি বিচৰা নাই যে হঠাতে ভাৰতে ৰাছিয়াৰ তেল ক্ৰয়ৰ পৰিমাণ বৃদ্ধি কৰক। আমেৰিকাই এই ক্ষেত্ৰত ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা জাৰি কৰিছে। মই ইয়ালৈ বন্ধুত্বৰ খাতিৰত আহিছো আৰু আমাৰ নিষেধাজ্ঞাৰ কথাটো ভাৰতক বুজাব বিচাৰিছো।'

## চলিত বৰ্ষত মাস্ক, বেজ'ছ, আম্বানীতকৈও অধিক ধন উপাৰ্জন আদানীৰ


**নিউজ ব্যুৰ' নতুন দিল্লী, ১ এপ্ৰিল ঃ** ভাৰত তথা এছিয়াৰ দ্বিতীয়জন সবাতোকৈ ধনাঢ্য ব্যক্তি তথা আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীৰ বাবে চলিত বৰ্ষটোৰ আৰম্ভণি যথেষ্ট লাভজনক হৈছে। বছৰটোৰ প্ৰথম তিনিটা মাহত আদানীয়ে বিশ্বৰ সকলো ধনাঢ্য লোকৰ তুলনাত সৰ্বাধিক



পৰিমাণৰ সম্পত্তি আহৰণ কৰিলে। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি চলিত বৰ্ষৰ প্ৰথম তিনি মাহৰ আদানীৰ সম্পত্তিৰ পৰিমাণ ২৭ শতাংশ বৃদ্ধি পালে। যোৱা তিনি মাহত ২১.১ বিলিয়ন ডলাৰৰ সম্পত্তি আহৰণৰ জৰিয়তে আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ ৯৭.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। বৰ্তমানে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত ১১ সংখ্যক স্থানত আছে আদানী। চলিত বৰ্ষত আদানীয়ে বিশ্বৰ সবাতোকৈ ধনী ব্যক্তি এলন মাস্কতকৈও অধিক ধন উপাৰ্জন কৰিছে। কেৱল মাস্কে নহয়, আদানীয়ে ধন আহৰণৰ ক্ষেত্ৰত এমেজনৰ জেফ বেজ'ছ, মাইক্ৰ'ছফটৰ বিল গেটছ, ৱাৰেন বফে, ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীকো পিছ পেলালে। আম্বানীয়ে চলিত বৰ্ষৰ প্ৰথম তিনিমাহত ৮.২৪ বিলিয়ন ডলাৰ উপাৰ্জন কৰিবলৈ সফল হৈছে আৰু বৰ্তমানে তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৯৮.২ বিলিয়ন ডলাৰ সম্প্ৰতি বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তুলনাত আম্বানী ১০ সংখ্যক স্থানত আছে।

## পৰৱৰ্তী মহামাৰীৰ সন্দৰ্ভত কি ক'লে বিশ্ব স্বাস্থ্য সংস্থাই ?

**নিউজ ব্যুৰ' জেনেভা, ১ এপ্ৰিল ঃ** কৰ'না ভাইৰাছৰ তাণ্ডৱ এতিয়াও বিশ্বৰ কে'বাখনো দেশত অব্যাহত আছে। এনে সময়তে বিশ্ব স্বাস্থ্য সংস্থা (হু) ই ভৱিষ্যতে সম্ভাব্য মহামাৰীৰ সন্দৰ্ভত বিশ্ববাসীক সতৰ্ক কৰিলে। হুৱে কয় যে ভাইৰাছৰ জৰিয়তে সংক্ৰমিত হোৱা ৰোগৰ প্ৰকোপ বিশ্বজুৰি বৃদ্ধি পাইছে। বিশেষকৈ



কীট-পতংগৰ জৰিয়তে সংক্ৰমিত হোৱা ৰোগসমূহ আগন্তুক সময়ত মহামাৰীৰ কাৰণত পৰিণত হ'ব পাৰে বুলি হুৱে সকীয়াই দিয়ে। জীকা, য়েল্ল' ফিভাৰ, চিকনগুনিয়া, ডেংগীৰ দৰে ৰোগসমূহ কীট-পতংগৰ জৰিয়তে মানৰ দেহলৈ সংক্ৰমিত হয়। বিশেষকৈ এইসমূহ ৰোগৰ সংক্ৰমণ বৃদ্ধি ক্ষেত্ৰত মহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। জীকাৰ দৰে ভাইৰাছৰ সংক্ৰমণে আফ্ৰিকাৰ দেশত পূৰ্বে মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৰ বিশেষজ্ঞৰ মতে, আগন্তুক সময়ত এই ধৰণৰ কীট-পতংগৰ জৰিয়তে সোঁচৰা ৰোগৰ প্ৰকোপ বিশ্বত বৃদ্ধি পাব পাৰে আৰু মহামাৰীৰ ৰূপ ধাৰণ কৰাৰ শংকা আছে। স্মৰ্তব্য যে হুৰ সম্ভাব্য মহামাৰীৰ তালিকাত থকা জীকা ভাইৰাছৰ সংক্ৰমণে ২০১৬ বৰ্ষত বিশ্বৰ ৮৯ খনৰো অধিক দেশত ত্ৰাসৰ সৃষ্টি কৰিছিল। একেদৰে ২০০০ বৰ্ষৰ পৰাই বিশ্বৰ একাংশ দেশত 'য়েল্ল' ফিভাৰ' সংক্ৰমণ বৃদ্ধি পাই আহিছে। এই ৰোগ বিশ্বৰ ৪০ খন দেশলৈ সংক্ৰমিত হোৱাৰ শংকা আছে বুলি হুৱে জানিবলৈ দিয়ে। এই ৰোগত আক্ৰান্ত হ'লে ৰোগীৰ শৰীৰ হালধীয়া ৰঙৰ হয় আৰু ৰোগীয়ে তেজ বমি কৰে। ইফালে, বিশ্বজুৰি প্ৰতিবছৰে ১৩০ খন দেশত ৩৯০ নিযুত লোক ডেংগীত আক্ৰান্ত হৈ আহিছে। এই ৰোগত বিশ্বজুৰি যথেষ্ট সংখ্যক লোকৰ মৃত্যুও হৈছিল। চিকনগুনিয়াৰ ফলত মৃত্যুৰ ঘটনা সীমিত হ'লেও কীটবাহিত এই ৰোগৰ প্ৰভাৱ বিশ্বৰ ১১৫ খন দেশত প্ৰত্যক্ষ হৈছে।

## ভাৰত ভ্ৰমণৰত ৰুছ বৈদেশিক মন্ত্ৰীয়ে পুটিনৰ হৈ মোদীক জনালে ধন্যবাদ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ এপ্ৰিল ঃ ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰ'ভে নতুন দিল্লীত উপস্থিত হৈ ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰক আজি সাক্ষাৎ কৰে। লাভৰ'ভে ইউক্ৰেইন প্ৰসংগত ভাৰতৰ স্থিতিক ভূয়সী প্ৰশংসা কৰি কয় যে ভাৰতৰ বৈদেশিক নীতি স্বাধীন হোৱা হেতুকে দেশখনে এনে শক্তিশালী ভূমিকা গ্ৰহণ কৰিবলৈ সফল হৈছে। ৰুছ বৈদেশিক মন্ত্ৰীয়ে তেওঁৰ জৰিয়তে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ধন্যবাদ জ্ঞাপন কৰা বুলিও জানিবলৈ দিয়ে। লাভৰ'ভে কয় যে ভাৰত আৰু ৰাছিয়াই সামৰিক ক্ষেত্ৰত সহযোগিতাৰে অগ্ৰসৰ হৈছে আৰু ইয়াৰ জৰিয়তে উভয় ৰাষ্ট্ৰৰ বন্ধুত্ব অধিক গভীৰ হৈছে।**

## দক্ষিণ কোৰিয়াৰ আকাশত দুই যুঁজাৰু বিমানৰ সংঘৰ্ষত তিনি বৈমানিকৰ মৃত্যু



**নিউজ ব্যুৰ', ছিউল, ১ এপ্ৰিল ঃ** প্ৰশিক্ষণ চলি থকাৰ সময়ত আজি দক্ষিণ কোৰিয়াৰ বায়ুসেনাৰ দুখন বিমান আকাশত মুখামুখি সংঘৰ্ষত লিপ্ত হয়। এই ঘটনাত তিনিজন নিহত আৰু এজন আহত হৈছে বুলি দক্ষিণ কোৰিয়াৰ বায়ুসেনাই আজি জানিবলৈ দিয়ে। দুখন কে টি-১ যুঁজাৰু বিমানৰ মাজত আকাশৰ পৰা সংঘৰ্ষৰ পাছত ৰাজধানী ছিউলৰ পৰা ৩০০ কিলোমিটাৰ দূৰৰ দক্ষিণ পূব অঞ্চলৰ সাচিউন চহৰৰ ওচৰৰ এখন পাহাৰত বিমান দুখন ভাঙি পৰে। এই দুৰ্ঘটনাত নিহত আৰু আহত চাৰিজন হৈছে বৈমানিক।

## ভাৰতৰ ক্ষমতাশালী এশ ব্যক্তিৰ তালিকাত শ্বাহৰুখ-কংগনা



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ এপ্ৰিল ঃ** 'ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতে প্ৰস্তুত কৰা ভাৰতৰ ক্ষমতাশালী এশ ব্যক্তিৰ তালিকাত স্থান লাভ কৰিলে ৰাজনীতিক, শিল্পীৰ পৰা ক্ৰীড়া ক্ষেত্ৰত জড়িত ব্যক্তিত্বই। 'আই ই ১০০' শীৰ্ষক তালিকাখনত দেশক বিনোদন জগতৰ একাধিক ব্যক্তিত্বই স্থান লাভ কৰিছে। তালিকাখনত ৮২ সংখ্যক স্থানত অভিনেতা শ্বাহৰুখ খান, ৯৪ স্থানত অভিনেত্ৰী কংগনা ৰণৌটৰ নাম আছে। একেদৰে ৯৬ নম্বৰত স্থান লাভ কৰিলে আন এজন মহাতাৰকা অভিনেতা অক্ষয় কুমাৰে। ৯৭ স্থানত আছে বলিউডী অভিনেত্ৰী আলিয়া ভাট। একেখন তালিকাৰ ৯৯ সংখ্যক স্থানত আছে বলিউডৰ জনপ্ৰিয় গীতিকাৰ প্ৰসূন যোশী।

## মোদীয়ে কৰ্ণাটকলৈ আহি দুৰ্নীতিৰ কথা ক'লে মানুহে হাঁহিব ঃ ৰাহুলৰ কটাক্ষ



**নিউজ ব্যুৰ', বাংগালুৰু, ১ এপ্ৰিল ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে দুৰ্নীতি-ভ্ৰষ্টাচাৰ প্ৰসংগত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তীব্ৰ সমালোচনা কৰিলে। কংগ্ৰেছ সাংসদজনে কয় যে মোদীয়ে যদি আজি দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ কথা কয় তেন্তে মানুহে তেওঁক হাঁহিব। দুদিনীয়া কৰ্ণাটক ভ্ৰমণসূচীৰে বাংগালুৰুত উপস্থিত হোৱা ৰাহুলে কয়, 'পূৰ্বে মোদীয়ে নিৰ্বাচনৰ সময়ত দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ কথা কৈছিল। আজি যদি নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকলৈ আহি ভ্ৰষ্টাচাৰৰ কথা কয় আৰু ইয়াৰ বিৰুদ্ধে যুঁজ দিম বুলি কয় তেন্তে হয়তো সমগ্ৰ কৰ্ণাটকে হাঁহিবলৈ আৰম্ভ কৰিব। তেওঁ এতিয়া দেশৰ ক'তো দুৰ্নীতিৰ কথা ক'ব নোৱাৰে।'

## এইবাৰ 'দ্য কাশ্মীৰ ফাইলছ'ক প্ৰশংসা অভিষেক বচ্চনৰ



**নিউজ ব্যুৰ', মুম্বাই, ১ এপ্ৰিল ঃ** বক্স অফিচত এতিয়াও ব্যৱসায় অব্যাহত ৰাখিছে কাশ্মীৰী পণ্ডিতৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা বলিউডৰ চলচ্চিত্ৰ 'দ্য কাশ্মীৰ ফাইলছ'-এ। এইবাৰ বিবেক অগ্নিহোত্ৰী পৰিচালিত এইখন ছবিক প্ৰশংসা কৰিলে অভিনেতা অভিষেক বচ্চনে। অভিষেকে নিজৰ মুক্তিৰ অপেক্ষাত থকা ছবি 'দশভি'ৰ প্ৰচাৰত অংশ লোৱাৰ সময়ত সাংবাদিকে চলচ্চিত্ৰ আৰু ৰাজনীতিৰ প্ৰসংগত প্ৰশ্ন কৰাত এইদৰে কয়, 'আপুনি 'দ্য কাশ্মীৰ ফাইলছ'ৰ কথা কৈছিল, ছবিখনক লৈ সৰ্বত্ৰ আলোচনা হৈছে। আপুনি যিয়েই নকওক, ছবিখনৰ স'তে ৰাজনীতিৰ ৰং সানিবলৈ চেষ্টা কৰক, সাম্প্ৰদায়িকতাক জড়িত কৰক—সেয়া আপোনাৰ বাক স্বাধীনতা। কিন্তু যদিহে এই ছবিখন এখন ভাল ছবি নহ'লহেঁতেন তেন্তে কেতিয়াও বক্স অফিচত নচলিলহেঁতেন। আপুনি নানা কাৰণ উলিয়াব পাৰিব, ইয়াৰ প্ৰভাৱক আলোচনা কৰিব পাৰিব। কিন্তু এখন সফল ছবিৰ মূল অৰ্থ হৈছে ছবিখন ভাল ছবি, সেয়েহে মানুহে চাইছে।' অভিষেকে লগতে কয় যে তেওঁ 'দ্য কাশ্মীৰ ফাইলছ' চোৱা নাই যদিও যিসকল লোকে ছবিখন চাইছে তেওঁলোকে ভাল বুলি কৈছে।

# ঘাইপথত বৃদ্ধি হ'ল টোলকৰ

■ চকুৰে ধুঁৱলী-কুঁৱলী দেখিছে সৰ্বসাধাৰণে ■ ডিমৰীয়াত ব্যাপক ক্ষোভ

অগ্ৰদূত বাৰ্তা
**সোণাপুৰ ১ এপ্ৰিলঃ** যি সময়ত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক মাধমাৰ শোধাইছে সেই সময়তে পুনৰ আজিৰে পৰা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে প্ৰায় পাঁচৰ পৰা পোন্ধৰ শতাংশকৈ টোলকৰ বৃদ্ধি কৰাক লৈ ৰাজ্যজুৰি বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশেষকৈ মহানগৰীৰ উপকণ্ঠৰ সোণাপুৰৰ নাজিৰখাট টোলগেটত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ১৫ শতাংশকৈ বৃদ্ধি হ'ল টোল কৰৰ মাচুল। যাৰফলত এতিয়া তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে ডিমৰীয়াবাসীৰ মনত। উল্লেখ্য যে সোণাপুৰৰ নাজিৰাখাটস্থিত টোলগেটত কাৰ, জীপ, লঘু যানবাহন আদিৰ এবাৰ প্ৰৱেশ মূল্য পূৰ্বৰ ১১৫ৰ ঠাইত এতিয়া ভৰিব লাগিব ১৩০ টকা। তেনেদৰে ২৪ ঘন্টাত এই বাহনসমূহৰ অহা-যোৱা মূল্য ১৯০ টকা এতিয়া নিৰ্ধাৰণ কৰা হৈছে। একেদৰে লঘু বাণিজ্যিক বাহনসমূহৰ টোলগেটেৰে এবাৰ প্ৰৱেশ মূল্য পূৰ্বৰ ১৮৫ টকাৰ বিপৰীতে বৰ্তমান ২০৫ টকা নিৰ্ধাৰণ কৰিছে আৰু আহ-যাহ মূল্য ৩১০ টকা নিৰ্ধাৰণ কৰিছে ঘাইপথ প্ৰাধিকৰণে। একেদৰে বাছ-ট্ৰাকসমূহৰ এবাৰত পূৰ্বৰ টোলকৰ ৩৯৫ৰ ঠাইত এতিয়া ৪৩০ টকা আৰু অহা-যোৱা ৬৫০টকা নিৰ্ধাৰণ কৰা হৈছে। তিনি এক্সেলযুক্ত বাণিজ্যিক বাহনসমূহৰ পূৰ্বৰ ৪৩০ টকাৰ ঠাইত সংশোধিত এবাৰ টোলকৰ প্ৰৱেশ মূল্য ৪৭০ টকা নিৰিখ ধাৰ্য কৰাৰ বিপৰীতে ২৪ ঘন্টাত অহা-যোৱ মূল্য ৭১০ টকা টোলকৰ নিৰ্ধাৰণ কৰা হৈছে। আনহাতে চাৰিৰ পৰা ছয় এক্সেল যুক্ত গধুৰ বাণিজ্যিক বাহনসমূহৰ পূৰ্বতে এবাৰ টোলকৰ প্ৰৱেশ মূল্য ৬১৫ৰ ঠাইত এতিয়া ৬৮০ টকা আৰু অহা-যোৱা মূল্য ১,০১৫ টকা নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি সাত বা ততোধিক অধিক এক্সেলযুক্ত অতি বিশাল বাহনসমূহৰ পূৰ্বৰ ৭৫০ টকাৰ পৰিৱৰ্তে এবাৰত ৮২৫ টকা আৰু অহা-যোৱা মূল্য এতিয়া ১,২৪০ টকা টোলকৰ নিৰ্ধাৰণ কৰিছে ঘাইপথ প্ৰাধিকৰণে । যাৰ ফলত এতিয়া চকুৰে ধূৱলি-কুঁৱলি দেখিছে যানবাহনৰ গৰাকীসকলে।



# মুণ্ডন কৰি প্ৰতিবাদ সাব্যস্ত লখিমপুৰ জিলা কংগ্ৰেছৰ সম্পাদক ৰাতুল বৰাৰ



অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ১ এপ্ৰিল ঃ** কালি ৰাজ্যসভা নিৰ্বাচনত ৰহস্যজনকভাৱে ভুলকৈ ভোট প্ৰদান কৰি বিজেপিক জয়যুক্ত কৰা কৰিমগঞ্জ সমষ্টিৰ বিধায়ক ছিদ্দেক আহমেদ আৰু বিধায়ক শশীকান্ত দাসৰ বিধায়ক পদ খাৰিজ কৰা আৰু এআইইউডিএফৰ স'তে কোনো দিনে মিত্ৰতা নকৰিবলৈ কৰা প্ৰতিবাদত আজি লখিমপুৰ জিলা কংগ্ৰেছৰ সম্পাদক ৰাতুল বৰাই মুণ্ডন কৰি লখিমপুৰ ৰাজীৱ ভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁ কৰা অভিযোগ মতে, ছিদ্দেক আহমেদে শাসক পক্ষৰ প্ৰাৰ্থীৰ সমৰ্থনতে তেওঁৰ ভোটটো বাতিল কৰে আৰু বিৰোধী দল এআইইউডিএফে প্ৰৰোচিত কৰি বিজেপিক জয়যুক্ত কৰে। লগতে বৰাই কয়, 'একাংশ সুবিধাবাদী ৰাজনৈতিক নেতাৰ বাবে ৰাজনীতিত গণতন্ত্ৰতকৈ ধনতন্ত্ৰৰ ৰাজনীতি চলিছে যাৰ বাবে ৰাজনৈতিক ক্ষেত্ৰখন কলুষিত হৈ পৰিছে।

# লংকাত খুলশালিয়েকৰ দাৰ ঘাপত প্ৰাণ গ'ল ভিনিহিয়েকৰ

অগ্ৰদূত বাৰ্তা
**লংকা, ১ এপ্ৰিল ঃ** লংকাৰ তিনিআলি আৰক্ষী পহৰা চকীৰ অন্তৰ্গত বৰজাৰণীগাঁৱত যোৱা নিশা এক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। উল্লেখ্য যে বৰজাৰণীগাঁৱৰ নিবাসী ভিনিহিয়েক ফইজুল হক আৰু খুলশালিয়েক জিয়াবুৰ, নজিবুৰ আৰু ফইজুৰ ৰহমানৰ মাজত দীৰ্ঘদিনৰ পৰা মাটি-বাৰীক কেন্দ্ৰ কৰি সংঘাত চলি আহিছিল। গাঁৱৰ মুৰব্বীসকলে প্ৰতিবাৰে দুয়োটা পৰিয়ালৰ মাজত মাটি সংক্ৰান্তত হোৱা বিবাদ মীমাংসা কৰি দিয়ে যদিও খুলশালিয়েকৰ পৰিয়ালে কোনো বিচাৰ মানিবলৈ অস্বীকাৰ কৰি আহিছিল। পাছত কালি মাটি সংক্ৰান্তীয় ঘটনাক কেন্দ্ৰ কৰি খুলশালিয়েক কেইজনে ভিনিহিয়েকক মাৰিবলৈ ঘৰলৈ খেদি যায়। ভিনিহিয়েক ফইজুলে উপায়ান্তৰ হৈ উদালী আৰক্ষী পহৰা চকীত ঘটনা সন্দৰ্ভত অৱগত কৰে। আৰক্ষী থানাৰ পৰা ঘূৰি আহি ঘৰৰ সমীপতে থকা এখন দোকানলৈ যোৱাৰ পথত খুলশালিয়েক কেইজনৰ লগতে তেওঁলোকৰ পৰিয়ালে বাটত আগুচি ধৰি ভিনিহিয়েক ফইজুলক দালৈ আঘাত কৰে। পাছত ফইজুলৰ পৰিয়ালৰ লোকে ততাতৈয়াকৈ হোজাইৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। নিশায়েই ফইজুলৰ মৃতদেহ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষা কৰি আজি আবেলি মৃতদেহটো পৰিয়ালৰ লোকক গতাই দিয়ে। বৰ্তমান ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে। আনহাতে, ফইজুলৰ পত্নীৰ অভিযোগ আৰক্ষীয়ে বিগত বহু দিন অজুহাত দেখুৱাই ঘটনা সন্দৰ্ভত তদন্ত কৰা নাছিল। আৰক্ষীক গোচৰ দিলেও নাহে ঘটনা সন্দৰ্ভত তদন্তৰ বাবে। যাৰ বাবে এই ভয়ংকৰ ঘটনা সংঘটিত হ'বলৈ পালে বুলি তেওঁ অভিযোগ কৰে।

# নিবন্ধকাৰ, ঔপন্যাসিক হিতেশ ডেকাৰ বিয়োগ নলবাৰীত শোকৰ ছাঁ



অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১ এপ্ৰিল ঃ** সাহিত্যিক, নিবন্ধকাৰ, নাট্যকাৰ, ঔপন্যাসিক হিতেশ ডেকা (৫৪)ৰ আজি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ যোৱা কিছুদিন চিকিৎসাধীন হৈ অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে ডেকাই। গুৱাহাটীৰ আৰ্য হাস্পতালত যোৱা নিশা প্ৰায় দুই বজাত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। নলবাৰীৰ সমাজ জীৱনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত তথা 'আমাৰ নলবাৰী' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু 'নতুন কুৰুক্ষেত্ৰ'ৰ সম্পাদক হিতেশ ডেকাক যোৱা ১১ ফেব্ৰুৱাৰীত জিএমচিএইছত ভৰ্তি কৰোৱা হৈছিল। তাৰ পৰাই উন্নত চিকিৎসাৰ বাবে দিল্লীলৈ নিয়া হৈছিল যদিও ব্যয় বহুল চিকিৎসা প্ৰদান কৰিবলৈ অসমৰ্থ হৈ পুনৰ ওভতাই আনি গুৱাহাটীত আয়ুৰ্বেদিক চিকিৎসা প্ৰদান কৰি থকা হৈছিল। ইপিনে, যোৱা ২৯ মাৰ্চত হঠাতে স্বাস্থ্যৰ অধিক অৱনতি ঘটাত আৰ্য হাস্পতালৰ আইচিইউত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰা ডেকাই মৃত্যুৰ সময়ত পত্নীসহ দুই কন্যা আৰু বহু সংখ্যক আত্মীয়-স্বজন, গুণমুগ্ধক ইহসংসাৰত এৰি যায়। আজি গুৱাহাটীৰ পৰা তেওঁৰ নশ্বৰদেহ নলবাৰী আহি পোৱাৰ পাছত নলবাৰী প্ৰেছ ক্লাবত তেওঁৰ গুণমুগ্ধসকলে আৱেগিক পৰিৱেশৰ মাজেৰে শেষ শ্ৰদ্ধাঞ্জলি জনায়। সাহিত্যিক ড° সুশান্ত কুমাৰ কাশ্যপে আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সাহিত্যিক-নাট্যকাৰ নৱৰত্ন পাটোৱাৰী, 'আমাৰ নলবাৰী'ৰ মুখ্য সম্পাদক ওৱাহিদুজ জামান, এনডিএৰ অধ্যক্ষ বনদীপ ডেকা, কবি তথা শংকৰদেৱ একাডেমীৰ অধ্যক্ষ ড° বিনয় কুমাৰ মজুমদাৰ, 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, কণ্ঠ শিল্পী দীপক দাস, গল্পকাৰ অজিত ৰাজবংশী, নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক মজিবুৰ ৰহমান আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে তেওঁৰ নশ্বৰদেহ জন্ম গাঁও খখৰিশালৰ ঘৰলৈ নিয়া হয়, তাতে গুণমুগ্ধই শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছত অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ডেকাৰ শিক্ষাগুৰু আলহাজ জাহেদৰ ৰহমান আৰু অনন্ত কুমাৰ হালৈয়ে অতি মৰ্মাহত হৈ কয় যে হিতেশ ডেকা এজন তীক্ষ্ণ মেধা সম্পন্ন ছাত্ৰ আছিল । ১৯৮৩ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নেচনেল স্কলাৰশ্বিপ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা স্মৃতি সুঁৱৰি আবেগিক হৈ পৰে দুই শিক্ষা গুৰুৱে।

# আফস্পা প্ৰত্যাহাৰৰ ফলত ৰাজ্যৰ উদ্যোগীকৰণৰ এক নতুন সূচনা হ'ব

■ আলোচনাৰ মেজলৈ আহিবলৈ বিধানসভাৰ পৰা আলফাকে ধৰি সশস্ত্ৰ সংগঠনসমূহলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ এপ্ৰিল ঃ** আজি বিধানসভাৰ পৰাই আলফাকে ধৰি ৰাজ্যৰ আটাইকেইটা সশস্ত্ৰ সংগঠনক আলোচনাৰ মেজলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয়, 'আলফা (স্বাধীন)কে ধৰি যিকেইটা গোট এতিয়াও সশস্ত্ৰ সংগঠনৰ স'তে আছে তেওঁলোকক শান্তি আলোচনাৰ মাজলৈ আহিবলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছো। সকলোকে শান্তি প্ৰক্ৰিয়াৰ স'তে জড়িত হ'বলৈ আহ্বান জনালো।' তেওঁ কয় যে অসমক ভাৰতৰ ভিতৰতে এখন শক্তিশালী ৰাজ্যৰূপে আমি নিৰ্মাণ কৰিব পাৰো। শান্তি, প্ৰগতি আৰু বিকশিত অসম ভৱিষ্যৎ প্ৰজন্মক উপহাৰ দি যাব পৰাৰ বাবে সকলোকে অংশীদাৰ হ'বলৈ তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ পৰা কালি প্ৰত্যাহাৰ কৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন সন্দৰ্ভতো তেওঁ বিবৃতি দিয়া প্ৰসংগত উক্ত কথাখিনিও কয়। সদনত বিবৃতিত তেওঁ কয় যে ৰাজ্যৰ নিৰাপত্তা পৰিস্থিতি আৰু আইন-শৃংখলা উন্নতিৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে অসমৰ ২৩খন জিলা আৰু এখন মহকুমাৰ পৰা আফস্পা প্ৰত্যাহাৰৰ বাবে সিদ্ধান্ত লৈছে। নখন জিলা আৰু এটা মহকুমাত ই অব্যাহত থাকিব। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জনাই কয় যে ইয়াৰ ফলত ৰাজ্যৰ উদ্যোগীকৰণৰ এক নতুন যুগৰ সূচনা হ'ব। 'আফস্পা প্ৰত্যাহাৰৰ বাবে আমাৰ দীৰ্ঘদিনীয়া দাবী আছিল আৰু এতিয়া ৰাজ্যখনৰ ৬০ শতাংশ অঞ্চলৰ পৰা ই প্ৰত্যাহাৰ হ'ল।'

মুখ্যমন্ত্ৰীয়ে আন এক বিবৃতিত ৰাজ্যৰ অৰ্থনৈতিক পৰিস্থিতিৰ উন্নতি ঘটা বুলি কয়। কালি অন্ত পৰা ২০২১-২২ বিত্তীয় বৰ্ষ অসমৰ ইতিহাসত এক মাইলৰ খুঁটি বুলি অভিহিত কৰি তেওঁ কয় যে প্ৰথমবাৰৰ বাবে ৰাজ্যই এক লাখ কোটি টকা ৰাজহুৱা ব্যয় কৰিছে। বিদায় বিত্তীয় বৰ্ষত দেশৰ গড় জিডিপিতকৈ অসমত এই বিকাশৰ হাৰ ৮.৯ শতাংশ আছিল। ক'ভিড পৰিস্থিতিত দেশৰ বিকাশৰ গতি নেতিবাচক আছিল বুলি তেওঁ কয়।

# কাগজ কলৰ অকালতে মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ১০২লৈ বৃদ্ধি



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নগাঁও/মৰিগাঁও, ১ এপ্ৰিল ঃ** উদ্যোগ বিভাগৰ অকৰ্মণ্যতা আৰু অদক্ষতাৰ লগতে নগাঁও আৰু কাছাৰ কাগজ কল কৰ্তৃপক্ষৰ কেতবোৰ ভুলৰ বাবেই অপমৃত্যু ঘটা কাগজ কল দুটাৰ শ্ৰমিকৰ অকাল মৃত্যু অব্যাহত আছে। আজি পুৱা নগাঁও কাগজ কলৰ ছৰিফুদ্দিন আহমেদ (৫৭) নামৰ কৰ্মচাৰী এজনৰ অকাল মৃত্যু হয়। ইয়াৰ লগে লগে নগাঁও আৰু কাছাৰ কাগজ কলৰ অকালতে মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ১০২লৈ বৃদ্ধি পালে। উল্লেখ্য যে নগাঁও কাগজ কলৰ কৰ্মচাৰী তথা এইছপিচি কোৱাৰ্টাৰৰ বাসিন্দা আহমেদক আজি পুৱা প্ৰায় ৭.৩০ বজাত জাগীৰোডৰ নগাঁও কাগজ কলৰ ওচৰৰ পথৰ দাঁতিত অচেতন অৱস্থাত পৰি থকা অৱস্থাত উদ্ধাৰ কৰা হয়। পাছত তেওঁক সংকটজনক অৱস্থাত চিকিৎসাৰ বাবে জিএমচিএইছলৈ লৈ যোৱা হয় যদিও দুৰ্ভাগ্যবশতঃ মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি ডায়েবেটিচ আৰু হাঁপানি ৰোগত ভুগি আছিল। তদুপৰি সুদীৰ্ঘ ৬৩ মাহে দৰমহাৰ নামত ফুটাকড়ি এটাও চুবলৈ নোপোৱা আহমেদে তীব্ৰ আৰ্থিক অনাটনৰ বাবে অসহনীয় কষ্ট, চাপ আৰু মানসিক আঘাতৰ স'তে দিন পাৰ কৰিব লগা হৈছিল। স্মৰ্তব্য যে নগাঁও আৰু কাছাৰ কাগজ কল দুটা বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত অভাৱপীড়িত কল দুটাৰ শ্ৰমিকসকলৰ ১০২জনৰ অকাল মৃত্যু হৈছে। এওঁলোকৰ ভিতৰত নগাঁও কাগজ কলৰ শ্ৰমিকৰ সংখ্যা ৬০ জন আৰু কাছাৰ কাগজ কলৰ শ্ৰমিকৰ সংখ্যা ৪২ জন। নগাঁও কাগজ কলৰ অকালতে মৃত্যু হোৱা ৬০ জন শ্ৰমিকৰ ভিতৰত আছে চাৰিজন আত্মহত্যা কৰা শ্ৰমিকো। উল্লেখ্য যে ৰাজ্যৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ কাৰ্যকালতে নগাঁও আৰু কাছাৰ কাগজ কলৰ ১৭জন শ্ৰমিকৰ অকাল মৃত্যু হৈছে। স্মৰ্তব্য যে বৰ্তমানেও নগাঁও আৰু কাছাৰ কাগজ কলৰ শ্ৰমিকশক্তি ১,২০০। মিল দুটা বন্ধ হৈ থকা সময়ছোৱাতে ইয়াৰ প্ৰায় দুশ গৰাকী কৰ্মচাৰীৰ অৱসৰৰ সময় অতিক্ৰম কৰিছে। নগাঁও আৰু কাছাৰ কাগজ কলৰ শ্ৰমিকৰ অকাল মৃত্যু অব্যাহত থকাত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে নগাঁও-কাছাৰ কাগজ কল শ্ৰমিক ইউনিয়ন (জাক্ৰু)ৰ সভাপতি মানৱেন্দ্ৰ চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক আনন্দ বৰদলৈয়ে। আজি এক বিবৃতিত জাক্ৰুৰ সভাপতি চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক বৰদলৈয়ে বন্ধ হৈ থকা কাগজ কল দুটা ৰাজ্য চৰকাৰে ক্ৰয় কৰিবৰ নিমিত্তে যোৱা ২৩ মাৰ্চত ৰাজ্যিক কেবিনেটে ৩৭৫ কোটি টকা অনুমোদন দিয়া সন্দৰ্ভত কয়, 'চৰকাৰে কেৱল পদক্ষেপ লৈছে, আইনী প্ৰক্ৰিয়া এতিয়াও অব্যাহত আছে।' বিবৃতিটোত কেৰালা চৰকাৰ আৰু মধ্য প্ৰদেশ চৰকাৰে যদি বন্ধ হৈ থকা কাগজ কলৰ মালিকীস্বত্ব নিজে লৈ পুনৰ আৰম্ভ কৰিব পাৰে, অসম চৰকাৰেও সেই কাম কৰিব লাগে বুলি মন্তব্য কৰে। লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্যৰ কাগজ কল দুটা পুনৰ আৰম্ভ কৰিব লাগে বুলিও দাবী জনায় জাক্ৰুৱে। লগতে শ্ৰমিকসকলৰ উদ্ধাৰৰ বাবে তৎক্ষণাৎ ৰিলিফ পেকেজ মুকলি কৰি দিয়াৰ দাবী জনায়।

# গ্ৰন্থই জ্ঞান-জ্ঞানেই পোহৰৰ সন্ধান দিয়ে ঃ গোস্বামী

■ ছয়গাঁৱত 'স্মৃতি দৰ্পণ' উন্মোচন



**ছয়গাঁও, ১ এপ্ৰিল ঃ** 'গ্ৰন্থ হৈছে জ্ঞানৰ প্ৰতীক। গ্ৰন্থই জ্ঞানৰ বাৰ্তা কঢ়িয়াই আৰু জ্ঞানেই পোহৰৰ সন্ধান দিয়ে। অৱশ্যে প্ৰকাশ হ'লেও সকলো গ্ৰন্থই গ্ৰন্থৰ মৰ্যাদা কঢ়িওৱা নাই আৰু নোৱাৰে। গ্ৰন্থৰ নামত কিছুমান আৱৰ্জনাও ছপা হৈছে।' দক্ষিণ কামৰূপৰ সাতপখলী নিবাসী কামেশ্বৰ দাসৰ আত্মজীৱনীমূলক গ্ৰন্থ 'স্মৃতি দৰ্পণ' উন্মোচন কৰি প্ৰগতিশীল লেখক-নাট্যকাৰ মইনা গোস্বামীয়ে এনেদৰে মন্তব্য কৰে। লেখক গোস্বামীয়ে অনুশীলনৰ অভাৱত অভিজ্ঞতা সঞ্চয় কৰিও বহুতো লোকে নিপীড়িত মানুহক পোহৰৰ সন্ধান দিব পৰা গ্ৰন্থ সৃষ্টি কৰিব পৰা নাই বুলিও মন্তব্য কৰে। মানকাচৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সাহিত্যিক ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সাতপখলী-তেজপুৰ গাঁও পঞ্চায়তৰ সভাপতি জোন কুমাৰ দাসে কামেশ্বৰ দাসে গ্ৰন্থখনৰ জৰিয়তে সংগ্ৰামী জীৱনৰ বাস্তৱ কাহিনী উন্মোচিত কৰিব বুলি মন্তব্য কৰে। সভাত সাতপখলী গাঁও উন্নয়ন সমিতিৰ সভাপতি জগদীশ প্ৰসাদ দাসে বহু ঘাত-প্ৰতিঘাত অতিক্ৰমি এজন সফল ব্যক্তিৰূপে কামেশ্বৰ দাসে প্ৰতিষ্ঠা লাভ কৰাৰ বাবে গাঁওবাসী হিচাপে গৌৰৱ অনুভৱ কৰা বুলি উল্লেখ কৰে। সভাৰ মাজতে শিল্পী-সাংস্কৃতিক কৰ্মী আনন্দ দাসে দুটাকৈ গীত পৰিৱেশন কৰে। সভাত বিশিষ্ট ব্যক্তি চবিন দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰণী কুমাৰ দাস, অধ্যাপক উপেন ডেকা, সাহিত্যিক মালব্য মালী, অজিত কুমাৰ দাস, চিত্ৰশিল্পী হিমাংশু দাস, প্ৰবীণ নাগৰিক যোগেন্দ্ৰ ঠাকুৰীয়া, ৰামপ্ৰসাদ দাস, অশীতিপৰ শিক্ষয়িত্ৰী তথা অৱসৰপ্ৰাপ্ত পঞ্চায়ত প্ৰতিনিধি ব্ৰজবালা মালী প্ৰমুখ্যে বৃহত্তৰ অঞ্চলটোৰ শতাধিক সাহিত্যানুৰাগী লোক উপস্থিত থাকে। উল্লেখ্য যে লেখক কামেশ্বৰ দাস আৰু তেওঁৰ পত্নী অন্নপ্ৰভা দাসৰ আজি ৪০ সংখ্যক বিবাহ বাৰ্ষিকীৰ লগত সংগতি ৰাখি দাসৰ গ্ৰন্থখন উন্মোচন কৰা হয়। সভাত ৰামপুৰ আঞ্চলিক মহাবিদ্যালয় অধ্যক্ষ ড° দীনমণি দাস, অধ্যক্ষ হৰেন্দ্ৰ কুমাৰ পাঠক, বিষ্ণু প্ৰদান মহন্ত, অৰেণ সাউদ, জীয়ৰী লতিকা দাস, জোনমণি দাস, অঞ্জুমণি দাস, কল্পজ্যোতি দাস, ৱোৱাৰী সবিতা কুমাৰী দাস প্ৰমুখ্যে ভালেমান ব্যক্তি উপস্থিত থাকে।

# কোকৰাঝাৰ ইউপিপিএল দলৰ কাৰ্যালয়ত নৱ নিযুক্ত সাংসদ ৰণগৌৰাক আদৰণি

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ১ এপ্ৰিল ঃ** ৰাজ্যসভাৰ নৱ নিৰ্বাচিত সাংসদ ইউপিপিএল ৰণগৌৰা নাৰ্জাৰীয়ে আজি কোকৰাঝাৰৰ দলৰ মুখ্য কাৰ্যালয়ত উপস্থিত হোৱাৰ লগে লগে পৰম্পৰাগত নৃত্য-গীতেৰে আতচবাজী ফুটাই দলীয় নেতা-কৰ্মীসকলে কাৰ্যালয়লৈ আদৰি আনে। নৱ-নিৰ্বাচিত সাংসদজন আজি কোকৰাঝাৰৰ দলীয় মুখ্য কাৰ্যালয়ত পদাৰ্পণ কৰাত সহস্ৰাধিক দলীয় নেতা-কৰ্মীয়ে আৰনাইৰে আৰু পুষ্প মালাৰে আদৰণি জনায়। ইপিনে, সাংসদজনে দলীয় কাৰ্যালয়ত সংবাদমেলত দলীয় কৰ্মকৰ্তাসকলক ধন্যবাদ দি অসমৰ মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি মতে ৰাজ্যসভাত এখন আসন মিত্ৰ দল ইউপিপিএলক এৰি দিয়াক লৈ বিজেপি আৰু অগপৰ নেতৃত্ববৃন্দক কৃতজ্ঞতা জ্ঞাপন কৰে । বিজেপিৰ সৰকা সাথ সৰকা বিকাশৰে ৰাষ্ট্ৰীয় দল এটি সৰু আঞ্চলিকতা দলক লগতলৈ কাম কৰাত উন্নয়নৰ গতি ত্বৰান্বিত কৰিব বুলি তেওঁ কয়। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰমোদ বড়োৰ বলিষ্ঠ নেতৃত্বত সৰ্বত্ৰ উন্নয়ন সম্ভৱ হোৱা বুলি দোহাৰে লগতে অসম চৰকাৰৰ উন্নয়নত বিপিএফে সহযোগিতা আগবঢ়োৱাত ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে ৰাজ্যসভাৰ সাংসদ হিচাপে নিৰ্বাচিত হোৱা নাৰ্জাৰীয়ে আজি পুৱাই পোনে পোনে কোকৰাঝাৰ জিলাৰ দোতমাৰ থুলংগাপুৰীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ স্মৃতিসৌধ আৰু প্ৰতিমূৰ্তিত মাল্যৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে ।

# পাটাছাৰকুছি যুৱক দিগন্ত কুমাৰ শৰ্মাৰ অকাল বিয়োগ

**পাটাছাৰকুছি, ১ এপ্ৰিল ঃ** পাটাছাৰকুছিৰ সৰিহ চাকলা নিবাসী তথা পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গাচৰণ শৰ্মাৰ কনিষ্ঠ পুত্ৰ দিগন্ত কুমাৰ শৰ্মাৰ আজি পুৱা ছয় বজাত গুৱাহাটীস্থিত হেল্থ চিটি হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩২ বছৰ । যোৱা কেইদিনমান আগতে যুৱকজনে নিজ ঘৰলৈ আহিছিল। তেওঁ হঠাৎ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ গুৱাহাটীৰ খানাপাৰাস্থিত হেল্থ চিটি হাস্পতালত ভৰ্তি কৰে। চিকিৎসকৰ পৰামৰ্শমতে অস্ত্ৰোপচাৰ কৰিব লাগিব বুলি কোৱাত সেই মতে চিকিৎসা সেৱা আগবঢ়ালে। যুৱকজনৰ অস্ত্ৰোপচাৰ সম্পূৰ্ণভাৱে হৈ উঠিল যদিও আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। যুৱকজনে গুৱাহাটীৰ ডাউন টাউন বিশ্ববিদ্যালয়ত চাকৰি কৰি আছিল। মৃত্যুৰ সময়ত বৃদ্ধ পিতৃ-মাতৃ, ভ্ৰাতৃ, বৌৱেক আদিক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# যোৰহাটত ড্ৰাগছ আসক্ত যুৱকৰ সন্ত্ৰাস

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ১ এপ্ৰিল ঃ** যোৰহাটত দৈনিক বৃদ্ধি পোৱা ড্ৰাগছ সেৱনকাৰী আৰু সৰবৰাহকাৰীৰ অনৈতিক কাৰ্যই সৃষ্টি কৰিছে সন্ত্ৰাসৰ। যোৰহাট নগৰৰ বিশেষকৈ উপকণ্ঠ বাইপাছ, জানখনা, বালিগাঁও, কলিয়নি আদি ঠাইত দিনে দিনে বৃদ্ধি হোৱা সন্ত্ৰাসে স্তম্ভিত কৰিছে সাধাৰণ ৰাইজক। নিৰাপত্তাহীনতাত ভুগিছে সাধাৰণ ৰাইজ। অপৰাধীৰ এক ৰম্যভূমিলৈ ৰূপান্তৰ হৈছে সমগ্ৰ অঞ্চলটো। শেহতীয়াকৈ পথচাৰী মহিলাৰ ডিঙিৰ চেইন টনা, গৃহস্থৰ ঘৰত সোমাই কাঁহী-বাটি চুৰি কৰা, পথত থকা পানীযোগান আঁচনিৰ সামগ্ৰী, গাড়ী-মটৰৰ বেটাৰী আদি চুৰিকাৰ্য সংঘটিত হৈছে। দিন দুপৰতে সংঘটিত কৰা এনে কাৰ্যৰ লগত জড়িত দুই অপৰাধীক আজি যোৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আজি বিয়লি ৰাজতীয়া গাঁৱৰ ময়ূৰ দাস (36) আৰু টিলিকিআম গাঁৱৰ পাৰ্থ দাস (29) নামৰ দুই অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ লগতে এক কিলোগ্ৰাম গাঞ্জা, দুটা ম'বাইল ছেট জব্দ কৰে। অপৰাধী দুটাই ব্যৱহাৰ কৰা এএছ 03 ডি 9103 নম্বৰৰ পালছাৰ আৰু এএছ 03 ৱাই 5684 নম্বৰৰ এখন স্কুটী আৰক্ষীয়ে জব্দ কৰে।

# বৰজান প্ৰাথমিক বিদ্যালয়ত উৎসৱ বিদ্যাৰম্ভ

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ১ এপ্ৰিলঃ** ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা নতুন শিক্ষা নীতিৰ আধাৰত আজি গোলাঘাট পূব শিক্ষাখণ্ড মাটিখোলা পঞ্চায়তৰ অন্তৰ্গত বৰজান প্ৰাথমিক বিদ্যালয়ত উৎসৱ বিদ্যাৰম্ভ কাৰ্যসূচী ৰূপায়িত কৰা হয়। সেই উপলক্ষে পুৱা ভাগত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যাদৱ চন্দ্ৰ ফুকনে। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিহু, ঝুমই, জিকিৰ, নৃত্য-গীতৰ উপৰি অভিভাৱক-অভিভাৱিকাসকলে বিয়ানাম, হুঁচৰি পৰিৱেশন কৰি বিদ্যাৰম্ভ কাৰ্যসূচী শুভাৰম্ভ কৰে। উল্লেখ্য যে অনুষ্ঠানত সংশ্লিষ্ট শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষক পুতুল দত্ত, সহকাৰী শিক্ষক গোপাল ৰবিদাস আৰু দিপ্তী শইকীয়া ফুকনক ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। দিয়ে।

# বগামাটি সংযোগী পথৰ পুখুৰী সদৃশ গাঁতে জীয়াতু ভোগাইছে জনসাধাৰণক



অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ১ এপ্ৰিল ঃ** সৰুপথাৰ বিধানসভা সমষ্টিৰ মৰঙি উন্নয়ন খণ্ড কাৰ্যালয়ৰ অধীনস্থ ৰংবং গাঁও পঞ্চায়তৰ অন্তৰ্গত তিনি নম্বৰ ৰংবঙৰ নামঘৰ চাৰিআলিৰ পৰা বগামাটিলৈ যোৱা পথৰ পুখুৰী সদৃশ গাঁতে জীয়াতু ভোগাইছে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজক। দেশে স্বাধীনতা লাভ কৰাৰ সুদীৰ্ঘ কাল ধৰি বগামাটিবাসী ৰাইজে অঞ্চলটোৰ যোগাযোগৰ অন্যতম পথ আৰু বিশুদ্ধ খোৱাপানীৰ সুব্যৱস্থাৰ অভাৱত ভুগি অহাৰ লগতে অন্যান্য এশ-এবুৰি সমস্যাৰ মাজত কক্‌বকাই থাকিব লগা হৈছে। কিন্তু চৰকাৰ কিম্বা প্ৰশাসন; কাৰো চকুত ৰাইজৰ দুৰ্দশাৰ ছবি এই পৰ্যন্ত নপৰিল। আনকি কাষতে থকা ৰাজহুৱা খণ্ডৰ উদ্যোগ নুমলীগড় শোধনাগাৰৰ সামাজিক উন্নয়ন আঁচনিয়েও ঢুকি নাপালে। ইয়াৰ পৰিণতি স্বৰূপে আজিও সমস্যা, সমস্যা হৈয়ে আছে। এনে ক্ষেত্ৰত অঞ্চলটোৰ সচেতন যুৱক সোমেশ্বৰ দাসে কয় যে অঞ্চলটোৰ জনসাধাৰণ কেৱল ভোটদাতা নাগৰিক হৈয়ে থাকিব লগা হৈছে। কিয়নো, নিৰ্বাচনক বাদ দি আন সময়ত জনপ্ৰতিনিধি বগামাটিবাসী ৰাইজৰ অভাৱ-অভিযোগৰ বুজ ল'বলৈ নাহে। লগতে বগামাটিৰ আন এজন ব্যক্তি দিলীপ কৰ্মকাৰে কয় যে চাহ জনগোষ্ঠীয় লোকৰ বসতি প্ৰধান এই বগামাটিক চৰকাৰে মাহী আইৰ চকুৰে চাই আহিছে। সময়ত উচিত প্ৰত্যুত্তৰ পাব বুলিও তেওঁ উল্লেখ কৰে। উল্লেখ্য যে বগামাটি অঞ্চলৰ পৰা দৈনিক বহু ডাম্পাৰে শিল-বালি কঢ়িয়াই নিয়ে। ইয়াৰ ফলতো পথৰ অৱস্থাৰ অধিক অৱনতি হোৱা বুলিও অভিযোগ উঠিছে। এনে ক্ষেত্ৰত অতি শীঘ্ৰে তিনি নম্বৰ ৰংবং নামঘৰ চাৰিআলিৰ পৰা বগামাটিলৈ যোৱা পথটোৰ পকীকৰণৰ ব্যৱস্থা কৰিবৰ বাবে ৰাইজে সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনক আহ্বান জনাইছে।

# বিশ্বশান্তিৰ অৰ্থে চাৰিদিনীয়া কাৰ্যসূচীৰে অখণ্ড ভাগৱত পাঠ

অগ্ৰদুত বাৰ্তা
**বান্দৰদেৱা, ১ এপ্ৰিল ঃ** সমগ্ৰ দেশকে বিভিন অসূয়া-অশান্তিৰে ছানি ধৰি মানৱ জাতিক এক বিশৃংখল পৰিৱেশৰ মাজলৈ পৰ্যবসিত কৰিছে। এই অশান্তি নিৰ্মূলৰ একমাত্ৰ উপায় পৰম শক্তি অদৃশ্যৰ বাহিৰে কোনো বিকল্প নাই । বৰ্তমান ভোগবাদী সমাজ ব্যৱস্থাই সমষ্ট মানৱ জাতিকে মানৱীয় প্ৰমূল্যসমূহৰ পৰা নিলগাই আত্মকেন্দ্ৰিক কৰি তুলিছে। ফলত সমাজত হিংসা-অসূয়া-অশান্তিৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপ আদিৰ দৰে অশুভ পৰম্পৰাসমূহে জনজীৱন বিপৰ্যস্ত কৰিছে । এই সময়ত মানৱ জাতি তথা সমাজত সম্প্ৰীতি বৰ্তাই ৰাখিবলে মহাপুৰুষ গুৰু দুজনাৰ দ্বাৰা প্ৰদৰ্শিত ভক্তি ধৰ্ম শ্ৰৱণ কীৰ্তন বৰ্তমান সময়ৰ একমাত্ৰ পৰমধৰ্ম ।এই উদ্দেশ্য আগত ৰাখি লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী দুই নম্বৰ পাৰ্বতীপুৰ মাজুলীয়াল নামঘৰত চাৰিদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পশ্চিম লালুক আঞ্চলিক ভাগৱত সমিতিৰ উদ্যোগ আৰু দুই নম্বৰ পাৰ্বতীপুৰ গাঁৱৰ ৰাইজৰ সহযোগত অষ্টাদশ-ত্ৰিবাৰ্ষিক ভাগৱত পাঠ সমাৰোহ আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি, প্ৰথমদিনা উষা কীৰ্তন ধৰ্মধ্বজা উত্তোলন গছপুলি ৰোপণ ভাগৱত আদৰণি, নৈমিষাৰণ্য স্থাপন, নৌকা উন্মোচন আদিৰ লগতে ভাগৱত ভ্ৰমণ কাৰ্যসূচী সম্পন্ন হয়। যোৱা দুদিন ধৰি কিন্‌কিনীয়া বৰযুণৰ মাজেৰে ভাগৱত ভ্ৰমণত ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহন অতি আকৰ্ষণীয় আছিল। চাৰিদিনীয়া ভাগৱত কাৰ্যসূচীত সকলো জাতি-জনগোষ্ঠী লোকসকলৰ অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে প্ৰদীপ দত্ত আৰু প্ৰবীন শৰ্মাই ।

# ঐতিহাসিক ধোদৰ আলিৰ মেৰামতিত অনিয়ম

## ■ পথৰ ধুলিত চৰম দুৰ্ভোগ পথচাৰীৰ ঃ মেৰামতিৰ দাবী ৰাইজৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ১ এপ্ৰিল ঃ** যোৰহাট জিলাৰ লোকনিৰ্মাণ বিভাগৰ নকছাৰী গ্ৰাম্য পথ সংমণ্ডলৰ অন্তৰ্গত ঐতিহাসিক ধোদৰ আলিৰ মেৰামতিৰ নামত চলি অহা ভেঁকোভাওনাৰ বাবেই পথছোৱা বিধ্বস্ত হৈ পৰিছে। মৰিয়নিৰ পৰা আমগুৰিৰ সমীপৰ জাঁজী দলঙলৈকে মৰিয়নি সমষ্টিৰ এই পথছোৱা অতি জৰাজীৰ্ণ হোৱাৰ বাবেই পথটোৰে যাতায়াত কৰা জনসাধৰণে চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। বিশেষকৈ নকছাৰী মাছখোৱাৰ পৰা চেলেঙলৈকে প্ৰায় আঠ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱাত দৈনিক হেজাৰৰো অধিক সৰু-বৰ গাঁতৰ সৃষ্টি হৈছে। পথৰ মাজৰ গাঁতসমূহৰ বাবেই সঘনাই দুৰ্ঘটনাৰ সংখ্যাও বৃদ্ধি পাইছে। ইফালে, জৰাজীৰ্ণ পথছোৱাৰ বাবেই স্কুল-কলেজ তথা কাৰ্যলয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্মচাৰীসকলে অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে। উল্লেখ্য যে বিগত উপ-নিৰ্বাচনৰ পূৰ্বে বিগত বৰ্ষৰ অক্টোবৰতে জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকা আৰু শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে ধোদৰআলিৰ মেৰামতিৰ আধাৰশিলা স্থাপন কৰি কম দিনৰ ভিতৰতে ধোদৰআলিক যাতায়াতৰ ক্ষেত্ৰত সুচল কৰি তোলা হ'ব বুলি ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত মাছখোৱাৰ পৰা ধোদৰ আলিৰ মেৰামতিৰ বাবদ লোকনিৰ্মাণ বিভাগে সাত কোটি টকা মোকলাই দিয়ে। কিন্তু পথটোৰ মেৰামতিৰ দায়িত্ব পোৱা ঠিকাদাৰ গুৱাহাটীৰ জনৈক সন্দীপ আগৰৱালাই পথ মেৰামতিৰ কাম অত্যন্ত লেহেমীয়া গতিৰে কৰাৰ অভিযোগ উত্থাপন হৈছে। ইফালে, পথছোৱাত বিটুমিনৰ পৰিমাণ কম হোৱাৰ লগতে প্ৰাইম কোট, টেককোট, প্ৰি মিক্স কাৰ্পেট, ছীলকোটৰ আদিৰো ব্যৱহাৰ যথাযথ নোহোৱাৰ বাবে পথছোৱাৰ মেৰামতিৰ পাছতো পথটোৰ বহু অংশত খহতা আৰু অসমান হোৱাৰ অভিযোগ উত্থাপিত হৈছে। তদুপৰি ছাইডবামৰ কাম সঠিকভাৱে প্ৰাক্‌কলন অনুসৰি নোহোৱাত পথটোৰ স্থায়িত্ব সম্পৰ্কত প্ৰশ্ন উত্থাপিত হৈছে। ইফালে, ধোদৰ আলিৰ মেৰামতিৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰজন মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ হোৱাৰ বাবেই লোকনিৰ্মাণ বিভাগৰ বিষয়ববীয়াই পথনিৰ্মাণৰ অনিয়ম দেখিও চৰম নিৰ্লিপ্ত ভূমিকা লোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ইফালে, পথ মেৰামতি কৰি থকাৰ বাবেই পথটোৰ কাষৰীয়া লোকসকলৰ অৱস্থা দুৰ্বিষহ হৈ পৰিছে। পথৰ ধূলিৰে পুতি পেলাইছে কাষৰ ঘৰসমূহ। ফলত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে এইসকল লোক। পথটোৰ মেৰামতি সঠিক আৰু ক্ষিপ্ৰ কৰিবলৈ ৰাইজে সংশ্লীষ্ট বিভাগক দাবী জনাইছে।



অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত মাজুলীত আছুৰ সত্যাগ্ৰহ।

# বালিকৰিয়া বাসুদেৱ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১ এপ্ৰিল ঃ** বালিকৰিয়া বাসুদেৱ আঞ্চলিক ৰঙালী বিহু সন্মিলনীখন এইবেলি ১৬, ১৭ আৰু ১৮ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। সোণালী জয়ন্তী বৰ্ষৰ বিহু সন্মিলনী পৰিচালনা কৰিবলৈ হৰিহৰ শৰ্মাক সভাপতি, পংকজ বৰ্মনক কাৰ্যকৰী সভাপতি, চক্ৰ বৰ্মনক সাধাৰণ সম্পাদক, কুমুদ ডেকা, ভবেন বৰ্মন, বাপন বৰ্মনক উপ-সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে। বালিকৰিয়া বাসুদেৱ দেৱালয়ৰ বাকৰিত ১৬ এপ্ৰিলত সন্ধিয়া অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথম পুৰস্কাৰ ৫০০১ টকা, দ্বিতীয় ৩০০১ টকা, তৃতীয় পুৰস্কাৰ ২০০১ টকা প্ৰদান কৰা হ'ব। ভৰ্তি মাচুল ১০১ টকা নিৰ্ধাৰণ কৰা হৈছে। ১৭ এপ্ৰিলত নিশা হ'বলগীয়া প্ৰাইজমানি মুকলি বিহু প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ২০,০০১ টকা, দ্বিতীয় ১৫,০০১ টকা, তৃতীয় ১০,০০১ টকা, চতুৰ্থ ৭,০০১ টকাৰ লগতে শ্ৰেষ্ঠ ঢুলীয়াক ২,০০১ টকা আৰু শ্ৰেষ্ঠ নাচনীক ২,০০১ টকা প্ৰদান কৰা হ'ব। মুকলি বিহুৰ ভৰ্তি মাচুল ৩০১ টকা। ১৮ এপ্ৰিলত আবেলি হ'বলগীয়া দলীয় বিয়া নাম প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ২০০১ টকা, দ্বিতীয় পুৰস্কাৰ ১০০১ টকাৰে পুৰস্কৃত কৰা হ'ব। ভৰ্তি মাচুল ৫১ টকা। নিশা সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী মনোজ হালৈ, হিৰণময়ী কলিতা আৰু ৰুন্টি প্ৰশান্তই গীত পৰিৱেশন কৰিব বুলি সাংস্কৃতিক সম্পাদক মুনিন্দ্ৰ বৰ্মনে জনাইছে। প্ৰাইজমানি নৃত্য-মুকলি বিহু আৰু দলীয় বিয়া নামৰ বাবে ইচ্ছুক প্ৰতিযোগী আৰু দলসমূহক ৯৬১৩৪০৬৭২৫, ৯৪৩৫৯৩৩৬৯৮ আৰু ৬০০২১৬৯২১৬ত ভৰ্তি মাচুলসহ যোগাযোগ কৰিবলৈ সমিতিয়ে অনুৰোধ জনাইছে।

# সন্মিলিত কাছমাৰী-বৰভেটি বিহু কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১ এপ্ৰিল ঃ** নগাঁও জিলাৰ সন্মিলিত কাছমাৰী আৰু বৰভেটি গাঁও পঞ্চায়তৰ কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতিৰ ব্যৱস্থাপনাত বিগত ১৫ দিন ধৰি পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত পূৰ্ণোদ্যমে চলি থকা বিহু কৰ্মশালাখনৰ কালি সামৰণি পৰে। উক্ত কৰ্মশালাৰ অন্তত উদ্‌যাপন সমিতিৰ সভাপতি অমিয় কুমাৰ ডেকাৰ পৌৰোহিত্যত তিনি বজাৰ পৰা অনুষ্ঠিত সামৰণি অনুষ্ঠানটোত অসম বিহু কৃষ্টি পৰিষদৰ কেন্দ্ৰীয় বিষয়ববীয়া অনুপ বৰুৱা, হৰেন্দ্ৰ নাথ, প্ৰশিক্ষক বীৰেন ডেকা আৰু উদ্‌যাপন সমিতিৰ উপদেষ্টা হৰিচৰণ ডেকাই উপস্থিত চাৰি শতাধিক প্ৰশিক্ষাৰ্থীক উদ্দেশ্যি বিহু সম্পৰ্কীয় বিভিন্ন দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। আয়োজক সমিতিৰ সাধাৰণ সম্পাদক ৰাজেশ কোঁৱৰে আঁত ধৰি আগবঢ়াই নিয়া উক্ত অনুষ্ঠানতে প্ৰশিক্ষক জাগৃতি কলিতা আৰু যুৱত ডেকাৰ লগতে সাংস্কৃতিক কৰ্মী প্ৰবীণ কলিতা, শেৱালি কলিতা আদিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত প্ৰশিক্ষাৰ্থীসকলে প্ৰায় তিনিঘণ্টা জোৰা বাৰেৰহণীয়া বিহু অনুষ্ঠান পৰিবেশনৰে সহস্ৰাধিক দৰ্শক ৰাইজক আগতীয়াকৈ বিহুৰ আনন্দত মতলীয়া কৰি তোলে। উল্লেখ্য যে, সমন্বয়ৰ থলী হৈ পৰা এই কৰ্মশালাখনত সমীপৰ বৰভেটি গাঁৱৰ ২০ৰো অধিক মুছলমান ধৰ্মাৱলম্বী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

# গোৱালপাৰাত ডি ফাৰ্ম কোৰ্ছৰ নামত চেন্ট্ৰেল কলেজ অৱ ফাৰ্মাচীৰ লুণ্ঠন

## ■ শিক্ষাৰ্থীৰ মাজত হাহাকাৰ ■ তদন্তৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১ এপ্ৰিল ঃ** জালিয়াতিৰে গোৱালপাৰা চহৰৰ হেদায়েৎপুৰত স্থাপন কৰা চেন্ট্ৰেল কলেজ অৱ ফাৰ্মাচী নামৰ শিক্ষা প্ৰতিষ্ঠানখনে ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি শিক্ষানুষ্ঠানখনত ডি ফাৰ্ম কোৰ্চৰ বাবে নাম ভৰ্তি কৰা ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহিছে। ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ অভিযোগ অনুসৰি হেদায়েৎপুৰত স্থাপন কৰা চেন্ট্ৰেল কলেজ অৱ ফাৰ্মাচী স্থাপন কৰি ডি ফাৰ্মৰ দুবছৰীয়া পাঠ্যক্ৰমৰ বাবে দুইলাখ ৭০ হেজাৰ মাচুল ধাৰ্য কৰে আৰু ভৰ্তি মাচুল হিচাপে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা ৫০/৬০ হেজাৰকৈ টকা সংগ্ৰহ কৰে। জালিয়াতিৰে ভুৱা নথিপত্ৰৰে অনুমতি পোৱা দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলক ভৰ্তিকৰণ কৰি লাখ লাখ টকা আত্মসাৎ কৰে যদিও পাঠদান আৰম্ভ কৰিব নোৱাৰি সম্প্ৰতি পলায়ন কৰিছে অনুষ্ঠানৰ কৰ্তৃপক্ষই। সেয়ে এই ক্ষেত্ৰত প্ৰতাৰক অনুষ্ঠানৰ কৰ্তৃপক্ষ জবেদ আলী আৰু পৰিচালন সঞ্চালক আশ্ৰাফুল ইছলামক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে ভুক্তভোগী একাংশ ছাত্ৰই। এই সন্দৰ্ভত অভিভাৱক আব্দুল হাইয়ে কয় যে প্ৰয়োজনীয় নথিপত্ৰ সম্পূৰ্ণ হোৱাই নাছিল তেন্তে মহাবিদ্যালয়ত নামভৰ্তি কৰি শিক্ষাৰ্থীৰ জীৱনক লৈ হেতালি খেলাৰ লগতে এটা বছৰ ধ্বংস কৰাৰ অধিকাৰ ক'ত পালে চেন্ট্ৰেল কলেজ অৱ স্কুলখনে। অতি শীঘ্ৰে এইখন প্ৰশাসনে ছীল কৰাৰ লগতে স্বত্বাধিকাৰী জবেদ আলী আৰু পৰিচালন সঞ্চালক আশ্ৰাফুল ইছলামক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহিব লাগে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰীক এনে ভুৱা কলেজৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে শিক্ষাৰ্থীসকলে।

# নলবাৰীত অৱসৰৰ দিনাই ৩৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক পেঞ্চন প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১ এপ্ৰিল ঃ** নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ে জিলাখনৰ ৩৫ গৰাকী শিক্ষক শিক্ষয়িত্ৰীক কালি অৱসৰৰ দিনাই পেঞ্চন প্ৰদান কৰে। এই উপলক্ষে জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাৰ উদ্যোগত জিলা উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলক পেঞ্চনৰ নিৰ্দেশাৱলী প্ৰদান কৰে জিলা উপায়ুক্ত গীতিমণি ফুকনে। উল্লেখ্য যে অনুষ্ঠানৰ আৰম্ভণিতে অৱসৰপ্ৰাপ্ত প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে সুদীৰ্ঘ বছৰ শিক্ষাদানৰ স'তে জড়িত হৈ ছাত্ৰ-ছাত্ৰীসকল আৰু শিক্ষানুষ্ঠানখন এৰি আহিব লগা হোৱাত আৱেগিক হৈ অভিজ্ঞতাৰ বিষয়ে আলোকপাত কৰে। প্ৰাথমিক বিদ্যালয়ৰ ১৭ গৰাকী, উচ্চ প্ৰাথমিকৰ ১৮ গৰাকী সহ মুঠ ৩৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কালি অৱসৰৰ দিনাই পেঞ্চন প্ৰদান কৰা হয় উল্লেখ্য যে অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়াৰ লগতে সদৌ অসম মজলীয়া শিক্ষক সন্থাৰ যুটীয়া সম্পাদক লোহিত বেকাৰ, জিলা মজলীয়া শিক্ষক সন্থাৰ সভাপতি বিজয় বৰুৱা, জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সম্পাদক কালিচৰণ কলিতা, জিলা প্ৰাথমিক শিক্ষা সন্মিলনীৰ সভাপতি অক্ষয় বৰ্মন আৰু সম্পাদক মোহন হালৈ উপস্থিত থাকে।

# গৰমচুঙৰ ডিঙাৰাত সাৰ্বজনীন শ্ৰীশ্ৰীবাসন্তী পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ১ এপ্ৰিল ঃ** পশ্চিম বড়িগোগ মৌজাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত গৰমচুং সাৰ্বজনীন শ্ৰীশ্ৰী বাসন্তী পূজাৰ মন্দিৰ প্ৰাংগণত অহা সাত এপ্ৰিলৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীৰে গৰমচুং সাৰ্বজনীন শ্ৰীশ্ৰীবাসন্তী পূজাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী মতে, সাত এপ্ৰিলত পুৱা বন্তি প্ৰজ্বলন, ধৰ্মীয় পতাকা উত্তোলন, গছপুলি ৰোপণ, স্বচ্ছ অভিযান, সন্ধিয়া ৬.৩০ বজাত প্ৰতিমা স্থাপন, দ্বাৰ উন্মোচন, সন্ধিয়া ৮.৩০ বজাত বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। আঠ এপ্ৰিলৰ সপ্তমী পূজাৰ পুৱা পৰিৱেশ পৰিষ্কৰণ, গছপুলি ৰোপণ, বন্দনা অনুষ্ঠান, পুৱা ১০.৩০ বজাত আয়তীৰ পানী তোলা, আয়তীৰ নাম-প্ৰসংগ, আবেলি ৩.৩০ বজাত সম্বৰ্ধনা অনুষ্ঠান। চাৰি বজাত ওজাপালি প্ৰদৰ্শন। সন্ধিয়া ছয় বজাত বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। অনুষ্ঠানত নিশা ন বজাত ৰীতামণি কলিতাই নাগাৰা নাম পৰিৱেশন কৰিব। অহা ন এপ্ৰিলত আশোকাষ্টমীৰ দিনা পুৱা বন্দনা, গছপুলি ৰোপণ, আয়তীৰ নাম প্ৰসংগ। আবেলি চাৰি বজাত ওজাপালি প্ৰদৰ্শন, সন্ধিয়া ছয় বজাত বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। তদুপৰি নিশা ৮.১৫ বজাত নমিতা কলিতা আৰু পল্লবী দাসে নাগাৰা নাম পৰিৱেশন কৰিব। অহা ১০ এপ্ৰিলত মহানৱমীৰ পুৱা স্বচ্ছ অভিযান, বন্দনা, গছপুলি ৰোপণ, ১০ বজাত আয়তীৰ নাম-প্ৰসংগ, আবেলি চাৰি বজাত ওজাপালি প্ৰদৰ্শন, সন্ধিয়া ছয় বজাত বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন, নিশা ৭.৩০ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা হ'ব। অহা ১১ এপ্ৰিলত পুৱা স্বচ্ছ অভিযান, দেৱীৰ সংকীৰ্তন। দুপৰীয়া ১২ বজাত পুষ্পাঞ্জলি আৰু আবেলি তিনি বজাত প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

# ছাত্ৰীৰ অকাল মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১ এপ্ৰিল ঃ** সূৰ্যগিৰি সমবায় সমিতিৰ সভাপতি ছোবাহান আলী আৰু গোৱালপাৰা জিলা পৰিষদৰ উপ-সভানেত্ৰী শ্বৰিফা আহমেদৰ কন্যা তথা গোৱালপাৰা গেলেক্সী একাডেমীৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী মেহনাজ পাৰবিন (সুহানা)ৰ আজি পুৱা দুৰাৰোগ্য ৰোগত মৃত্যু হয়। উল্লেখ্য যে ১২ বছৰীয়া ছাত্ৰীগৰাকী যোৱা ২৭ আগষ্টৰ পৰাই কলকাতাৰ টাটা মেম'ৰিয়েল হাস্পতালত চিকিৎসাধীন হৈ আছিল। কিন্তু আজি পুৱাই চিকিৎসাধীন অৱস্থাত ছাত্ৰীগৰাকীৰ মৃত্যু হয়।

# নতুন শিক্ষানীতিক সমাজৰ সম্পদৰূপে গঢ়িব লাগিব

## ■ বামুণগাঁৱত ৰঙিয়া জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ আলোচনা

**অগ্ৰদূত বাৰ্তা**
**কনিহা, ১ এপ্ৰিল ঃ** 'তিনি দশকৰ পাছত আমি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি পাইছো। এই শিক্ষানীতি পৃথিৱীৰ সম্পদ, সমাজৰ সম্পদৰূপে গঢ়িব লাগিব।' এই বক্তব্য বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা কামৰূপৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াৰ। যোৱা ৩০ মাৰ্চত ৰঙিয়া জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাই ৰঙিয়া মহকুমাৰ বামুণগাঁওস্থিত জৱাহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্তৰ সঞ্চালনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিক্ষানীতি -২০২০১ আধাৰত ২০২২-২৩ শিক্ষাবৰ্ষৰ প্ৰস্তুতি শীৰ্ষক আলোচনাচক্ৰখন উদ্বোধন কৰি শিক্ষা বিষয়াজনে পুনৰ কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীক কৰ্মক্ষেত্ৰত অৰিহণা যোগোৱাৰ উপৰি ভৱিষ্যৎ নিশ্চিত সুৰক্ষিত হ'ব। প্ৰাথমিক স্তৰত এই নীতিয়ে অধিক গুৰুত্ব দিছে বুলি কোৱাৰ লগতে ভাষাৰ ক্ষেত্ৰতো গুৰুত্ব দিছে বুলি উল্লেখ কৰে। সভাত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰণৱ শইকীয়াই আলোচক হিচাবে উপস্থিত থাকি ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত আশাৰ ৰেঙণি আনিব বুলি কোৱাৰ লগতে শিক্ষাৰ সাম্প্ৰতিক সমস্যা, ইয়াৰ নিৰাময়, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ গুৰুত্ব সম্পৰ্কত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সংস্থাটোৰ সম্পাদক তপন চন্দ্ৰ কোঁৱৰে আঁত ধৰা আলোচনাচক্ৰত অসম প্ৰকাশন পৰিষদৰ বিষয়া জ্যোতি খাটনিয়াৰে বক্তব্য প্ৰদান কৰাৰ লগতে ৰঙিয়াৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক প্ৰবীণ চন্দ্ৰ ৰাভা, কমলপুৰৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মুনীন্দ্ৰ গোস্বামী, কৰৰাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তাজিমুল হক, ৰঙিয়া শিক্ষাখণ্ডৰ সহ পৰিদৰ্শক মইনুল হক চৌধুৰী, সংস্থাটোৰ সভাপতি ধীৰেন চন্দ্ৰ কলিতা, ৰাজ্যিক সদস্য অতুল কলিতায়ো উপস্থিত থাকে ।



# গোৱালপাৰাৰ পানীশালী হাইস্কুলত মণ্ডল পৰ্যায়ৰ সম্প্ৰদায় উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১ এপ্ৰিল ঃ** শিক্ষাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজক জড়িত কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সুপ্ত প্ৰতিভাসমূহ উলিয়াই আনিবৰ উদ্দেশ্যে গোৱালপাৰা জিলাৰ পানীশালী হাইস্কুলত কালি মণ্ডল পৰ্যায়ত সম্প্ৰদায় উৎসৱ উদ্‌যাপন কৰা হয়। সমগ্ৰ শিক্ষা অভিযানৰ গোৱালপাৰা জিলাৰ উদ্যোগত অনুষ্ঠিত সম্প্ৰদায় উৎসৱৰ আজি পুৱা ন বজাত পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। জয়ৰামকুছি মণ্ডল সমল সমন্বয়ক ৰৌপক তুমিৰ আলী আহমেদে বৃক্ষৰোপণ কৰাৰ পাছত বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় মহিলাসকলেও ৰাভা, বড়ো, গাৰো, নেপালী আদি নৃত্য পৰিৱেশন কৰা হয়। দিনৰ দুই বজাত 'শৈক্ষিক ক্ষেত্ৰত সমাজৰ ভূমিকা' শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। পানীশালী হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গিতীকা অধিকাৰীয়ে সঞ্চালনা কৰা আলোচনাচক্ৰখনৰ উদ্দেশ্য ব্যাখ্যা কৰে থৰ্কো সমল কেন্দ্ৰৰ সমন্বয়ক তথা সভাৰ আয়োজক ৰাজেন্দ্ৰ কোচে। আনহাতে, লক্ষীপুৰ প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া দেৱানন বড়োৱে মুখ্য আলোচকৰূপে উপস্থিত থাকি কয় যে সুস্থ সমাজ অবিহনে শিক্ষাৰ ব্যৱস্থা আগবাঢ়ি লৈ যোৱাটো সম্ভৱ নহয়। তদুপৰি নতুন শিক্ষাৰ নীতিৰ বিষয়ে বিস্তৃত ভাষণ প্ৰদান কৰে শিক্ষা বিষয়াজনে। উক্ত সভাত সমগ্ৰ শিক্ষা অভিযানৰ জিলা আঁচনি বিষয়া গুণো হাজৰিকাই নতুন শিক্ষা নীতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰি নতুন শিক্ষা বৰ্ষ ২০২২-২৩ৰ উৎসৱ বিদ্যাৰাম্ভৰ বিষয়ে অৱগত কৰে। সভাখনত লক্ষীপুৰ শিক্ষা খণ্ডৰ বিআৰপি নজৰুল ইছলাম, দদান মণ্ডল সমল সমন্বয়ক সফিকুল ইছলাম মণ্ডল, ফৰিঙাপাৰাৰ চিআৰচিচি নজমুছ শাহাদত মোল্লা, অৱসৰপ্ৰাপ্ত শিক্ষক আবু তালেব উপস্থিত থাকে। উৎসৱত থৰ্কো আৰু জয়ৰামকুছি সমল কেন্দ্ৰৰ অধীনস্থ গাঁওসমূহৰ ৰাইজ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, সদস্য-সদস্যা আৰু মাতৃগোটৰ সভাপতি, সম্পাদক সদস্য-সদস্যাসকল, বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকল, ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক, পিতৃ-মাতৃৰ লগতে কেন্দ্ৰ দুখনৰ অন্তৰ্গত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সভাৰ অন্তত পানীশালী গাঁৱৰ মহিলাসকলে ৰাভা নৃত্য পৰিৱেশন কৰে।

# কৰুণাধাৰা ন্যাসৰ মৰিগাঁও জিলা সহায়ক সমিতিৰ সভা

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১ এপ্ৰিল ঃ** কৰুণাধাৰা ন্যাসৰ মৰিগাঁও জিলা সহায়ক সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা কালি মৰিগাঁও চহৰৰ মুহিলা হোম মডেল বিদ্যালয়ৰ নিপুণ ডেকা স্মৃতি ভৱনত অনুষ্ঠিত হয়। মৰিগাঁও জিলা কৰুণাধাৰা সহায়ক সমিতিৰ সভাপতি অশোক ডেকাৰ সভাপতিত্বত আৰু সচিব মিলেশ্বৰ পাতৰে আঁত ধৰা সভাখনত মৰিগাঁও জিলাত কৰুণাধাৰাই আগবঢ়াই সেৱাৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। কাৰ্যকৰী সভাপতি ড° ধীৰেন নাথ, উপদেষ্টা বাণী বৰুৱাই জিলাখনত দুৰ্দশাগ্ৰস্ত লোকসকলৰ ওচৰলৈ কৰুণাধাৰাক কেনেদৰে নিব পৰা যায় আৰু জনসাধাৰণ মাজত কিদৰে প্ৰসাৰতা লাভ কৰাত সহায়ক হ'ব এই সন্দৰ্ভত কে'বাটাও গঠনমূলক পৰামৰ্শ আগবঢ়ায়। ইফালে, দেশত কৰ'নাৰ সৃষ্ট পৰিৱেশৰ বাবেই কৰুণাধাৰাৰ কাম-কাজত স্থবিৰতা আহি পৰা বুলি উল্লেখ কৰি সচিব মিলেশ্বৰ পাতৰে কয় যে বৰ্তমান সময়ত যিহেতু পূৰ্বৰ তুলনাত এক সুস্থ বাতাবৰণ আহিছে সেয়ে জিলাখনত কৰুণাধাৰাক সক্ৰিয় কৰাত সহায়-সহযোগিতা আগবঢ়াবলৈ সকলোৱে আহ্বান জনায়। কৰুণাধাৰাৰ আহ্বায়ক বিৰিঞ্চি কুমাৰ শৰ্মা, সহযোগী আহ্বায়ক জয়ন্ত কুমাৰ ডেকা, চিলাৰায় কোঁৱৰ, জিতুমনি নাথ, ভুবনেশ্বৰ ডেকা, ৰাতুল ডেকা, ভবেন চন্দ্ৰ নাথ, দীপাংক নাথ আদি কৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা সভাখনত সচিব পাতৰে বিগত কাৰ্যকালৰ এক খৰচৰ খতিয়ান দাঙি ধৰে। তদুপৰি উক্ত সভাতে উপস্থিত সদস্যসকলৰ দ্বাৰা সংগৃহীত প্ৰায় ১০ হেজাৰ টকা কৰুণাধাৰা ন্যাসলৈ আগবঢ়ায়।

# পূৱ মাজুলী মহাবিদ্যালয়ক গ্ৰন্থ দান



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১ এপ্ৰিল ঃ** যোৰহাটৰ বিদ্যাভৱনে মাজুলী জিলাৰ পূৱ মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দুই লক্ষাধিক টকাৰ গ্ৰন্থদান কৰে। আজি সেই উদ্দেশ্যে বিদ্যাভৱন প্ৰতিষ্ঠানত পূৱ মাজুলী মহাবিদ্যালয়ৰ সহকাৰী গ্ৰন্থাগাৰিক গৌতম শইকীয়া আৰু উচ্চবৰ্গৰ সহায়ক কৃষ্ণ বৰা উপস্থিত হৈ স্বত্বাধিকাৰী বিশ্বজিৎ শইকীয়া আৰু ৰঞ্জিত শইকীয়াৰ পৰা আঠটা গ্ৰন্থাৰ টোপোলা গ্ৰহণ কৰে।

# জীৱনৰ লক্ষ্যৰ বাবে কষ্ট কৰিব লাগে ঃ শৰ্মা

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১ এপ্ৰিল ঃ** 'দেৱতাসকলে অমৃত পাই কোনো লক্ষ্য অবিহনে জীৱন যাপন কৰে, পশুসকলে অলপ খাবলৈ পালেই সন্তুষ্ট হয়; কিন্তু মানুহে জীৱনৰ লক্ষ্যৰ বাবে কষ্ট কৰিব লাগে আৰু সেই কষ্টই জীৱনৰ পৰিপূৰ্ণতা লাভ কৰে। সেয়ে দেৱতা, পশুতকৈ শ্ৰেষ্ঠ মানুহ।' এই মন্তব্য সাহিত্য একাডেমী অনুবাদক বঁটাপ্ৰাপক অনুবাদক, দিগন্ত বিশ্ব শৰ্মাৰ। আজি হোজাইৰ অৰুণোদয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নৱম বাৰ্ষিক অধিবেশনৰ মুকলি সভাত 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' বিষয়ত ভাষণ দি তেওঁ এইদৰে কয়। তেওঁ মুকলি সভাৰ পূৰ্বে জিচিচি জুনিয়ৰ কলেজ কৰ্তৃপক্ষই নতুনকৈ নিৰ্মাণ কৰা এটা বিজ্ঞান পৰীক্ষাগাৰ উদ্বোধন কৰে। পৰীক্ষাৰ উদ্বোধনৰ পাছত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত উপনিষধৰ নচিকটা আৰু মহাভাৰতৰ দুটা কাহিনীৰ জৰিয়তে ভাৰতীয় দৰ্শন সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। উক্ত অনুষ্ঠানত সাহিত্যিক ড° সাৰদানন্দ দেৱ গোস্বামী, জিলা সাহিত্য সভাৰ সম্পাদক অনুপ বৰঠাকুৰ, সমাজসেৱক শিৱ নাথ বৰ্মন, উমা শংকৰ গোস্বামী, সংস্কৃত গীতা অসমীয়ালৈ অনুবাদ কৰা ৰেণুকা দেৱী, শিক্ষক বিনোদ বিহাৰী সিংহৰ উপৰি কে'বাজনো বিশিষ্ট লোক উপস্থিত থাকে।

# জ্যেষ্ঠ পৰিদৰ্শক মহেশ্বৰ ব্ৰহ্মক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ১ এপ্ৰিল ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁওস্থিত সমবায় সমিতিসমূহৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত কৰ্মৰত জ্যেষ্ঠ পৰিদৰ্শক মহেশ্বৰ ব্ৰহ্মক তেওঁৰ চাকৰিৰ পৰা অৱসৰ উপলক্ষে যোৱা ৩০ মাৰ্চত বিদায় সম্বৰ্ধনা জনোৱা হয়। ১৯৯০ত বিন্যাখাতা সমবায় সমিতিৰ কেডাৰ সম্পাদক হিচাপে চাকৰি জীৱনৰ পাতনি মেলা গোসাঁইগাঁও সদৰ চহৰৰ তিনি নম্বৰ ৱাৰ্ডৰ নিবাসী মহেশ্বৰ ব্ৰহ্মই জ্যেষ্ঠ পৰিদৰ্শকৰ দায়িত্ব পালন কৰি যোৱা ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে কাৰ্যালয়টোৰ সভাকক্ষত সমবায় সমিতিসমূহৰ উপ-পঞ্জীয়ক ড° পৰেশ সাহাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ পৰিদৰ্শক তথা গোসাঁইগাঁও জিলা কৰ্মচাৰী সন্থাৰ নৱনিৰ্বাচিত সভাপতি ছানাৰাম ব্ৰহ্মাই। সভাত বিনয় ব্ৰহ্ম, সাংবাদিক শংকৰ চৌধুৰী, উৎপল দেই ভাষণ আগবঢ়ায়।

# অইল ইণ্ডিয়া মিছন স্মাইলৰ মাজত সহযোগিতা স্থাপন

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১ এপ্ৰিল ঃ** অইলৰ সামাজিক দায়বদ্ধতা আঁচনিৰ উদ্যোগৰ অধীনত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ জন্মগতভাৱে ওঁঠৰ বিকৃতি থকা শিশুসকলক সহায়ৰ অৰ্থে অইল ইণ্ডিয়া লিমিটেডে মিছন স্মাইলৰ স'তে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ প্ৰদান কৰে। যোৱা ২৮ মাৰ্চত সম্পন্ন হোৱা উক্ত বুজাবুজিৰ চুক্তিখনত স্বাক্ষৰ প্ৰদান কৰে অইল মেডিকেল সেৱাৰ মুখ্য মহাপ্ৰৱন্ধক ডাঃ শান্ত বৈশ্য আৰু মিছন স্মাইলৰ মেডিকেল সঞ্চালক ডাঃ হিতেশ্বৰ শৰ্মাই। উপস্থিত থাকে অইলৰ আৱাসিক মুখ্য বিষয়া প্ৰশান্ত বৰকাকতি, উত্তৰ-পূব ভাৰতৰ ইজৰাইলৰ সন্মানীয় কনচাল আৰু মিছন স্মাইলৰ ন্যাসৰক্ষী ড° জয়শ্ৰী দাস বাৰ্মা আৰু দুয়োখন প্ৰতিষ্ঠানৰ অন্যান্য বিষয়াসকল। এই চুক্তি অনুসৰি এই দুয়োখন জিলাৰ ক্লেফ্‌ট শিশুসকলক কাউনচেলিং কৰা হ'ব আৰু সম্পূৰ্ণ চিকিৎসাৰ বাবে মিছন স্মাইলছ গুৱাহাটী কম্প্ৰিহেনচিভ ক্লেফ্‌ট কেয়াৰ চেন্টাৰলৈ নিয়া হ'ব। অইলৰ আৱাসিক মুখ্য বিষয়া প্ৰশান্ত বৰকাকতিয়ে সামাজিক দায়বদ্ধতা আঁচনিৰ উদ্যোগৰ পৰিসৰৰ অধীনত ওঁঠৰ বিকৃতি ৰোগত আক্ৰান্ত শিশুসকলৰ জীৱনত তাৎপৰ্যপূৰ্ণ প্ৰভাৱ অনাৰ ক্ষেত্ৰত কোম্পানীৰ অংগীকাৰৰ বিষয়ে ব্যক্ত কৰে।

# টিহুৰ গোৰৰাদলত জহি-খহি গৈছে জিৰণি চ'ৰা

## ■ পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**
**টিহু, ১ এপ্ৰিল ঃ** বৰমা বিধানসভা সমষ্টি তথা টিহু উন্নয়ন খণ্ডৰ ৪৬ নম্বৰ পূব নামবৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত গোৰৰাদল অঞ্চলৰ মধ্যস্থল তথা বৃহত্তৰ পূব নামবৰভাগ অঞ্চলৰ ব্যৱসায়ৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গোৰৰাদল-পদ্মপাৰা চ'কত ২৫ বছৰ পূৰ্বে দূৰণিবটীয়া যাত্ৰীসকলৰ জিৰণিৰ বাবে নিৰ্মাণ কৰা হৈছিল এটি জিৰণি চ'ৰা । কিন্তু দীৰ্ঘদিন মেৰামতিৰ অভাৱত সম্প্ৰতি এই জিৰণি চ'ৰাটো জহি-খহি যাবলৈ ধৰিছে । জিৰণি চ'ৰাটোৰ ওপৰৰ ফালে বৰ্তমান এডালো কাঠ নাই। আনকি বহু বছৰ পূৰ্বে নিৰ্মাণ কৰা জিৰণি চ'ৰাটোৰ মজিয়াখন এতিয়া সমীপৰ পথতকৈ বহু তলত থকাৰ ফলত পথৰ বোকা-পানী গৈ জিৰণি চ'ৰাটোত জমা হৈ কদৰ্য হৈ পৰে। গাঁওসমূহৰ উন্নয়নৰ বাবে প্ৰতি বছৰে পঞ্চায়তৰ জৰিয়তে কোটি টকা চৰকাৰে ধাৰ্য কৰে যদিও জিৰণি চ'ৰাটো মেৰামতিৰ কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা নাই পঞ্চায়তৰ প্ৰতিনিধিসকলে। উক্ত জিৰণি চ'ৰাটোৰ সন্মুখেৰে আহ-যাহ কৰে যদিও জিৰণি চ'ৰাটোৰ জহি-খহি যোৱা ৰূপটো তেওঁলোকৰ আজিলৈ চকুত নপৰাত ৰাইজে পঞ্চায়ত প্ৰতিনিধিসকলৰ বিৰুদ্ধে ক্ষুব্ধ হৈছে । সেয়ে ৰাইজে এতিয়া বৰমা বিধানসভা সমষ্টিৰ বিধায়কজনক উক্ত জিৰণি চ'ৰাটো নতুনকৈ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ।



■ সৰৰ বিভিন্ন দল-সংগঠন, কুম্ভকৰ্ণ নিদ্ৰাত গড়কাপ্তানী বিভাগ

# কমাৰগাঁৱত ঐতিহাসিক মহুৰা আলি নিৰ্মাণত দুৰ্নীতি

**খুমটাই, ১ এপ্ৰিল ঃ** ৰোকাখাত সমষ্টিৰ কমাৰগাঁৱত এটা ঐতিহাসিক পথ নিৰ্মাণত ঠিকাদাৰৰ ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে । প্ৰায় সাত কোটি টকা ব্যয় সাপেক্ষ ২০২১ত নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত কমাৰগাঁৱৰ ৩৭ নম্বৰ ঘাইপথৰ পৰা মহুৰামুখলৈকে পাঁচ কিলোমিটাৰ পথটো ঠায়ে ঠায়ে বহি যোৱাৰ উপৰি বিভিন্ন স্থানত বখলা বখলে এৰিবলৈ ধৰিছে। আনহাতে, পথ নিৰ্মাণত ঠিকাদাৰৰ ব্যাপক দুৰ্নীতিৰে অতি নিম্নমানৰ সামগ্ৰীৰে পথটো নিৰ্মাণ কৰাৰ ফলত ঐতিহাসিক পথটো এইদৰে ফাটি বহি যোৱাৰ লগতে বখলা বখলে এৰিবলৈ ধৰিছে বুলি কমাৰগাঁও আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাই অভিযোগ উত্থাপন কৰিছে । এছিয়া মহাদেশৰ ভিতৰত পোন পথ হিচাপে চিহ্নিত এই পথটো প্ৰথমে নিৰ্মাণ কৰিছিল প্ৰথমগৰাকী মহিলা ঠিকাদাৰ তথা শিল্পী মোহিনী ৰাজকুমাৰীয়ে। ইফালে, বোকাখাত মহকুমাৰ গড়কাপ্তানী বিভাগৰ একাংশ বিষয়া আৰু ঠিকাদাৰৰ মিতিৰালি বাবে ঐতিহাসিক পথটো কম সময়তে জৰাজীৰ্ণ পথলৈ ৰূপায়িত হোৱাত গড়কাপ্তানী বিভাগ তথা জনৈক আগৰৱালা উপাধিৰ ঠিকাদাৰজনে শিল্পী মোহিনী ৰাজকুমাৰীক চৰম অপমান কৰিছে বুলি কমাৰগাঁও আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাই অভিযোগ উত্থাপন কৰিছে । ইফালে, ঠিকাদাৰ ব্যাপক নিয়মৰ বাবে ঐতিহাসিক মহুৰা আলিটো কম সময়ৰ ভিতৰতে এটা জৰাজীৰ্ণ পথলৈ ৰূপান্তৰিত হোৱাত ক্ষোভ প্ৰকাশ কৰি মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থাই শীঘ্ৰেই উক্ত পথটো পুনৰ নিৰ্মাণ কৰিবলৈ গড়কাপ্তানী বিভাগক দাবী উত্থাপন কৰিছে । আনহাতে, ঐতিহাসিক মহুৰা আলি নিৰ্মাণত হোৱা ব্যাপক দুৰ্নীতিৰ তদন্ত কৰিবলৈ গড়কাপ্তানী বিভাগৰ দায়িত্বত থকা খোদ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আহ্বান কমাৰগাঁও আৰু মহুৰামুখৰ বিভিন্ন দল-সংগঠনৰ। ইফালে, ইতিহাস বিজৰিত পথটো শীঘ্ৰেই মেৰামতি নকৰিলে মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ সহযোগত এক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে ।



## সমাদৃত চেলেংহাটৰ পৰা নিৰ্মিত চুটি ছবি ‘যোদ্ধা’

■ বাংগালুৰুৰ পৰা আনিলে কে’বাটাও বঁটা

**চেলেংহাট, ১ এপ্ৰিল ঃ** কৰ’না মহামাৰীৰ পটভূমিত চেলেংহাট হেল্থ ক্লাব’ৰ পৰা নিৰ্মিত ‘যোদ্ধা’ নামৰ চুটি ছবিখনে যোৱা ২৪ মাৰ্চত বাংগালুৰুত অনুষ্ঠিত টাৰ্গেট স্কাই ইন্টাৰনেছনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ কাহিনী, শ্ৰেষ্ঠ শিশু অভিনয় শিল্পী, শ্ৰেষ্ঠ চুটি ছবি আৰু শ্ৰেষ্ঠ পৰিচালককে আদি কৰি চাৰিটাকৈ বঁটা পাবলৈ সক্ষম হৈছে। ক’ভিড কালত চিকিৎসা কৰ্মীসকলে নিজৰ জীৱনটোক তুচ্চ জ্ঞান কৰি সমাজৰ প্ৰতি আগবঢ়োৱা সেৱাক মূল কাহিনী হিচাপে লৈ চেলেংহাটৰ বিশিষ্ট সমাজকৰ্মী তুষাৰ পালে ‘চেলেংহাট হেল্থ ক্লাব’ৰ বেনাৰত নিৰ্মাণ কৰা ‘যোদ্ধা’ নামৰ চুটি ছবিখনে ইতিপূৰ্বে যোৱা বৰ্ষৰ আঠ ডিচেম্বৰত মুম্বাইত অনুষ্ঠিত ‘গ্ৰেট ইণ্ডিয়ান চৰ্ট ফিল্ম ফেষ্টিভেল’ত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা পাবলৈ সক্ষম হৈছিল। ‘ যোদ্ধা’ চুটি ছবিখনৰ লগতে ছবিখনত কৰা সাৱলীল অভিনয়ৰ বাবে শিশু শিল্পী আদ্ৰিকা বৰা আৰু ছবিখনৰ প্ৰযোজক, পৰিচালক তথা কাহিনী-সংলাপকে আদি কৰি সামগ্ৰিক পৰিকল্পনা কৰা তুষাৰ পালে ছবিখনৰ যোগেদি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰসংশা লাভ কৰিবলৈ সক্ষম হৈছে।

## কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষক বিদায় সম্ভাষণ



অগ্ৰদূত বাৰ্তা
**কয়াকুছি, ১ এপ্ৰিল ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ আবুল বাসাৰে বিগত ১৯৮৫ৰ ১৫ ফেব্ৰুৱাৰীত বিদ্যালয়খনত চাকৰিত যোগদান কৰি সুদীৰ্ঘ ৩৭ বছৰ কাল বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰি আহিছিল। পিছে উপাধ্যক্ষ আবুল বাসাৰে অৱসৰ গ্ৰহণ কৰাত আজি তেওঁক কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা কলম, লাখুটি, এখন ফুলাম গামোচা আৰু ধৰ্মীয় গ্ৰন্থ, ছাতিৰে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰে। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষজনে নিজৰ বিদায়ী ভাষণত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাদানৰ ক্ষেত্ৰত যাতে ত্ৰুটি নকৰে তাৰ প্ৰতি সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি আহ্বান জনোৱাৰ লগতে বিদ্যালয়খনৰ সৰ্বাংগীণ উত্তৰণ কামনা কৰে। উক্ত বিদায়ী সম্ভাষণ অনুষ্ঠানত ক্ৰমে কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দেৱান নছিম উদ্দিন, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নজৰুল ইছলাম, অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে সিৰাজ খান আৰু বদৰ উদ্দিন আহমেদ, বিষয় শিক্ষক ক্ৰমে কমলজিৎ ভূঞা, নুৰ হুছেইন, বিষয় শিক্ষয়িত্ৰী স্বপ্নালি খাটনীয়াৰ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে উপস্থিত থাকি বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰে।

## বকুল উচ্চ মাধ্যমিক বিদ্যালয়ত কেৰিয়াৰ সজাগতা

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ বকুল উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি দিনজোৰা কাৰ্যসূচীৰে কেৰিয়াৰ সজাগতা সম্পৰ্কীয় এক কৰ্মশালা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী সুভদ্ৰা দত্তই আদৰণি জনোৱা এই কেৰিয়াৰ সজাগতা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা তত্ত্ব বিভাগৰ সহকাৰী প্ৰাধ্যাপক, নাট্যকাৰ প্ৰাঞ্জল বুঢ়াগোহাঁই। বিদ্যালয়খনৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত এই কৰ্মশালাৰ সমল ব্যক্তি ড° বুঢ়াগোহাঁয়ে বৰ্তমান সময়ত শিক্ষাৰ্থীসকলে নিজৰ জীৱনটো কিদৰে সজাই-পৰাই নিয়াৰ লগতে ভৱিষ্যতে নিজৰ লগতে সমাজৰ বাবে সেৱা আগবঢ়াব পাৰে সেই সম্পৰ্কে সুন্দৰকৈ তথ্য সহকাৰে ব্যাখ্যা কৰে।

## যোৰহাটত বিদ্যালয় সমন্বয় সংঘ গঠন

**চিনামৰা, ১ এপ্ৰিল ঃ** ঢেকিয়াজুলি তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত, অঞ্চলটোৰ প্ৰাৰ্শ্বৱতী প্ৰাৰ্থমিক বিদ্যালয়সমুহক সামৰি বিদ্যালয়সমুহৰ উত্তৰণ, বিভিন্ন সমস্যা সমাধানৰ লক্ষ্য আৰু উদ্দেশ্য কল্পে এখনি বিদ্যালয় সমন্বয় সংঘ সমিতি ২৮ মাৰ্চত তিতাৰাম বৰদলৈ বিদ্যালয়ত গঠন কৰা হয়। তদুপলক্ষে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈৰ পৌৰোহিতত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যাত সহকাৰী শিক্ষক বিমান শইকীয়াই নতুন শিক্ষানীতি অনুসৰি বিদ্যালয়সমুহৰ মাজত সমন্বয় ৰক্ষা, আদান-প্ৰদানৰ উদ্দেশ্যত সভা অনুষ্ঠিত কৰা হয়। উদ্দেশ্য ব্যাখ্যা সন্দৰ্ভত ক্ৰমে দক্ষিণ সোণাৰি প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী লাৱণ্য ভূঞা, কঁহাৰ গাঁও নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান প্ৰান্ত বৰদলৈ, কৰঙাখাট প্ৰাথমিক বিদ্যালয় প্ৰধান হেমন্ত বৰদলৈ, উজনি কঁহাৰ গাঁও প্ৰাথমিক বিদ্যালয় প্ৰধান বিপুল বৰা, বুৰুক বৰুৱা শিশু নিকেতন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান মামণি বৰাৰ লগতে জালুকনিবাৰী অঞ্চলৰ বিদ্যালয়সমুহৰ প্ৰধান শিক্ষকসকলে উদ্দেশ্য বাখ্যাৰ ওপৰত আলোকপাত কৰি সহমত আগবঢ়ায়। তদুপৰি সম্প্ৰতি চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাত শিক্ষকসকলে উদ্বেগ প্ৰকাশ কৰি বিভিন্ন সমস্যাৰ ওপৰত বক্তব্য দাঙি ধৰে আৰু সমন্বয় সংঘৰ যোগেদি বিদ্যালয়সমুহ উপকৃত হ’ব বুলি আশা প্ৰকাশ কৰে। উক্ত সভাৰ সিদ্ধান্ত মৰ্মে তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ক কাৰ্যালয়ৰূপে লৈ বিদ্যালয় সমন্বয় সংঘ ন-আলি ঢেকিয়াজুলি গঠন কৰা হয়। লগতে প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈক সমন্বয় সংঘৰ সভাপতি, উপ-সভানেত্ৰী মঞ্জু বৰা, লাৱণ্য ভূঞা, প্ৰধান সম্পাদক মন্টু বৰদলৈ, যুটীয়াভাৱে সহকাৰী সম্পাদক বিপুল বৰা, প্ৰান্ত বৰদলৈ, সমন্বয়ক হেমন্ত বৰদলৈ আৰু মঞ্জু বৰা, দীপালী বৰুৱাক সদস্যৰূপে লৈ সমন্বয় সংঘ গঠন কৰা হয়।

## চাহ শ্ৰমিক-প্ৰাক্তন শ্ৰমিকৰ প্ৰতিনিধি সভা

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১ এপ্ৰিল ঃ** চাহ জনগোষ্ঠীৰ এক অবিচ্ছেদ্য অংগ হ’ল জলহাসকল। জলহাসকলৰ জাতিগত প্ৰমাণপত্ৰ আৰু অস্তিত্ব ৰক্ষাৰ বাবে বিশ্বনাথৰ বলোডাঙা ৰংগমঞ্চত জলহাসকলক লৈ পৰহি অনুষ্ঠিত হয় এক প্ৰতিনিধি সভা। উক্ত সভাত সভাপতিত্ব কৰে চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক জলহা জাতি সন্মিলনী অসমৰ কেন্দ্ৰীয় সভাপতি হবিবুৰ ৰহমানে। উক্ত সভাত জলহাসকলক চাহ জনগোষ্ঠীৰ পৰা আঁতৰাবৰ বাবে এটা চক্ৰই অহৰ্নিশে অপচেষ্টা চলাই থকা বুলি মন্তব্য কৰে সংগঠনটোৰ সাধাৰণ সম্পাদক জিতু আহমেদে। সভাই বিশ্বনাথৰ জলহাসকলক আগবঢ়াই নিয়াৰ স্বাৰ্থত চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক জলহা জাতি সন্মিলনী অসমৰ বিশ্বনাথ জিলা সমিতি গঠন কৰে। নৱগঠিত সমিতিৰ সভাপতি হিচাপে ছাহাজামাল আনচাৰী আৰু সাধাৰণ সম্পাদক হিচাপে আকবৰ আনচাৰীক নিৰ্বাচিত কৰি ২১ জনীয়া সমিতি গঠন কৰা হয়।

## ডি কে ডি কলেজত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

অগ্ৰদূত বাৰ্তা
**বৰুৱাবামুনগাঁও, ১ এপ্ৰিল ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱ অহা তিনি এপ্ৰিলৰ পৰা ছয় এপ্ৰিললৈ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অনুষ্ঠিত হ’ব। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে ভাগ ল’ব লগা এই মহোৎসৱত সাহিত্য, সংস্কৃতি আৰু সুকুমাৰ কলাৰ লগত জড়িত বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ’ব। মহোৎসৱৰ কাৰ্যসূচী অনুসৰি, প্ৰথমদিনা বিয়লি প্ৰতিযোগীসকলৰ নাম পঞ্জীয়ন কৰা হ’ব। অহা তিনি এপ্ৰিলৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছত আনুষ্ঠানিকভাৱে প্ৰতিযোগিতা উদ্বোধনৰ লগতে স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ’ব। পুৱা ১১ বজাৰ পৰা প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। আনহাতে সন্ধিয়া একাংক নাটক প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। ইপিনে চাৰি আৰু পাঁচ এপ্ৰিলতো দিনৰ ভাগত অন্যান্য প্ৰতিযোগিতা আৰু সন্ধিয়া একাংক নাটক প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। অন্তিম দিনা সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা আৰু বিয়লি পুৰস্কাৰ বিতৰণেৰে মহোৎসৱৰ সামৰণি পৰিব।

## আঁচলৰ উদ্যোগত শিশু বিকলাংগতা বিষয়ক সজাগতা অভিযানৰ সামৰণি

বিশেষ সংবাদদাতা
**বৰপেটা, ১ এপ্ৰিল ঃ** ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সক্ষমতা বিভাগৰ অধীনস্থ এনআইইপিএমডিৰ দ্বাৰা উত্তৰ-পূৰ্বৰ অন্যতম বেচৰকাৰী সংস্থা আঁচলৰ উদ্যোগত শিশু বিকলাংগতাৰ তিনিটা বিশেষ বিষয়ৰ ওপৰত সজাগতা আৰু সচেতনতা অভিযানৰ আজি সামৰণি পৰে। ২৩ মাৰ্চত বৰপেটা জিলাৰ পাটবাউসী সত্ৰত ‘শিশু বিকলাংগতাৰ পুনঃসংস্থাপন’ শীৰ্ষক সজাগতা অভিযানত সত্ৰখনৰ চৌপাশৰ ডেৰশতাধিক আশাকৰ্মী, অংগনৱাড়ী সহায়িকা, বিশেষভাৱে সক্ষম বহু শিশুৰ পিতৃ-মাতৃ তথা বেচৰকাৰী সংগঠনৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে। একেদৰে ২৫ মাৰ্চত বৰপেটাৰ স্বেচ্ছাসেৱী সংগঠন ৰংঘৰ সাংস্কৃতিক গোষ্ঠীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ‘শিশু বিকলাংগতাৰ ব্যৱস্থাপনা’ শীৰ্ষক কাৰ্যসূচীটোত অতিথিৰূপে উপস্থিত থাকি বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হাই বিকলাংগতাৰ অধিকাৰৰ ওপৰত আলোকপাত কৰাৰ লগতে বৰপেটা মেডিকেল কলেজৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ ৰমেন তালুকদাৰে শিশু বিকলাংগতাৰ কাৰণ, চিকিৎসা আৰু সজাগতাৰ ওপৰত বিস্তৃত আলোকপাত কৰে। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত আছিল অকুপেচনেল থেৰাপীষ্ট মানসী দেৱী, ফিজিঅ’থেৰাপীষ্ট লিমা বৰুৱা আৰু চেন্নাইৰ এছ জয়কুমাৰ। সন্ধিয়া শিশুৰ এক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। যোৱা ২৭ মাৰ্চত কাৰ্যসূচীটোৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয় বৰপেটা জিলা হাউলীত। আঁচলৰ সভাপতি দিগন্ত দাসে আঁত ধৰা অনুষ্ঠানটোত সন্মানিত অতিথিৰূপে উপস্থিত থাকে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত খনিন্দ্ৰ নাথ দাস, ৱাৰ্ড মেম্বাৰ অঞ্জলি দেৱী চৌধুৰী, বিজেপিৰ জিলা সাধাৰণ সম্পাদিকা তথা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যা নিপা কলিতা আৰু জিলা সমাজ কল্যাণ বিষয়া নীলেশ্বৰ ৰয়। হাউলী সাহিত্য ভৱনত অনুষ্ঠিত ‘শিশু বিকলাংগতাৰ ক্ষেত্ৰত শীঘ্ৰ ব্যৱস্থা সম্পৰ্কীয় সজাগতা অভিযানটোত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে জ্যেষ্ঠ অকুপেচনেল থেৰাপীষ্ট সুনীল ৰামে।

## ৰঙিয়া উকীল সন্থাৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ১ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ উকীল সন্থাৰ বাৰ্ষিক সভাখন কালি ৰঙিয়া মহকুমাৰ ন্যায়িক দণ্ডাধীশ আদালতৰ উকীল সন্থাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। জ্যেষ্ঠ অধিবক্তা গৌতম কুমাৰ চক্ৰৱৰ্তী আৰু উকীল সন্থাৰ নিৰ্বাচন বিষয়া জয়ন্ত ডেকা, সহকাৰী নিৰ্বাচনী বিষয়া ফিৰোজ আলীৰ পৰিচালনাত অনুষ্ঠিত সভাত ৰঙিয়া মহকুমাৰ উকীল সন্থাৰ ২০২২-২৩ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। উকীল সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখনৰ সভাপতিৰূপে মকিব তালুকদাৰ, উপ-সভাপতি প্ৰসেনজিৎ ভৰদ্বাজ আৰু নজৰুল হক চৌধুৰী, সম্পাদক অচ্যুত কলিতা, সহকাৰী সম্পাদক আতিফুল হক আৰু মুছলিম উদ্দিন আহমেদ, কোষাধ্যক্ষ ৰেচমিনা ৰহমান, গ্ৰন্থাগাৰিকৰূপে ৰেখা কলিতাক মনোনীত কৰা হয়।

## ফুলগুৰিত কুকুৰা পোৱালি বিতৰণ-প্ৰশিক্ষণ



অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ১ এপ্ৰিল ঃ** ভাৰতীয় কৃষি গৱেষণা অনুষদৰ অন্তৰ্ভুক্ত অনুসূচিত জাতিৰ উপযোজনাৰ অধীনত যোৱা ২৯ মাৰ্চত নগাঁও জিলাৰ ফুলগুৰি গাঁৱৰ চপ্ত গৰাকী অনুসূচিত জাতিৰ যুৱক-যুৱতীৰ মাজত ‘কামৰূপা’ শীৰ্ষক উন্নত জাতৰ কুকুৰা পোৱালিৰ লগতে যাৱতীয় ঔষধ, খাদ্য, পানীৰ পাত্ৰ আৰু খাদ্যৰ পাত্ৰ বিতৰণৰ লগতে স্বাৱলম্বী কৰাৰ উদ্দেশ্যৰে এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানটো অসম কৃষি বিশ্ববিদ্যালয়ৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ভেষজ আৰু বিষক্ৰিয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° দুলাল চন্দ্ৰ ৰয়ৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ সহযোগত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ আঁত ধৰি কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ পশু বিজ্ঞান বিশেষজ্ঞ ড° অনিমেষ ডেকাই কৃষক সকলক ‘কামৰূপা’ শীৰ্ষক উন্নত জাতৰ কুকুৰা বহল পৰিসৰত পালন কৰিবলৈ উৎসাহ প্ৰদান কৰে। কৃষকক উদেশি ভাষণ প্ৰদান কৰি ড° দুলাল চন্দ্ৰ ৰয়ে ‘কুকুৰা পালন কৰি আত্মনিৰ্ভৰ আৰু উপাৰ্জন দুগুণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি ঔষধ বিভাগৰ সহকাৰী অধ্যাপিকা ড° দীপা লহকৰে কৃষকসকলক কুকুৰা পোৱালি যতন লোৱাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। ফুলগুৰি বজাৰৰ সমীপৰ ৰাজহুৱা মঞ্চত অনুষ্ঠিত অনুষ্ঠানত ফুলগুৰি পশু চিকিৎসা কেন্দ্ৰৰ পশু চিকিৎসক ডাঃ বিনয় বৰদলৈৰ লগতে ফুলগুৰি অঞ্চলৰ একাংশ কৃষক ৰাইজ উপস্থিত থাকে।

## ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত নতুন বৰ্ষৰ পাঠদান



অগ্ৰদূত বাৰ্তা
**দোতমা, ১ এপ্ৰিল ঃ** আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীস্থিত ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত নতুন বৰ্ষৰ পাঠদানৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, নিকেতনৰ প্ৰবেশ দ্বাৰৰ মুকলি কৰে নিকেতনৰ প্ৰধান আচাৰ্য জীৱন কৃষ্ণ পালে। সৰস্বতী-ওম-ভাৰতমাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি দেবাশীষ সাহাই। উক্ত অনুষ্ঠানত উপস্থিত থাকে নিকেতনৰ প্ৰধান আচাৰ্যৰ লগতে অইন অইন আচাৰ্য-আচাৰ্যাসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল আৰু অভিভাৱক-অভিভাৱিকাসকলক। উক্ত অনুষ্ঠানত উপস্থিত থাকি প্ৰধান আচাৰ্য জীবন কৃষ্ণ পালে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিক আমি আদৰণি জনোৱা বুলি কয়। তেওঁ পুণৰ কয় যে যদি বিভাগীয় কৰ্তৃপক্ষই একাদশ আৰু দ্বাদশ শ্ৰেণী খোলাৰ অনুমতি প্ৰদান কৰে তেন্তে আগন্তুক নতুন শিক্ষা বৰ্ষত কলা শাখাৰ একাদশ শ্ৰেণী ভাওৰাগুৰী শংকৰদেৱ শিশু নিকেতনত আৰম্ভ হ’ব।

## অসম চাহ কৰ্মচাৰী সংঘৰ পানীতোলা শাখাৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ১ এপ্ৰিল ঃ** আইএনটিউচিৰ স্বীকৃতিপ্ৰাপ্ত ট্ৰেড ইউনিয়ন অসম চাহ কৰ্মচাৰী সংঘৰ পানীতোলা শাখাৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অহা তিনি এপ্ৰিলত স্থানীয় চলিহা নগৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ৰ সমীপৰ বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হ’ব। উক্ত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতা। দিনৰ দুই বজাৰ পৰা অনুষ্ঠিতব্য উক্ত সভাত পানীতোলা শাখাৰ প্ৰতিখন চাহ বাগিচা গোটৰ সভাপতি/সম্পাদক/তথা কাৰ্যনিৰ্বাহক সদস্যসকলক উপস্থিত থাকিবলৈ অসম চাহ কৰ্মচাৰী সংঘৰ পানীতোলা শাখাৰ সম্পাদক জয়চন্দ্ৰ শইকীয়াই আহ্বান জনাইছে।

## নগাঁও অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ উদ্যোগত চিলাই মেচিন-পানী পাম্প বিতৰণ



বিশেষ সংবাদদাতা
**নগাঁও, ১ এপ্ৰিল ঃ** অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ উদ্যোগত আজি উদ্যমী মহিলাসকললৈ একোটাকৈ চিলাই মেচিন আৰু উদ্যমী কৃষকসকলৰ মাজত পানী পাম্প বিতৰণ কৰা হয়। উক্ত কাৰ্যসূচী আৰম্ভ কৰে অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাসে। বৰ্তমান যিহেতু মহিলাসকল বাপতিসাহোন ৰঙালী বিহুৰ এই বতৰত কাপোৰ বোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত জড়িত হৈ নিজকে স্বাৱলম্বিতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে তাৰ সমান্তৰালভাৱে ৰঙালী বিহুৰ লগত সংগতি ৰাখি মহিলাসকলক উদগনি দিবলৈ আজি এই কাৰ্যসূচী হাতত লোৱা হয় বুলি কয় অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ অধ্যক্ষ দাসে। ইয়াৰ পূৰ্বেও অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ তৰফৰ পৰা মহিলা তথা গোটসমূহলৈ চিলাই মেচিন, মুবাইল টেবেলট, সুতা, গ্ৰেছ চৌকা, প্ৰেছাৰকুকাৰ, চ’লাৰ প্লেনৰ বৰ্ড আদি বিতৰণ কৰিছে। উক্ত কাৰ্যসূচীত অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ পৰিদৰ্শক অভিজিৎ ফুকন, অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ সদস্য হীৰকজ্যোতি দাস, অনুপম দাস, প্ৰণৱ বৰদলৈ, প্ৰীতি দাস আদি উপস্থিত থাকে।

## সুবোধ বৰাৰ অষ্টম গ্ৰন্থ ‘খেলকেন্দ্ৰিক’ উন্মোচন

অগ্ৰদূত বাৰ্তা,
**বোকাখাত, ১ এপ্ৰিল ঃ** বোকাখাত জেদি, এছ,জি মহাবিদ্যালয়ৰ অধ্যাপক সুবোধ বৰাই কালি অৱসৰ গ্ৰহণৰ দিনাই পুৰতি সাহিত্য সভা ভৱনত বৰাৰ অষ্টমখন ক্ৰীড়া বিষয়ক গ্ৰন্থ ‘খেল কেন্দ্ৰিক’ উন্মোচন কৰা হয়। এই উপলক্ষে পুৰতি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈৰ সভাপতিত্বত সভাৰ আঁত ধৰে ড° অৰুণ বৰাই। উক্ত সভাত অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ বলোভদ্ৰ তামূলী, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বিশিষ্ট ক্ৰীড়া সাংবাদিক সুবোধমল্ল বৰুৱা, ক্ৰীড়া লেখক পবিত্ৰ গগৈ, প্ৰবীণ অভিনেতা হৰিপ্ৰসাদ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ডঃ বিভা বৰা, কাজিৰঙা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰিপ্ৰসন্ন ডেকা বৰুৱা আদি উপস্থিত থাকে। ‘খেলকেন্দ্ৰিক উন্মোচন কৰে সুবোধমল্ল বৰুৱা আৰু ড° বিভা বৰাই। সুবোধ বৰাক কে’বাটাও সংগঠন, ব্যক্তি আদিয়ে সম্বৰ্ধনা জনায়।

## ভিঠামহলৰ ঐতিহ্যমণ্ডিত কলীয়া গোসাঁই থান সংযোগী পথৰ জৰাজীৰ্ণ ৰূপ

■ জ্বলা-কলা খুৱাইছে ৰাইজক ■ শীঘ্ৰে পথছোৱা নিৰ্মাণৰ দাবী আছুৰ

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১ এপ্ৰিল ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৬ নম্বৰ খাতিকুছি গাঁও পঞ্চায়তৰ অঞ্চলাধীন ভিঠামহল অঞ্চল ১০০ বছৰ গৰকা ঐতিহ্য মণ্ডিত কলীয়া গোসাঁইৰ থানা সংযোগী পথ বছৰ বছৰ ধৰি পঞ্চায়তৰ আওতাত নপৰাত ৰাইজ আৰু দল - সংগঠন ক্ষুব্ধ হৈছে। দীৰ্ঘ বছৰ ধৰি বিধস্ত পথছোৱা জনপ্ৰতিনিধিৰ চকুত নপৰাত ভক্তপ্ৰাণ ৰাইজ, কৃষকসমাজে জ্বলা-কলা খাই আহিছে বুলি অভিয়োগ উত্থাপন কৰিছে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা নলবাৰী জিলা



ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক কংকন কলিতাই দীৰ্ঘদিন ধৰি স্থানীয় ৰাইজ, বৰাজোল আঞ্চলিক ছাত্ৰ সন্থা আদিয়ে পথছোৱা পুন নিৰ্মাণৰ বাবে দাবী জনাই আহিছে যদিও স্থানীয় পঞ্চায়ত, জনপ্ৰতিনিয়ে আজিলৈকে মুঠতে গুৰুত্ব প্ৰদান নকৰাত বাৰিষা পথছোৱা বোকা-পানীৰে একাকাৰ হৈ পৰাৰ লগতে খৰালি ধূলি-বালিৰে বিধ্বস্ত হৈ পৰে। ফলত পথছোৱাৰে অহা-যোৱা কৰাত মানুহৰ সমস্যাৰ সন্মুখীন হোৱাৰ উপৰি কৃষক সমাজ, ভক্তপ্ৰাণ ৰাইজ যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগি আহিছে। উল্লেখ্য যে ১৬ নম্বৰ খাতিকুছি গাঁও পঞ্চায়তে কিহৰ ৰহস্যত এই পথছোৱাত গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ আওতাত ধৰা নাই সেয়া বিভিন্ন মহলত চৰ্চাত হৈছে। কিন্তু পঞ্চায়তখনে ইয়াতকৈ অপ্ৰয়োজনীয় পথত লাখ লাখ টকা ধাৰ্য কৰি নামমাত্ৰ কাম কৰি চৰকাৰী ধন হজম কৰাত নামি পৰিছে বুলি ৰাজহুৱা অভিয়োগ দীৰ্ঘদিনীয়।

ইফালে, এই পথছোৱাৰ কাষতে নোনাপাৰৰ সমীপত অৱস্থিত অতিপুৰণি কলীয়া গোসাঁই থানখনো যাতায়াত-যোগাযোগৰ বাবে বহুখিনি পাছপৰি থাকিবলগীয়া হৈছে ।

## অৱসৰপ্ৰাপ্ত অধ্যাপিকাক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**হাজো, ১ এপ্ৰিল ঃ** হাজোৰ দমদমা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, প্ৰাক্তন ন’ডেল বিষয়া পৰিৱেশ বিদ্যা পাঠ্যক্ৰম, ড° ননীমা দাসক আজি বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে গোটৰ স্থায়ী সভাপতি অধ্যাপক বিৰাজ কুমাৰ দাসে। সভাখনত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুৰঞ্জন দাসে। অধ্যাপকগৰাকীয়ে ৩০ ৰো অধিক কাল মহাবিদ্যালয়ত শিক্ষকতা কৰি সফলতা লাভ কৰা বুলি কয়। উক্ত সভাত অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, কৰ্মচাৰী আদি উপস্থিত থাকে।

## নলবাৰীত গ্ৰাম্য কৃষি যান্ত্ৰিকৰণৰ সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১ এপ্ৰিল ঃ** নলবাৰীত আজি কৃষকক কৃষি কৰ্মত সহায়ক হোৱাকৈ বিনামূলীয়াকৈ গ্ৰাম্য কৃষি যান্ত্ৰিকৰণৰ সামগ্ৰী বিতৰণ কৰা হয়। সামগ্ৰীসমূহ জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ তিনিটা কৃষক আত্মসহায়ক গোটৰ মাজত বিতৰণ কৰা হয়। এই উপলক্ষে নলবাৰী কৃষি ভৱনত আয়োজিত এক অনুষ্ঠানত সামগ্ৰীসমূহ বিতৰণ কৰে নলবাৰীৰ অতিৰিক্ত উপায়ুক্ত সুস্বপ্না কাকতিয়ে। সামগ্ৰী বিতৰণ কৰি অতিৰিক্ত উপায়ুক্তগৰাকীয়ে যন্ত্ৰপাতিসমূহৰ সদব্যৱহাৰ কৰি কৃষি কৰ্মত মনপুতি লাগিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে উদ্দেশ্য ব্যাখ্যা কৰি নলবাৰী কৃষি বিভাগৰ কাৰ্যবাহী অভিযন্তা প্ৰতুল শৰ্মাই কৃষি বিভাগৰ এই অভিলাষী আঁচনি সন্দৰ্ভত আলোকপাত কৰে। সামগ্ৰী বিতৰণ অনুষ্ঠানটোত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া ড° মানসী চক্ৰৱৰ্তীয়ে কৃষকসকলক দিহা পৰামৰ্শ আগবঢ়ায়।

### ছমাহ ধৰি ব্যাপক বায়ু প্ৰদূষণ সৃষ্টি পথ নিৰ্মাণকাৰী সংস্থাৰ ঃ অতিষ্ঠ ৰাইজ

# অনুমতি নোলোৱাকৈ হট মিক্সিং প্লাণ্ট স্থাপন চামগুৰিত



অতিৰিক্ত সামগ্ৰী মূল্যবৃদ্ধিৰ প্ৰতিবাদত লখিমপুৰত আছুৰ প্ৰতিবাদ, শুকুৰবাৰে।

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১ এপ্ৰিল ঃ** নগাঁও জিলাৰ চামগুৰিৰ ভেলেউগুৰিত গংগাসাগৰ নামৰ চাৰিশাৰীযুক্ত ঘাইপথ নিৰ্মাণকাৰী কোম্পানীটোৱে অবৈধভাৱে জনবসতিপূৰ্ণ অঞ্চলত প্ৰদুষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অনুমতি নোলোৱাকৈ হট মিক্সিং প্লাণ্ট স্থাপন কৰি বায়ু প্ৰদুষণ সৃষ্টি কৰাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে গংগাসাগৰ নামৰ উত্তৰ প্ৰদেশৰ কোম্পানীটোৱে চামগুৰিৰ তেলিয়াগাঁৱৰ পৰা সোণাৰিবালিলৈকে ৩৭ নম্বৰ ঘাইপথছোৱাৰ চাৰিশাৰীযুক্ত পথ নিৰ্মাণৰ কাম পাইছে। সম্প্ৰতি কোম্পানীটোৱে ঘাইপথছোৱা নিৰ্মাণ কৰি আছে; কিন্তু কোম্পানীটোৱে জনস্বাস্থ্যৰ প্ৰতি আওকাণ কৰি ভেলেউগুৰিত ভয়াৱহ বায়ু প্ৰদুষণ সৃষ্টি কৰা এটা হট মিক্সিং প্লাণ্ট স্থাপন কৰি প্ৰদুষণ সৃষ্টি কৰা বুলি ৰাজহুৱা অভিযোগ উঠিছে। নিয়ম অনুযায়ী আলকতৰা গলাই শিল মিহলোৱা হট মিক্সিং প্লাণ্টটো স্থাপন কৰাৰ পুৰ্বে প্ৰদুষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ পৰা অনুমতি ল'ব লাগে। যোৱা ৩১ মাৰ্চত এই বিষয়ে 'দৈনিক অগ্ৰদূত'ত বাতৰি প্ৰকাশ হোৱাৰ পাছত এক সূত্ৰই সদৰী কৰা মতে, লক্ষ্মীস্থিত মুখ্য কাৰ্যালয় থকা জনৈক অনুৰাগ সিং মালাকানাধীন কোম্পানীটোৱে প্ৰদুষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ পৰা কোনো ধৰণৰ অনুমতি নোলোৱাকৈ হট মিক্সিং প্লাণ্টটো স্থাপন কৰিছে। উত্থাৰিত অভিযোগ মতে, বিগত বৰ্ষৰ নৱেম্বৰৰ পৰা ছমাহ ধৰি অবৈধভাৱে জনবসতিপূৰ্ণ অঞ্চলত উক্ত আলকতৰা গলাই শিল মিলোৱা যন্ত্ৰটো স্থাপন কৰি ব্যাপক ৰূপত মাজনিশালৈকে প্ৰদুষণ সৃষ্টি কৰি আছে। যন্ত্ৰটোত গলোৱা আলকতৰাৰ পৰা ওলোৱা ক'লা ধোঁৱা আৰু অকটা গোন্ধ আৰু শিলৰ গুৰিয়ে ভেলেউগুৰি অঞ্চলত ব্যাপক ৰূপত বায়ু প্ৰদুষণ সৃষ্টি কৰিছে বুলি অভিযোগ উঠিছে। অঞ্চলটোৰ গৰিষ্ঠসংখ্যক লোকে ঘন ঘনকৈ শ্বাস- প্ৰশ্বাস কৈ ল'ব লগা অৱস্থাৰ সৃষ্টি হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে আলকতৰা গলাই শিল মিহলোৱা হট মিক্সিং প্লাণ্টটোৰ কাষতে আছে ভেলেউগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, এটা পুথিভঁৰাল, এটা অংগনৱাড়ী কেন্দ্ৰ, পঞ্চায়ত কাৰ্যালয়, জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, ভেলেউগুৰি উপ-স্বাস্থ্য কেন্দ্ৰ, দোকান, ধাবা তদুপৰি চাৰিওকাষে আছে মানুহৰ ঘৰ। এনে এক ১৩ পৃষ্ঠাত চাওক

## মৰাঙিত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ, ছাত্ৰ মুক্তিৰ



অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১ এপ্ৰিল ঃ** ৰাজ্যখনত এতিয়া মূল্যবৃদ্ধিয়ে জনসাধাৰণৰ মাজত এক বৃহৎ সমস্যাৰূপে দেখা দিছে। এই মূল্যবৃদ্ধি ৰোধ কৰাত ব্যৰ্থ হোৱা চৰকাৰৰ বিৰুদ্ধে আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি মৰাঙি আঞ্চলিক সমিতিয়ে মৰাঙিৰ পোৱাবাংলাৰ ৩৯ ঘাইপথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি ঘাইপথত চোঁচৰাই লৈ প্ৰতিকৃতি দাহ কৰি বিভিন্ন শ্ল'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত কাৰ্যসূচীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পিন্টু গগৈয়ে কয় যে বিজেপি চৰকাৰখন এখন শোষণকাৰী চৰকাৰলৈ পৰিণত হৈছে। নিৰ্বাচনৰ সময়ত মূল্যবৃদ্ধি হ্ৰাস কৰিব বুলি প্ৰতিশ্ৰুতি দিয়া চৰকাৰে ৰাইজক মূল্যবৃদ্ধিৰ জৰিয়তে লুণ্ঠন কৰিবলৈ আৰম্ভ কৰিছে যাৰ জৰিয়তে বিজেপি চৰকাৰৰ মিথ্যাচাৰ আৰু শোষণকাৰী স্বভাৱ প্ৰতিফলিত হৈছে। যদিহে শীঘ্ৰেই আলু, পিঁয়াজ, মিঠাতেল, শাক-পাচলি আদি সকলো অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ লগতে ঔষধ, পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছ, ৰড, চিমেণ্ট আদি দৈনন্দিন প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰীৰ মূল্য হ্ৰাস নকৰে তেন্তে অনাগত দিনত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদ অধিক ১৩ পৃষ্ঠাত চাওক

## মিছামাৰীত ম্যাদী পট্টাৰ মাটি বেদখল মুক্ত

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১ এপ্ৰিল ঃ** শোণিতপুৰৰ মিছামাৰীত ম্যাদী পট্টাৰ মাটি বেদখল মুক্ত হ'ল। যোৱা ২৯ মাৰ্চত এক্সকেভেটৰ, ট্ৰেক্টৰ লৈ নিজৰ সাত বিঘা মাটি বেদখলমুক্ত কৰিলে মাটিৰ গৰাকীয়ে। অবৈধভাৱে বেদখল কৰা সাত বিঘা ম্যাদী পট্টাৰ মাটি নিজেই কৰিলে বেদখলমুক্ত। অবৈধভাৱে বেদখল কৰি কৰা ধানখেতি সেউজীয়া আৰু লহপহকৈ বাঢ়িবলৈ ধৰাৰ সময়তে ধানখিনিৰ ওপৰত ট্ৰেক্টৰ আৰু এক্সকেভেটৰ চলাই সম্পূৰ্ণ নষ্ট কৰি মাটিৰ গৰাকীয়ে নিজৰ দখলত লয় মাটি। উল্লেখ্য যে মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ ধানমৰা গাঁৱৰ নিৱাসী আব্দুল জলিলৰ নামত থকা চাৰি নম্বৰ লাটৰ ১১ নম্বৰ পট্টাৰ ১৫২ দাগৰ শালিতলি-লাহিতলিৰ কৃষিভূমিৰ ভিতৰত সাত বিঘা কৃষিভূমি একেখন গাঁৱৰে সুৰজ আলীয়ে ছয় বছৰ আগতে আধি খেতি কৰিবলৈ লৈছিল। দৰিদ্ৰ কৃষক লোকজনৰ দুখ বুজি মাটিৰ স্বত্বাধিকাৰী আব্দুল জলিলে ভূমিখিনিত খেতি কৰিবলৈ অনুমতি দিছিল। দুবছৰ আধি খেতিৰ এটা ভাগ তথা ধান সুৰজ আলীয়ে আব্দুল জলিলক দিছিল যদিও বিগত চাৰি বছৰে বছৰি ধান আদায় নিদিলে। কৃষকজনে কৃষিভূমিখিনি লাহে লাহে নিজৰ দখলত ল'বলৈ অহৰহ চেষ্টা কৰি ১৩ পৃষ্ঠাত চাওক

## বিদ্যালয়ৰ শৈক্ষিক ক্ষতি-মূল্যায়নৰ পৰ্যালোচনা

■ টিংখাঙৰ পোৱালি পথাৰ প্ৰাথমিক বিদ্যালয়ত ৰাজহুৱা সভাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**টিংখাং, ১ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ জয়পুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত টিংখাঙৰ দুই নম্বৰ গড়গুৰিস্থিত পোৱালি পথাৰ প্ৰাথমিক বিদ্যালয়ত যোৱা ৩১ মাৰ্চত বিদ্যালয়ৰ অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ উপস্থিতিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিগত বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ ওপৰত পৰ্যালোচনা, নতুন শিক্ষাবৰ্ষৰ বিদ্যাৰম্ভ উৎসৱ, নামভৰ্তিকৰণ, ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক, সহবিদ্যায়তনিক উত্তৰণৰ সন্দৰ্ভত আলোচনা, নতুন বৰ্ষৰ কৰ্ম আঁচনি, পৰিকল্পনা, আগন্তুক গুণোৎসৱ, বিদ্যালয়ৰ বিগত আন্তঃগাঁথনি, অন্যান্য অনুদানৰ হিচাপ দাখিলৰ উপৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ সন্দৰ্ভত আয়োজন কৰা ৰাজহুৱা সভাত সভাপতিত্ব কৰে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ পৰা অলপতে বঁটা লাভ কৰা আদৰ্শ কৃষক জয়দত কোঁৱৰে। বিদ্যলয়ৰ প্ৰধান শিক্ষক অজিত গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীতেৰে সভা উদ্বোধন কৰে। বিগত কৰ'না মহামাৰী কালছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষতি আৰু মূল্যায়নৰ ফলাফলৰ ১৩ পৃষ্ঠাত চাওক

## গ্ৰন্থই কল্পনাশক্তি-নিয়মানুবৰ্তিতা অটুট ৰখাত সহায় কৰে

■ সাংবাদিক অৰুণ দত্তৰ সোঁৱৰণত মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ অঞ্জনা দত্তৰ বৃহৎসংখ্যক গ্ৰন্থ দান



**যোৰহাট, ১ এপ্ৰিল ঃ** আজি যোৰহাট মহাবিদ্যালয়ৰ আলোচনাকক্ষত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা স্বপ্নাজ্যোতি বৰাই। সভাখনত অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ কৃষি উপদেষ্টা তথা বিশিষ্ট ক্ৰীড়া সংগঠক ড° তপন দত্ত আৰু প্ৰয়াত ৰাজেন শৰ্মা আৰু অঞ্জু শৰ্মাৰ পুত্ৰ, বৰ্তমান জাৰ্মানীৰ ৰুৰ বিশ্ববিদ্যালয়ত গৱেষণা সহায়কৰূপে কৰ্মৰত ড° বিক্ৰম শৰ্মা আৰু দুয়োটা পৰিয়ালৰ উপৰি কলেজ পৰিয়ালৰ বহুসংখ্যক লোক উপস্থিত থাকে। ড° দত্তই তেওঁৰ ভাষণত ভ্ৰাতৃ প্ৰয়াত অৰুণ দত্তৰ বিষয়ে ব্যাখ্যা কৰে। প্ৰয়াত অৰুণ দত্ত আছিল এজন বিশিষ্ট সাংবাদিক, কে'বাখনো কাকতৰ সম্পাদক, যোৰহাট মহাবিদ্যালয়ৰ 'জেচিয়ান' আলোচনীৰ প্ৰথমজন সম্পাদক, গুৱাহাটীৰ ১৩ পৃষ্ঠাত চাওক

## নগাঁৱত অবৈধ কাঠফলা কল জব্দ



বিশেষ সংবাদদাতা

**নগাঁও, ১ এপ্ৰিল ঃ** আজি নগাঁও বন সংমণ্ডল বিষয়াৰ নিৰ্দেশ মৰ্মে নগাঁও আঞ্চলিক বন বিষয়াৰ নেতৃত্বত আৰু বন পালকৰ সহযোগত যোৱা বন বিভাগৰ এটা অভিযানকাৰী দলে নগাঁও জিলাৰ বেলতলি অঞ্চলত অভিযান চলাই দুটাকৈ অবৈধ কাঠফলা কল জব্দ কৰে। বন বিভাগৰ সূত্ৰই উল্লেখ কৰে বেলতলি অঞ্চলৰ আব্দুল মতিন আৰু আব্দুল লতিফ নামৰ লোক দুজনে পৃথকে- পৃথকে অবৈধভাৱে কাঠফলা কল স্থাপন কৰি দীৰ্ঘদিনৰ পৰা চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছিল। উক্ত কল দুটা যন্ত্ৰাংশসমূহ জব্দ কৰি নগাঁও বন বিভাগৰ কাৰ্যালয়লৈ লৈ আহে। অৱশ্যে বন বিভাগে কোনো লোকক আটক কৰিবলৈ সক্ষম হোৱা নাই। অভিযানৰ সময়ত বন বিভাগৰ লোকে কল দুটাৰ পৰা কিছু পৰিমাণৰ চোৰাং চেগুন কাঠো জব্দ কৰিবলৈ সক্ষম হয়।

## সম্ভাৱ্য বান পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ সাজু নাজিৰা মহকুমা প্ৰশাসন

মহকুমা পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠক



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১ এপ্ৰিল ঃ** নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা মহকুমা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া সব্যসাচী কাশ্যপৰ অধ্যক্ষতাত আজি মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত মহকুমা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত নাজিৰা মহকুমাৰ সম্ভাৱ্য বানপানীৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনৰ লগতে বিভিন্ন বিভাগৰ প্ৰস্তুতি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে ১৩ পৃষ্ঠাত চাওক

## টীয়কত পিষ্টলধাৰী যুৱকৰ উদ্ভণ্ডালি ঃ গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা

**জাঁজী, ১ এপ্ৰিল ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত হাঁহচৰাৰ জিতু গগৈ নামৰ ব্যক্তিজনৰ লগতে তেওঁৰ পুত্ৰক বিনা কাৰণত মাৰধৰ কৰি পিষ্টল দেখুৱাই প্ৰাণে মৰাৰ ভাবুকি প্ৰদানৰ অভিযোগত হাঁহচৰাৰ বিতুপন কলিতা নামৰ এজন যুৱকক পিষ্টলসহ টীয়ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি জেললৈ প্ৰেৰণ কৰিছে। জিতুৰ অভিযোগৰ ভিত্তিৰ ৯১/২২ নম্বৰত গোচৰ ৰুজু কৰি টীয়কৰ আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। অভিযুক্ত বিতুপনে পিষ্টলটো ডিমাপুৰৰ এজন বন্ধুৱে তেওঁক থ'বলৈ দিছিল বুলি প্ৰকাশ কৰাৰ লগতে সুৰাপানৰ ফলতেই এই ঘটনা সংঘটিত হৈছিল বুলি স্বীকাৰ কৰিছে। আৰক্ষীয়ে ইতিমধ্যে বিতুপনৰ মটৰ চাইকেলখন জব্দ কৰিছে।

## মাৰ্ঘেৰিটাত ডেম' ৰেলৰ খুন্দাত যুৱক নিহত

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা থানাৰ অন্তৰ্গত মাৰ্ঘেৰিটাৰ দিহিং চাহ বাগিচৰ সমীপৰ চাইদিঙত আজি পুৱাই সংঘটিত হয় এক ৰেল দুৰ্ঘটনা। দুৰ্ঘটনাটোত প্ৰাতঃ ভ্ৰমণৰ বাবে যোৱা এজন যুৱকক ৰেলে মহটিয়াই নিয়াৰ ফলত থিতাতে নিহত হয় যুৱকজন। উল্লেখ্য যে পুৱা ৬-৩০ মান বজাত লিডুৰ পৰা ডিব্ৰুগড়লৈ বুলি যোৱা ডেম' ৰেলখনে মাৰ্ঘেৰিটা ৰেল ষ্টেছনৰ সমীপৱৰ্তী দিহিং চাহ বাগিচা নতুন লাইনৰ নিবাসী প্ৰেম বাহাদুৰ ছেত্ৰীৰ পুত্ৰ দীপক ছেত্ৰীক মহটিয়াই নিয়াৰ ফলত যুৱকজন থিতাতে নিহত হয়। স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি প্ৰায় ২১ বছৰীয়া যুৱকজন পুৱা প্ৰাতঃভ্ৰমণত ওলাই গৈছিল আৰু ৰেল লাইনেৰে ম'বাইলত কথা পাতি গৈ থকা অৱস্থাত ডিব্ৰুগড়মুখী ডেম' ট্ৰেইনখনে মহটিয়াই নিয়াৰ ফলত দীপকৰ থিতাতে মৃত্যু হয়। ইতিমধ্যে ঘটনাস্থলীত ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি তিনিচুকীয়ালৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

## হাউলীত বাৰ্তাজীৱী সংঘৰ বৰপেটা জিলা অধিবেশন সতীৰ্থ সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাউলী, ১ এপ্ৰিল ঃ** বৰপেটা জিলা 'বাৰ্তাজীৱী সংঘ'ৰ প্ৰথম অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে হাউলীৰ ইটাৰভিটাস্থিত ছাবলাইম একাডেমীত সম্পন্ন হয়। পুৱা ১১ বজাত অসম বাৰ্তাজীৱী সংঘৰ পতাকা উত্তোলন কৰে সংঘৰ ৰাজ্যিক সভাপতি টুটুমনি ফুকনে। পুৱা ১১.১৫ বজাত ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে সাংবাদিক জাহিদুল ইছলামে। আনহাতে, দুপৰীয়া ১২ বজাত বিবি কিষাণ কলেজ, জালাহৰ অধ্যাপক তথা প্ৰবীণ সাংবাদিক ড° দেৱান নজৰুল কাদিৰৰ সভাপতিত্বত সাংবাদিক সতীৰ্থ সন্মিলন আৰু মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাজ্যিক সভাপতি টুটুমনি ফুকনে বাৰ্তাজীৱী সংঘৰ ইতিহাস আৰু সংবিধান প্ৰদত্ত নিয়ম-নীতি সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মাই সাংবাদিকসকলৰ দায়িত্ব, কৰ্তব্য আৰু সংঘই কৰি অহা কাৰ্য প্ৰণালী সম্পৰ্কে ব্যাখ্যা কৰে। অনুষ্ঠানত সন্মানীয় অতিথিৰ আসন অলংকৃত কৰি বাৰ্তাজীৱী সংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মধুসূদন মেধি আৰু অসম বাৰ্তাজীৱী সংঘৰ সাংগঠনিক সম্পাদক কিশোৰ জ্যোতি শৰ্মাই শক্তিশালী বৰপেটা জিলা বাৰ্তাজীৱী সংঘৰ সমিতিখন গঠন কৰিব লাগে বুলি কয়। আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে অসম বাৰ্তাজীৱী সংঘৰ উত্তৰ-পূব মণ্ডলৰ উপ-সভাপতি প্ৰকাশ ডেকা আৰু ছাবলাইম একাডেমীৰ উপাধ্যক্ষ হেলাল উদ্দিন আহমেদে। উক্ত সভাত কয়াকুছিৰ সাংবাদিক ছাহেদ আলী আহমেদক সভাপতি, সৰভোগৰ সাংবাদিক অপূৰ্ব অধিকাৰীক কাৰ্যকৰী সভাপতি, কলগাছিয়াৰ সাংবাদিক ৰকিবুল হাছান আৰু সৰ্থেবাৰীৰ সাংবাদিক গুণজিৎ চৌধুৰীক উপ-সভাপতি, কলগাছিয়াৰ সাংবাদিক জাহিদুল ইছলামক সাধাৰণ সম্পাদক, বৰপেটাৰ সাংবাদিক গীতাঞ্জলী শৰ্মাক ১৩ পৃষ্ঠাত চাওক

## সকলো অংশীদাৰৰ অন্তৰ্ভুক্তিৰে বহনক্ষম শক্তি উৎপাদন এনটিপিচিৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১ এপ্ৰিল ঃ** ৭৫০ মেগাৱাট উৎপাদন কৰা কোকৰাঝাৰ জিলাৰ ছালেকাটিত থকা এনটিপিচিয়ে ইয়াৰ সকলো অংশীদাৰৰ সামগ্ৰিক অন্তৰ্ভুক্তিৰে বহনক্ষম শক্তি উৎপাদন কৰি আহিছে। কালি এক মত বিনিময় কাৰ্যসূচীত এনটিপিচিৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত মণ্ডলৰ নেতৃত্বত এনটিপিচিৰ জ্যেষ্ঠ পৰিচালন মণ্ডলীয়ে ষ্টেছনটোৰ বিভিন্ন কাৰ্যকৰী আৰু প্লাণ্ট প্ৰদৰ্শনৰ আলোকপাতেৰে বক্তব্য আগবঢ়ায়। কাৰ্যবাহী সঞ্চালক মণ্ডলে কয় যে ২০২১ সকলো ক্ষেত্ৰতে অধিক সফলতা লাভ কৰা হয় আৰু ষ্টেছনটোত বিগত বৰ্ষৰ ১৮ মাৰ্চত তিনিটা ইউনিট আৰম্ভণিৰে পৰা উৎপাদনৰে প্ৰথমবাৰৰ বাবে দৈনিক এশ শতাংশৰো অধিক পিএলএফত উপনীত হৈছিল। ২০২১ত সকলো ক্ষেত্ৰতে অধিক সাফল্যৰ বছৰ আছিল। যোৱা ৩০ মাৰ্চলৈকে ষ্টেছনটোৱে ৬৩.৯ শতাংশ পিএলএফ আৰু ৯২.৭ শতাংশ উপলব্ধতাৰে ৪১৮৬ নিযুত ইউনিট উৎপাদন কৰে। ষ্টেছনটোৱে তদুপৰি ২০২১ৰ এপ্ৰিলত ইয়াৰ সৰ্বাধিক ৭৫.৮৬ শতাংশ মাহিলি পিএলএফ স্ক'ৰ অৰ্জন কৰে। ষ্টেছনটোৱে ২০২১ৰ জুলাইত সৰ্বনিম্ন ০.১২ মিলি/কিলোৱাট ঘণ্টা মাহিলী নিৰ্দিষ্ট তেল ব্যৱহাৰৰ লক্ষ্যত উপনীত হয়। ছাই ব্যৱহাৰৰ ক্ষেত্ৰত ষ্টেচনটোৱে চলিত বৰ্ষৰ যোৱা ২৯ মাৰ্চলৈকে সৰ্বাধিক ২২৯৭.০৪ মেট্ৰিক টন দৈনিক ছাই ব্যৱহাৰ আৰু মাৰ্চত সৰ্বাধিক ৫২,৫৯১ মেট্ৰিকটন মাহিলি ছাই ব্যৱহাৰৰ লক্ষ্যত উপনীত হয়। ২০২১ৰ সাত নৱেম্বৰত শ্ৰম ১৩ পৃষ্ঠাত চাওক

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসালয়ত স্বচ্ছতা পষেক অভিযান

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১ এপ্ৰিল ঃ** তেজপুৰ স্থানীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানত আজিৰে পৰা আৰম্ভ কৰা হৈছে স্বচ্ছতা পষেক অভিযান। এই অভিযানৰ আৰম্ভ কৰে প্ৰতিষ্ঠানৰ সঞ্চালক ডাঃ শৈলেন্দ্ৰ কুমাৰ দেউৰীয়ে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ স্বচ্ছতা অভিযানৰ অংশৰূপে এই চিকিৎসা প্ৰতিষ্ঠানে বিগত দুটা বছৰে কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। আজি আয়োজিত আৰম্ভণি অনুষ্ঠানত হাত ধোৱা, জাবৰ নিষ্কাসন, প্লাষ্টিক সামগ্ৰীৰ নিষ্কাসন প্ৰক্ৰিয়া, চেনিটেৰী পেডৰ ব্যৱহাৰ আদিৰ বিষয়ে আলোচনাৰ লগতে প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলৰ দ্বাৰা স্বেচ্ছামূলক শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ উপৰি স্বচ্ছতা সজাগতা বিষয়ক পুস্তিকা বিতৰণ, চিকিৎসালয়ৰ বহিঃবিভাগত কৰ্মৰত পৰিচাৰ্য কৰ্মচাৰীক প্ৰশিক্ষণ প্ৰদানকে ধৰি বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰা হয়। অহা ১৫ এপ্ৰিলত অনুস্থিতব্য সামৰণি অনুষ্ঠানত বিভিন্ন দিশৰ পুৰস্কাৰ প্ৰদানকে ধৰি চলিত পষেকটোত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই উপলক্ষে আজি এক শপত গ্ৰহণ কাৰ্যসূচীও সম্পন্ন হয়।

## দেৰগাঁৱত ছাত্ৰ সন্থাৰ মুকলি বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১ এপ্ৰিল ঃ** দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰত ছাত্ৰ সন্থাই মুকলি বিহুৰ আয়োজন কৰিছে। দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগ আৰু দেৰগাঁওবাসী ৰাইজৰ সহযোগত বিগত আঠবছৰে ব্যতিক্ৰমী ৰূপত অনুষ্ঠিত কৰি অহা নৱম বাৰ্ষিক মুকলি বিহু অনুষ্ঠানটো এইবাৰ ১৭ এপ্ৰিল'ত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ইতিমধ্যে ডাঃ গুণোত্তম বৰাক সভাপতি, শিৰোমণি মহন্তক কাৰ্যকৰী সভাপতি, দুষ্মন্ত মাধৱ দত্ত আৰু ৰিমাংকু শইকীয়াক সম্পাদকৰূপে লৈ পৰিচালনা সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিয়ে উল্লেখ কৰা মতে, মুকলি বিহু উপলক্ষে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ 'বৰগছ' উন্মোচন কৰিব আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ গুণোত্তম বৰাই বিহু পতাকা উত্তোলন আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ছগীৰ আহমেদে ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছত ছহিদ তৰ্পণ কৰিব সম্পাদক দুষ্মন্ত মাধৱ দত্তই। কাৰ্যকৰী সভাপতি শিৰোমণি মহন্তই গছপুলি ৰোপণৰ পাছত হুঁচৰি আৰু বিহু প্ৰদৰ্শিত হ'ব। ইয়াৰ পাছতে বিহুৰ পৰম্পৰাৰ আধাৰত শতাধিক বৰ্ষীয়ান লোকক বিহুৰ সেৱা জনাই অতীত ৰোমন্থনেৰে সেৱা অনুষ্ঠান আৰু সমূহীয়াভাৱে জলপান গ্ৰহণ কৰা হ'ব। দুপৰীয়া মুকলি বিহু উদ্বোধন কৰিব এন আৰ এলৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে।

## আজিৰে পৰা আৰম্ভ হ'ব মৰিয়নিৰ শংকৰদেৱৰ কীৰ্তনঘৰৰ মহাৰজত জয়ন্তী




অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ এপ্ৰিল ঃ** মৰিয়নিৰ 'বুঢ়া নামঘৰ' নামেৰে জনাজাত শ্ৰীশ্ৰীশংকৰদেৱৰ কীৰ্তনঘৰৰ প্ৰতিষ্ঠাৰ ৭৫ বছৰত উপলক্ষে আয়োজন কৰা হৈছে। মহাৰজত জয়ন্তী উৎসৱ কাইলৈৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰ্ষজোৰা কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। এই উপলক্ষে আজি শ্ৰীশ্ৰীশংকৰদেৱৰ কীৰ্তনঘৰৰ অতিথি গৃহত অনুষ্ঠিত এক সংবাদমেলত এই সম্পৰ্কে উল্লেখ কৰে শ্ৰীশ্ৰীশংকৰদেৱৰ কীৰ্তনঘৰ পৰিচালনা সমিতিৰ সভাপতি পৰেশ বৰুৱা আৰু সম্পাদক অধ্যাপক বসন্ত বৰাই। ১৯৪৮ত স্থাপন কৰা তেতিয়াৰ শংকৰ মন্দিৰ আজিৰ শ্ৰীশ্ৰী শংকৰদেৱৰ কীৰ্তনঘৰ নামেৰে জনাজাত হ'ল। এই শ্ৰীশ্ৰীশংকৰদেৱৰ কীৰ্তনঘৰ সমগ্ৰ অঞ্চলটোৰে অন্যতম পুৰণি ধৰ্মীয় অনুষ্ঠান। অহা দুই এপ্ৰিলৰ মহাৰজত জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ আৰম্ভণি অনুষ্ঠানত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, নিমন্ত্ৰিত শিল্পীৰ দিহানাম পৰিবেশনৰ লগতে সম্প্ৰীতিৰ শোভাযাত্ৰা শীৰ্ষক এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ উলিওৱা হ'ব। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই এই শোভাযাত্ৰা উদ্বোধন কৰিব। আনহাতে, দ্বিতীয় দিনা যোৰহাট ৰংদৈৰ পটিয়ৰী সত্ৰৰ বিষ্ণু দেৱ গোস্বামীৰ দ্বাৰা পৰিবেশিত নাম প্ৰসংগৰে কাৰ্যসূচী আৰম্ভ হ'ব। নিশালৈ যোৰহাটৰ পাঞ্চজন্য নাট্যগোষ্ঠীৰ দ্বাৰা ভাওনা 'নৃসিংহ অৱতাৰ' প্ৰদৰ্শন কৰা হ'ব। উল্লেখ্য যে যোৰহাটৰ বৃন্দাবন নাট্যগোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ এক অংশৰূপে এই ভাওনা প্ৰদৰ্শিত হ'ব। তদুপৰি মহাৰজত জয়ন্তী উপলক্ষে একাধিক স্থায়ী নিৰ্মাণ কাৰ্যও উদ্যোক্তাসকলে হাতত লৈছে বুলি। আনহাতে, সংবাদমেলৰ যোগেদি বৰ্ষজোৰা কাৰ্যসূচীকো অৱগত কৰে উদ্যোক্তাসকলে। সমগ্ৰ বৰ্ষটোত ধৰ্মীয় আলোচনাচক্ৰ, বক্তৃতানুষ্ঠান, বিভিন্ন বিষয়ৰ সাংস্কৃতিক কৰ্মশালা, শিশু সমাৰোহ, যুৱ সমাৰোহ, আই ১৩ পৃষ্ঠাত চাওক

## বৰছলা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তীৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ১ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ দক্ষিণ বৰছলা হাইস্কুল খেলপথাৰত অহা ১৫ এপ্ৰিলৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে বৰছলা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা সাত বজাত বিহুৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ডিম্বেশ্বৰ দাসে। ইয়াৰ পাছত পতাকা উত্তোলনস্থালীত আন ৫০ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০ খন পতাকা উত্তোলন কৰা হ'ব। আনহাতে, পুৱা আঠ বজাত জ্যেষ্ঠসকলৰ পৰা সমূহীয়া আৰ্শীবাদ গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা ৮.৪৫ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰিব শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকে মনোজ দাসে। ইয়াৰ পাছত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন অনুষ্ঠান হ'ব। আনহাতে বন্তি প্ৰজ্বলন কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি উমাকান্ত ডেকাই আৰু মাল্যাৰ্পণ কৰিব সমাজকৰ্মী হেমন্ত অধিকাৰীয়ে। তদুপৰি পুৱা ন বজাত সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব অভিনেত্ৰী চেতনা দাসে। দ্বিতীয় দিনা পুৱা ন বাজত এহেজাৰ গছপুলি ৰোপণ হ'ব। গছপুলি ৰোপণ মুকলি কৰিব বন বিভাগৰ গৱেষক বিষয়া ডাঃ গোপাল ছেত্ৰীয়ে। দিনৰ ১১ বজাত অনুষ্ঠানত বন্যপ্ৰাণী আৰু পৰিৱেশ বিষয়ক আলোচনাচক্ৰত শোণিতপুৰৰ বন প্ৰাধিকাৰী বিষয়া নিপেন্দ্ৰনাথ কলিতা, আঞ্চলিক বন বিষয়া দিব্যজ্যোতি দেউৰী, প্ৰকৃতিপ্ৰেমী দিলীপ নাথ, অনুপম শৰ্মা, হিতেন বৈশ্য আৰু ডেভিড স্মিথে আলোচকৰূপে অংশগ্ৰহণ কৰিব। তৃতীয় দিনা পুৱা ন বজাত ভেকচন প্ৰতিযোগিতা আৰু দিনৰ দুই বজাত বহুভাষিক কবি সন্মিলন অনুষ্ঠিত কৰা










# অসমৰ বাহিৰলৈ যাব বৰদলৈ ট্ৰফী

## ফাইনেলত দিল্লী-নগালেণ্ড পুলিচ ঃ লীগ পৰ্বৰ চমক দেখুওৱাত ব্যৰ্থ হ'ল শিলচৰ

**গুৱাহাটী, ১ এপ্ৰিল ঃ** দীৰ্ঘদিনৰ পাছত অসমৰ বাহিৰলৈ যাব বৰদলৈ ট্ৰফী। চলিত ৬৮সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবলৰ ফাইনেলত উপনীত হৈছে দিল্লী এফচি আৰু নগালেণ্ড পুলিচ। অহা তিনি এপ্ৰিলত দল দুটাই নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত খিতাপ জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব।

আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ছেমিফাইনেলত দিল্লীয়ে ইউনাইটেড চিৰাং দুৱাৰ এফচিক ৪-০ গ'লত বিধ্বস্ত কৰাৰ পৰিৱৰ্তে আনখন ছেমিফাইনেলত নগালেণ্ড পুলিচে ইণ্ডিয়া ক্লাব শিলচৰক ১-০ গ'লত পৰাজিত কৰে। উল্লেখ্য যে গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত ৰাজ্যৰ সবাতোকৈ ঐতিহ্যমণ্ডিত ফুটবল প্ৰতিযোগিতাখনৰ ছেমিফাইনেল দুখন এইবাৰ একেখন ষ্টেডিয়ামতে একেলগে অনুষ্ঠিত কৰা হৈছে। ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পত থকা নেহৰু ষ্টেডিয়ামত থকা দুখন খেলপথাৰত খেল দুখন অনুষ্ঠিত হয়। প্ৰথম খেলপথাৰত অনুষ্ঠিত ছেমিফাইনেলত দিল্লীৰ দলটোৱে একপক্ষীয়ভাৱে জয়লাভ কৰে। দিল্লী দলৰ সন্মুখত চিৰাং দুৱাৰ দলে সামান্য প্ৰতিৰোধো গঢ়ি তুলিব নোৱাৰিলে। প্ৰথম অৱস্থাত চিৰাঙে সামান্য প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। যদিও প্ৰথমাৰ্দ্ধত দিল্লীয়ে এগ'লতহে আগবাঢ়ি আছিল যদিও দ্বিতীয়াৰ্দ্ধত খেলখনত নিজৰ আধিপত্য বিস্তাৰ কৰে। খেলৰ ৩২ মিনিটত দিল্লীৰ হৈ প্ৰথমটো গ'ল দিয়ে কৃষ্ণ পণ্ডিতে। আনহাতে, দ্বিতীয়াৰ্দ্ধৰ ৪৯ মিনিটত দলৰ অগ্ৰগতি বৃদ্ধি কৰে টি আৰ সিঙে। সেইদৰে ৬৮ মিনিটত লাইৰাং ব'হমান আৰু ৮৮ মিনিটত কৰণদীপে আন দুটা গ'ল দিয়ে। চিৰাঙে বিনাযুদ্ধে পৰাজয় স্বীকাৰ কৰিলেও অৱশ্যে আনখন ছেমিফাইনেলত শিলচৰৰ দলটোৱে নগালেণ্ড পুলিচক সহজে জয়ী হ'বলৈ নিদিলে। যদিও গ্ৰুপ পৰ্যায়ত দলটোৱে শক্তিশালী দলকো হৰুৱাই যি চমক দেখুৱাইছিল, সেই চমক আজি কিছু পৰিমাণে ম্লান পৰা দেখা যায়। বিশেষকৈ খেলৰ পঞ্চম মিনিটতে গ'ল হজম কৰি শিলচৰৰ খেলুৱৈসকল কিছু হতাশ হৈ পৰিছিল। নগালেণ্ড পুলিচৰ হৈ জয়সূচক গ'লটো দিয়ে লিমা কুনজুকে। পৰৱৰ্তী সময়ত অৱশ্যে শিলচৰে নগালেণ্ড পুলিচক খেলখনত একক আধিপত্য বিস্তাৰ কৰিবলৈ নিদিলে। অৱশ্যে অশেষ চেষ্টা কৰিও শিলচৰৰ দলটোৱে খেলখনত সমতা স্থাপন কৰিব নোৱাৰিলে।



*বৰদলৈ ট্ৰফী ফুটবললৈ আগমন ঘটিছে দৰ্শকৰ, শুকুৰবাৰে।*

আইডব্লিউএল কোৱালিফায়াৰ্ছ

## অভিজ্ঞতাৰ অভাৱত বৃহৎ পৰাজয় গুৱাহাটী চিটীৰ

**গুৱাহাটী, ১ এপ্ৰিল ঃ** মহিলা ফুটবলৰ শীৰ্ষ ৰাষ্ট্ৰীয় লীগ আইডব্লিউএলৰ কোৱালিফায়াৰ্ছৰ প্ৰথম মেচত শোচনীয়ভাৱে পৰাস্ত হৈছে গুৱাহাটী চিটী এফচি (জিচিএফচি)। আজি নতুন দিল্লীৰ ড° আম্বেদকাৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত গুজৰাটৰ আৰা এফচিয়ে জিচিএফচিক ১২-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। যুৱ আৰু অনভিজ্ঞ খেলুৱৈৰে গঠিত জিচিএফচি দলক ৰাষ্ট্ৰীয় দলৰ খেলুৱৈৰে গঠিত গুজৰাটৰ দলটোৱে খেলৰ আৰম্ভণিৰে প্ৰচণ্ড চাপত ৰাখে আৰু প্ৰথমাৰ্দ্ধতে গুৱাহাটীৰ দলটোৱে চাৰিটা গ'ল হজম কৰিবলগীয়া হয়। দ্বিতীয়াৰ্দ্ধতো আধিপত্য অব্যাহত ৰাখে আৰা এফচিয়ে। উল্লেখ্য যে অনভিজ্ঞ জিচিএফচিয়ে প্ৰথমবাৰলৈ কোনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ লৈছে। আজি অনুষ্ঠিত দ্বিতীয়খন খেলত মণিপুৰৰ য়ুথ ৰেলফেয়াৰ ক্লাবে হিমাচল প্ৰদেশৰ গোলাজো এফচিক ৪-০ গ'লত পৰাস্ত কৰে। তিনি মাৰ্চত জিচিএফচিয়ে য়ুথ ৰেলফেয়াৰ ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



## টি-২০ত দুশ কেচৰ অভিলেখ স্থাপন ধোনিৰ

**নিউজ ব্যুৰ'**

**মুম্বাই, ১ এপ্ৰিল ঃ** ৪০ বছৰ বয়সতো চমক ম্লান হোৱা নাই মহেন্দ্ৰ সিং ধোনিৰ। যোৱা নিশা চেন্নাই ছুপাৰ কিংছ পৰাজিত হ'লেও প্ৰাক্তন অধিনায়কজনে এক বিশেষ কীৰ্তি স্থাপন কৰিবলৈ সক্ষম হয়। টি-২০ মেচত দুশ কেচ আয়ত্ত কৰাৰ বিশ্বৰ প্ৰথম উইকেট কীপাৰত পৰিগণিত হ'ল ধোনি। আনহাতে, এই কৃতিত্ব স্থাপন কৰা ধোনি হ'ল বিশ্বৰ চতুৰ্থজন ফিল্ডাৰ। ইয়াৰ পূৰ্বে কেইৰ'ন প'লাৰ্ড, ডুৱেইন ব্ৰেভ' আৰু ডেভিদ মিলাৰে টি-২০ মেচত দুশ কেচ ধৰিছে। উইকেটকীপাৰৰূপে ধোনিয়েই প্ৰথম। অৱশ্যে উইকেটকীপাৰৰূপে ধোনিয়ে ১৯৫টা কেচ আয়ত্ত কৰিছে। ইয়াৰে ৫৭টা কেচ জাতীয় দলৰ হৈ ধৰিছিল। বাকী পাঁচটা কেচ তেওঁ ফিল্ডাৰৰূপে আয়ত্ত কৰিছিল। যোৱা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছৰ অপেনাৰ কুইণ্টন ডি ক'কৰ কেচ ধৰাৰ লগে লগে ধোনিয়ে উক্ত কৃতিত্ব স্থাপন কৰে।





*ডুৱেইন প্ৰিট'ৰিছৰ পুত্ৰৰ স'তে আইপিএলৰ মেচ উপভোগ কৰিছে ৰবীন্দ্ৰ জাদেজাৰ পত্নী-কন্যাই, বৃহস্পতিবাৰে।*

ছাব জুনিয়ৰ বক্সিং

## দেৰগাঁৱৰ চন্দনা ভৰালীৰ ব্ৰঞ্জ

**দেৰগাঁও, ১ এপ্ৰিল ঃ** দেৰগাঁৱত অনুষ্ঠিত হোৱা ৪২সংখ্যক সদৌ অসম আন্তঃজিলা ছাব জুনিয়ৰ বক্সিং প্ৰতিযোগিতাত দেৰগাঁৱৰ চন্দনা ভৰালীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। দেৰগাঁও চকিয়াল বাঘবাৰী গাঁৱৰ শিক্ষক প্ৰাঞ্জল ভৰালীৰ কন্যা চন্দনাই অৰ্জন কৰা এই সাফল্যত সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ভৃগু কুমাৰ দাস, অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক ৰেৱ হাজৰিকা, কৈৱৰ্ত জনজাগৰণ মঞ্চ অসমৰ প্ৰতিষ্ঠাপক কিৰণ দাস, যোৰহাট জিলা বেলগুৰি সুৰ্যোদয় সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ প্ৰতিষ্ঠাপক কণমইনা দাস আদিয়ে অভিনন্দন জ্ঞাপন কৰি খেলুৱৈগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।




*তেজপুৰত চলি থকা দ্বিতীয় অসম পাঞ্জা প্ৰতিযোগিতাত দুই প্ৰতিযোগী।*

## শক্তিশালী স্ক'ৰ দক্ষিণ আফ্ৰিকাৰ

### সাত ৰাণৰ বাবে শতকৰ পৰা বঞ্চিত বাভূমা

**নিউজ ব্যুৰ'**

**ডাৰবান, ১ এপ্ৰিল ঃ** বাংলাদেশৰ বিপক্ষে প্ৰথম টেষ্টত শক্তিশালী স্ক'ৰ সংগ্ৰহ কৰিছে দক্ষিণ আফ্ৰিকাই। ঘৰুৱা দলটোৱে আজি দ্বিতীয় দিনাৰ খেলত ৩৬৭ ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ সৰ্বাধিক ৯৩ ৰাণ কৰে সহঃ অধিনায়ক টেম্বা বাভূমাই। উল্লেখ্য যে কালি দক্ষিণ আফ্ৰিকাই চাৰি উইকেট হেৰুৱাই ২৩৩ ৰাণ সংগ্ৰহ কৰিছিল। অৱশ্যে আজি ১৩৪ ৰাণতে বাকী ছটা উইকেট হেৰুৱায়।

আজি খেলৰ আৰম্ভণিতে দক্ষিণ আফ্ৰিকাই কাইল ভেৰেইনে (২৮) আৰু উইয়া মূল্ডাৰ (১)ৰ উইকেট হেৰুৱাইছিল। ইয়াৰ পাছত বাভূমাই কেশৱ মহাৰাজ (১৯) আৰু ছাইমন হাৰ্মাৰ (৩৮ অপঃ)ৰ স'তে দলৰ ইনিংছ আগুৱাই নিয়ে। মাত্ৰ সাত ৰাণৰ বাবে শতকৰ পৰা বঞ্চিত হোৱা বাভূমাই ১২টা বাউণ্ডেৰী মাৰে। ইয়াৰ পূৰ্বে কালি অধিনায়ক ডিন এলগাৰে ৬৭ আৰু সংগী অপেনাৰ ছাৰেল এৰৱিয়ে ৪১ ৰাণ সংগ্ৰহ কৰিছিল। বাংলাদেশৰ খালেদ আহমেদে সৰ্বাধিক চাৰিটা, মেহদী হাছান মিৰাজে তিনিটা আৰু এবাদট হুছেইনে দুটা উইকেট দখল কৰে।

# দুঃসাহসিক ক্ৰীড়াৰ প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসম চৰকাৰৰ অধীনস্থ অসম পৰ্বতাৰোহণ তথা দুঃসাহসিক ক্ৰীড়ানুষ্ঠানৰ উদ্যোগত ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ সহযোগত অসমৰ সমগ্ৰ জিলাক সামৰি এক দুঃসাহসিক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয় যায়। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ পৰ্বতাৰোহণ প্ৰশিক্ষক তথা প্ৰথম অসমীয়া মাউণ্ট এভাৰেষ্ট আৰোহী 'অসম-গৌৰৱ' তৰুণ শইকীয়াৰ নেতৃত্বত আঠদিন ধৰি চলা উক্ত শিবিৰটোৰ সমগ্ৰ দলটোক যোৱা ১৯ মাৰ্চত গুৱাহাটীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰী আৰু যুটীয়া সঞ্চালক পাৰ্থ পেগুৱে শুভেচ্ছা বাৰ্তা জনায় আৰু যোৱা ২০ মাৰ্চত ডিমা হাছাও জিলাৰ হাফলংস্থিত ডাউলাগপু ষ্টেডিয়ামত প্ৰশিক্ষণ শিবিৰটোৰ আৰম্ভণি কৰা হয়। উদ্বোধনী অনুষ্ঠানত ডিমা হাছাও জিলাৰ সচিব প্ৰধান টি টি ডাউলাগপু, অতিৰিক্ত আয়ুক্ত সচিব আনিছ ৰছুল মজুমদাৰ আৰু জিলা ক্ৰীড়া বিষয়া জাগিৰ খানকে আদি কৰি কে'বাজনো স্থানীয় সন্মানীয় লোক উপস্থিত থাকে।

অসমৰ সৰ্বোচ্চ পাহাৰলৈ ট্ৰেকিং তথা দুঃসাহসিক প্ৰশিক্ষণ শিবিৰটোত ৰাজ্যৰ প্ৰতিখন জিলাৰ পৰা মুঠ ৭১জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে আৰু এই প্ৰশিক্ষণ কাৰ্যসূচীত নজন অভিজ্ঞ তথা উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষক ক্ৰমে অৱসৰপ্ৰাপ্ত পৰ্বতাৰোহণ প্ৰশিক্ষক অজিত কুমাৰ কলিতা, উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত পৰ্বতাৰোহণ প্ৰশিক্ষক হিম্মত বড়ো, বিক্ৰম বড়ো, ভুৱনেশ্বৰ প্ৰসাদ, বিশ্বজ্যোতি হোজাই, মনিন বড়ো, অংকুৰ শৰণীয়া আৰু ছাৰপোৱাজ হোজায়ে প্ৰশিক্ষণ আগবঢ়ায়। উক্ত দুঃসাহসিক শিবিৰটোৰ অংশৰূপে দলটোৱে ডিমা হাছাও জিলাৰ বৰাইল পৰ্বতমালাৰ পৰিসৰৰ অন্তৰ্গত সাগৰপৃষ্ঠৰ পৰা ১৮৬৬ মিটাৰ (৬১২২.০৪৭ ফুট) উচ্চতাত অৱস্থিত অসমৰ সৰ্বোচ্চ 'থিংটোহ-বোং' চূড়াত যোৱা ২১ মাৰ্চৰ বিয়লি ১২-২০ বজাত সফলতাৰে ট্ৰেকিং সম্পন্ন কৰে। ট্ৰেকিং সম্পন্ন কৰি দলটোৱে পানিমোৰত অৱস্থিত 'মাইৰংমা ডাওগা কপিলী তীৰ্থ' প্ৰাংগণত অস্থায়ী শিবিৰ স্থাপন কৰে। লগতে পানিমোৰৰ অন্তৰ্গত কপিলী খৰস্ৰোতা নৈত তেওঁলোকে প্ৰশিক্ষাৰ্থীসকলক ৰাফটিঙৰ সন্দৰ্ভত কিছু কাৰিকৰী তথা মৌলিক প্ৰশিক্ষণো প্ৰদান কৰোৱা হয়।

লগতে দাঁতিকাষৰীয়া অঞ্চলত হাই-ৰ'প প্ৰশিক্ষণ যেনে মাংকী, ক্ৰ'লিং আৰু জীপ লাইনিং তথা যোমাৰিং আদিৰ ওপৰতো প্ৰশিক্ষণ আগবঢ়ায়। তদুপৰি জিলাখনৰ হকে প্ৰশিক্ষাৰ্থীসকলক বন সংৰক্ষণ, পৰিৱেশ প্ৰদুষণৰ সজাগতা আৰু পৰ্যটন বিকাশৰ ওপৰতো কিছু আভাস দিয়া হয়। সমগ্ৰ প্ৰশিক্ষণ কাৰ্যসূচীটো ২৭ মাৰ্চত সফলতাৰে সামৰণি পৰে। সামৰণি অনুষ্ঠানত ডিমা হাছাও জিলাৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্যবাহী সদস্য নৱজিৎ হোজাই, ডিমা হাছাও এডভেঞ্চাৰ এছ'চিয়েছনৰ সভাপতি পংকজ জিদুঙকে আদি কৰি বহুকেইজন বিশিষ্ট লোকৰ উপস্থিতিত বাছনিক্ৰমে অংকুৰজ্যোতি গোহাঁইক শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থী বঁটা, প্ৰনেস কেম্প্ৰাই আৰু চৰিতা থাওচেনক শ্ৰেষ্ঠ নিয়মানুৱৰ্তিতা বঁটা' আৰু এক নম্বৰ দলক শ্ৰেষ্ঠ দল তথা সূৰ্যৰাম জহৰী আৰু মাৰ্গাৰেট টপ্প'ক নিচুকনি বঁটা প্ৰদান কৰা হয়। অসম চৰকাৰৰ অধীনস্থ অসম পৰ্বতাৰোহণ তথা দুঃসাহসিক ক্ৰীড়ানুষ্ঠানৰ উদ্যোগত ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত উক্ত কাৰ্যসূচীয়ে ভৱিষ্যত দিনত ডিমা হাছাও জিলাৰ পৰ্যটন বিকাশৰ লগতে স্থানীয় শিক্ষিত যুৱক-যুৱতীসকলক পৰ্যটন আৰু দুঃসাহসিক ক্ৰীড়াৰ ক্ষেত্ৰত আৰু অধিক আকৰ্ষিত কৰিব বুলি আশা প্ৰকাশ কৰিছে।

## প্ৰথমবাৰলৈ আইপিএলৰ প্ৰথম দুখন পৰাজয় চেন্নাই ছুপাৰ কিংছৰ


### ডি ক'ক-লিৱিছৰ অৰ্ধশতকেৰে লক্ষ্ণৌৰ জয়

**নিউজ ব্যুৰ'**

**মুম্বাই, ১ এপ্ৰিল ঃ** আইপিএলৰ ইতিহাসত প্ৰথমবাৰলৈ আৰম্ভণিৰ দুখন মেচত পৰাজয়ৰ সোৱাদ পালে চেন্নাই ছুপাৰ কিংছে। যোৱা নিশা আইপিএলত প্ৰথমবাৰলৈ খেলা লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছে চেন্নাইক ছয় উইকেটত পৰাজিত কৰে। চেন্নাই দলে ইয়াৰ পূৰ্বে কেতিয়াও প্ৰথম দুখন মেচত পৰাজয়ৰ স্বাদ পোৱা নাছিল।

যোৱা নিশাৰ খেলত প্ৰথমে বেটিং কৰি চেন্নাই দলে সাত উইকেটত ২১০ ৰাণ কৰে। এটা সময়ত লক্ষ্ণৌৰ বাবে লক্ষ্যত উপনীত হোৱাটো কঠিন হৈ পৰিছিল। অৱশ্যে ৱেষ্টইণ্ডিজৰ ক্ৰিকেটাৰ এভিন লিৱিছ আৰু তৰুণ প্ৰতিভা আয়ুষ বাদ'নিয়ে দলক উত্তেজক জয় কঢ়িয়াই আনে। লিৱিছে ২৩টা বলত ছটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ৫৫ ৰাণত অপৰাজিত হৈ থাকে। প্ৰতিযোগিতাৰ আৱিষ্কাৰৰ আখ্যা পোৱা বাদ'নিয়ে নটা বলত দুটা ছিক্সাৰৰ সহায়ত ১৯ ৰাণত অপৰাজিত হৈ ৰয়। অপেনাৰ কুইণ্টন ডি ক'কে ৬১ আৰু অধিনায়ক কে এল ৰাহুলে ৪০ ৰাণৰ বৰঙণি যোগায়।

ইয়াৰ পূৰ্বে চেন্নাইৰ হৈ ৰবিন উথাপ্পাই ২৭টা বলত ৫০ আৰু শিৱম ডুবেই ৩০টা বলত ৪৯ ৰাণৰ বৰঙণি যোগায়। মঈন আলীয়ে ৩৫, অম্বাতি ৰায়ুডুৱে ২৭ অধিনায়ক ৰবীন্দ্ৰ জাদেজাই ১৭ ৰাণ কৰাৰ বিপৰীতে মহেন্দ্ৰ সিং ধোনিয়ে ছটা বলত ১৬ ৰাণ কৰি অপৰাজিত হৈ ৰয়।



## এটিপিএত যোৰহাট টাউনৰ অগ্ৰগতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১ এপ্ৰিল ঃ** এটিপিএ শিল্ড ফুটবল প্ৰতিযোগিতাত সহজ জয়েৰে অভিযান আৰম্ভ কৰিছে যোৰহাট টাউন ক্লাবে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ তৃতীয়খন খেলত টাউন ক্লাবে বড়ৌচা ফুটবল ক্লাবক ৩-০ গ'লত পৰাস্ত কৰে। প্ৰথমাৰ্দ্ধৰ সাত মিনিটতে অধিকাৰী মায়ুম ডিংকু শৰ্মাৰ গ'লেৰে অগ্ৰগতি লাভ কৰে টাউনে। প্ৰতিপক্ষক সম্পূৰ্ণ হেঁচাত ৰাখি টাউনে বড়ৌচাৰ ব'ক্সত তীব্ৰ আক্ৰমণ অব্যাহত ৰাখি অধিকাৰী মায়ুমৰ জৰিয়তেই দ্বিতীয় সফলতা লাভ কৰে ১৭ মিনিটত। প্ৰথমাৰ্দ্ধৰ ৪৫ মিনিটত তৃতীয়টো সফলতা লাভ কৰে লানু টছি লংছাৰ গ'লেৰে। প্ৰথমাৰ্দ্ধ ৩-০ৰ ব্যৱধানত শেষ হোৱাৰ পাছত দ্বিতীয়াৰ্দ্ধতো অধিক আক্ৰমণাত্মক খেল প্ৰদৰ্শন কৰে টাউন ক্লাবে। বড়ৌচা ফুটবল দলেও প্ৰতিপক্ষৰ গ'লবক্সত আক্ৰমণৰ চেষ্টা কৰে যদিও দুৰ্বল ফিনিছিঙৰ বাবে গ'ল কৰিবলৈ সক্ষম নহ'ল। খেল পৰিচালনা কৰে বিমান সন্দিকৈয়ে। লাইনত আছিল সুমন্ত দত্ত আৰু পৱন পাঠক। চতুৰ্থ ৰেফাৰী ৰঞ্জিত দত্ত।

উল্লেখ্য যে কাইলৈ যোৰহাট ষ্টেডিয়ামত যোৰহাট ক্ৰীড়া সন্থাৰ শতবৰ্ষ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব।

পঞ্চম গুৱাহাটী অপেন জুনিয়ৰ টেনিছ

## দ্বৈত মুকুট অৰ্জন চাণ্ডোগ্যৰ

**গুৱাহাটী, ১ এপ্ৰিল ঃ** গুৱাহাটী লন টেনিছ সংস্থাৰ দ্বাৰা আয়োজিত পঞ্চম গুৱাহাটী অপেন জুনিয়ৰ টেনিছ চেম্পিয়নশ্বিপত দ্বৈত মুকুট অৰ্জন কৰিছে চাণ্ডোগ্য ত্ৰিদিৱ পাঠকে। মহানগৰীৰ আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত প্ৰতিযোগিতাৰ অনূৰ্ধ্ব ১২ আৰু ১৪ বছৰৰ ল'ৰাৰ একক শাখাত প্ৰতিভাৱান খেলুৱৈজনে খিতাপ জয় কৰে। আজি ল'ৰাৰ ১২ বছৰ অনূৰ্ধ্বৰ ফাইনেলত চাণ্ডোগ্যই নমন বৰাক ৬-১, ৬-১ ছেটত পৰাজিত কৰে। ইয়াৰ পাছতে তেওঁ ল'ৰাৰ ১৪ বছৰ অনূৰ্ধ্বৰ ফাইনেলত বৰ্ণিল বৰাক ৬-০, ৬-১ ছেটত পৰাজিত কৰিবলৈ সক্ষম হয়। ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্বৰ ফাইনেলত পাৰ্থিৱ কলিতাই বেদ আদিত্য কলিতাক ৭-৫, ৭-৫ ছেটত হৰুৱাই খিতাপ অৰ্জন কৰে।

ইফালে, ছোৱালীৰ ১২ বছৰ অনূৰ্ধ্ব শাখাত অৰ্ণৱি দেৱনাথ চেম্পিয়ন হয়। তেওঁ আজিৰ ফাইনেলত নয়ীম হুছেইনক ৪-১, ৪-১ ছেটত পৰাজিত কৰে। ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্বৰ ফাইনেলত বিষ্ণুপ্ৰিয়া বৰগোহাঁয়ে নিশিতা প্ৰিয়া বেজবৰুৱা ৬-১, ৬-১ ছেটত হৰুৱাই খিতাপ অৰ্জন কৰে। সেইদৰে ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ ফাইনেলত তানিয়া কুমাৰীয়ে বিষ্ণুপ্ৰিয়া বৰগোহাঁইক ৬-৩, ৬-২ ছেটত পৰাজিত কৰি খিতাপ জয় কৰে। ফলত দ্বৈত মুকুটৰ পৰা বঞ্চিত হয় বিষ্ণুপ্ৰিয়া।



*পঞ্চম গুৱাহাটী অপেন জুনিয়ৰ টেনিছত বিভিন্ন বিভাগত বঁটা বিজয়ী খেলুৱৈৰ লগতে কৰ্মকৰ্তা।*



*দুঃসাহসী ক্ৰীড়াৰ প্ৰশিক্ষণ শিবিৰৰ সামৰণিৰ এটি মুহূৰ্ত।*

## যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাক ওপজা দিনৰ ওলগ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ এপ্ৰিল ঃ** নগাঁও জিলাৰ তেলিয়া পহুকটা নিবাসী আন্তঃৰাষ্ট্ৰীয় যোগ ৰেফাৰী তথা বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰভাত চন্দ্ৰ বৰাৰ ৫৩সংখ্যক ওপজা দিন উপলক্ষে তেওঁক আজি বিভিন্ন ক্ৰীড়া সংগঠন তথা ব্যক্তিবিশেষে ওলগ জনায়। আজি বিয়লি তেওঁক ওপজা দিনৰ ওলগ জনায় সান্নিধ্য গোষ্ঠীৰ সভাপতি দেৱজ্যোতি গোস্বামী, শ্বাইন্‌ছ প্লেয়াৰ্ছৰ সভাপতি সমীৰ হাজৰিকা আৰু ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবৰ সভাপতি দেৱজিৎ দাস আদিয়ে। ইয়াৰোপৰি তেওঁক অসম যোগ সংস্থাৰ সভাপতি তথা হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন কুমাৰ দাসেও ওপজা দিনৰ শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যৰ প্ৰাক্তন ভলীবল খেলুৱৈ তথা ক্ৰীড়া সংগঠক জীৱন চূড়ানা আৰু প্ৰশান্ত কুমাৰ বৰায়ো যোগাসন ক্ৰীড়াৰ সংগঠকজনক শুভেচ্ছা জনাইছে। উল্লেখ্য যে ওপজা দিনৰ ওলগ গ্ৰহণৰে যোগাসন ক্ৰীড়াৰ সংগঠকজনে ক্ৰীড়াৰ দিশত আৰু অধিক মনোনিৱেশেৰে ভৱিষ্যতে নিজকে ৰাইজৰ সেৱা কৰিবলৈ আশীৰ্বাদ বিচাৰি অনুৰোধ কৰিছে।

